Library. L.A.

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 4

**The 27th March 1978**

1978

PRINTED AT THE ASSAM GOVERNMENT PRESS,
GAUHATI

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

**(Budget Session)**

**Volume I**

**No. 4**

Dated the, 27th March, 1978

CONTENTS


| | | Page |
|---|---|---|
| 1. | Motion ... ... ... | 139—140 |
| 2. | Motion for election members to the Assam State Housing Board. .. .. .. | 140 |
| 3. | Motion for election of members to the Town and Country Planning Advisory Council. .. ... ... | 141 |
| 4. | Debates on the Governor's Address ... | 142—184 |

Proceedings of the First Session of the Assam Legislative Assembly Assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Monday, the 27th March, 1978 with the Hon'ble Speaker in the Chair, 12 (Twelve) Ministers, 4 (Four) Ministers of State, 4 (Four) Parliamentary Secretaries and 102 (one hundred and two) Members present.

## MOTION

Mr. Speaker—SHRI JAGANNATH SINGH, Minis er, Labour.

SHRI JAGANNATH SINGH (Minister)—Hon'ble Mr. Speaker, Sir, I like to move—' Whereas in view of growing unemployment situation in the State of Assam, the preceding Assam Legislative Assembly felt the necessity of a Committee of the House to review the employment position of the people of the State in the various public and private sector indutries and undertakings in the State of Assam from time to time and for improving the relationship between the people and the various public sector and private sector industries and undertakings; and

Whereas such a Committee having been constituted with five members of the Assembly, six reports submitted on the subject during the term of fourth and fifth Assemblies proved, to be of immense benefit to the interest of the people of Assam ; and

Whereas this Assembly feels the necessity of having such a Committee to work in continuity for the same purpose with a view to further the interest of the people of the State in the matter of employment, this Assembly do now resolve that a Committee of the House known as Employment Review Committee be constituted with five members of the Assembly.

The duration of the Committee will be for the whole life of the Sixth Assembly and the members of the Committee will be nominated by the Hon'ble Speaker."

Shri NOORUL HUDA—Sir, I wanted a clarification. What the Hon'ble Minister by implication said was that the work of the Employment Review Committee has been furthering the interest of the people of the State in the matter of employment. What does he actually mean by that.

Shri JAGANNATH SINGH, (Minister)—The main purpose of this Employment Review Committee is to see whether representation in the matter of employment has been given to the local people and this Committee mainly goes into that matter.

Shri GIASUDDIN AHMED—One more clarification, Sir, several reports have been submitted by the previous Employment Review Committees What actions Government took on the reports of those Committees.

Shri JAGANNATH SINGH, ( Minister )—Will, Sir. I shall have to study it.

MR. SPEAKER—The motion is " Whereas in view of growing unemployment situation in the State of Assam, the preceding Assam Legislative Assembly felt the necessity of a Committee of the House to review the employment position of the people of the State in the various public and private sector industries and undertakings in the State of Assam from time to time and for improving the relationship between the people and the various public sector and private sector industries and undertakings; and

Whereas such a Committee having been constituted with five members of the Assembly, six reports submitted on the subject during the term of the fourth and fifth Assemblies proved to be of immense benefit to the interest of the people of Assam; and

Whereas this Assembly feels the necessity of having such a Committee to work in continuity for the same purpose with a view to further the interest of the people of the State in the matter of employment, this Assembly do now resolve that a Committee of the House known as Employment Review Committee be constituted with five members of the Assembly.

The duration of the Committee will be for the whole life of the Sixth Assembly and the members of the Committee will be nominated by the Hon'ble Speaker ".

(.........The motion is passed )

## MOTION FOR ELECTION OF MEMBERS TO THE ASSAM STATE HOUSING BOARD

Shri ZAHIRUL ISLAM, ( Minister )—Sir, I beg to move " That three representatives be elected by the Assam Legislative Assembly from among its members to become members of the Assam State Housing Board under Section 4(1) (g) of Assam State Housing Board Act, 1972.

The vacancies have been caused due to the dissolution of the Assembly prior to the formation of the Sixth Assam State Legislative Assembly.

( The Secretary will notify the date, time and place for holding the election, necessary )."

Mr. SPEAKER—The motion is' That three representative be elected by the Assam Legislative Assembly from among its members to become members of the Assam State Housing Board under Section 4 (1) (g) of the Assam State Housing Board Act, 1972.

The vacancies have been caused due to the dissolution of the Assembly prior to the formation of the Sixth Assam State Legislative Assembly.

(........The motion is passed )

Shri ALTAF HUSSAIN MAZUMDAR—Mr. Speaker, Sir. As regards item No. 1 is it not the function of the Committee to see that all the communities are represented ?

( Voice—The motion has already been pasesd )

Mr. SPEAKER—If the Hon'ble member so desiaes it may be raised later on. Now item No. 3.

Shri ZAHIRUL ISLAM, (Minister)—Sir, I beg to move "That three representatives be elected by the Assam Lagislative Assembly from among its members to become the members of the "Tawn and Country Planning Advisory Council' under Section 3(1) (x) of the Assam Town and Country Planning Act, 1959.

The vacancies have been caused due to the dissolution of the Assembly prior to the formation of the Sixth Assam State Legislative Assembly.

(The Secretary will notify the date, time and place for holding the election, if necessary.)

Mr. SPEAKER : The motion moved is "That three representative be elected by the Assam Legislative Assembly from among its members to become the members of the 'Town add Country Planning Advisory Council' under Section 3(1) (x) of the Assam Town and Country Planning Act, 1959.

The vacancies have been caused due to the dissolution of the Assembly prior to the formation of the Sixth Assam State Legislative Assambly.'

( The motion is passed )

Now, debate on Governor's address. There is a good number of members who have already participated in the debate and they have also taken quite good time. In considering that many them were new members and at the same time there are members who are senior. I have time to encourage them to raise the standard. Therefore, sometimes I gave more time than the average time allowed for each and every member. Today I propose that we should strictly keep the time schedule for each member to speak that is seven minutes in average. Keeping this in view I hope the Hon'ble members will co-operate and keep their own time accordingly.

শ্ৰীপ্ৰেমধৰ বৰা ঃ—অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে দৃষ্টিগোচৰ কৰিব বিচাৰো যে ২৪ তাৰিখৰ অসম ট্ৰিবিউনত প্ৰকাশ হৈছে লোকপ্ৰিয় গোপীনাথ বৰদলৈ হাস্পাতালত বেমাৰী সকলে পানীৰ অভাৱত কষ্ট ভোগ কৰিছে । এই বিষয়টোৰ প্ৰতি স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো ।

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) ঃ—মই এইটো চাম ।

**শ্ৰীবুদ্ধ বৰুৱা** ঃ—অধ্যক্ষ মহোদয়, মই সিদিনা কৈছো যে আমাৰ ৰাজ্যৰ শতকৰা ৮০ ভাগ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। আমি জানো যে শতকৰা ৭০ জন লোক দৰিদ্ৰ সীমা ৰেখাৰ তলত। আমাৰ আৰু শতকৰা ১৫ জন লোকে কৃষিৰ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। অংক কৰিলে দেখা যায় মাত্ৰ ১০ জন লোক খাই লৈ বাকী থকা শস্য বিক্ৰী কৰিব পাৰে। ১০ জনৰ উদ্বৃত্ত শস্যৰ ৮৫ জনক খোৱাব পৰাটো সম্ভৱপৰ হৰনে নহয়। এই সম্পৰ্কত চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা লব আৰু এই সমস্যা কেনেদৰে সমাধান হব তাৰ কথা ৰাজ্যপালৰ ভাষণত পৰিষ্কাৰ ভাবে জনোৱা নাই। আৰু এই ৯৫ জন কৃষক আৰু নিৰ্ভৰশীল লোকৰ জনসংখ্যা যি পৰিমাণে বৃদ্ধি হৈছে এই বৃদ্ধিৰ লগে লগে আমাৰ কৃষক সকলৰ মাজত কৃষি নিবনুৱাৰ সংখ্যাও বৃদ্ধি হৈছে। আনহাতে যি বিলাক কৃষি নিবনুৱা সেই বিলাকৰ বাচি থকাৰ বিকল্প ব্যৱস্থা নথকাৰ কাৰণে মাটিৰ ওপৰত হেচা পৰিছে। বাচি থকাৰ বিকল্প ব্যৱস্থা কৰিব পৰা নহলে মাটিৰ ওপৰত পৰা হেচাও কমাব পৰা নাযায়। আনহতে যোৱা অৰ্থাৎ কংগ্ৰেছ চৰকাৰে কৈ গৈছে যে যি মাটি আছিল সেই মাটি দি শেষ কৰিলে তেওঁলোকৰ হিচাবত মাটি আৰু নাই যি অলপ অচৰপ আছে সেই খিনি জনতা চৰকাৰে সোনকালেই বিতৰণ কৰাৰ ব্যৱস্থা কৰিব। আজি যি খিনি অতিৰিক্ত কৃষক নিবনুৱা আছে তেওঁলোকক যদি আমি কৰ্মসংস্থান দিব নোৱাৰো তেতিয়াহলে আমাৰ সমস্যা সমস্যাহৈয়েই ৰৈ যাব, এই সমস্যা উদ্যোগীকৰণৰ ব্যতিৰেকে সমাধান কৰাৰ কোনো ৰাস্তা নাই। আজি আমি পৰিষ্কাৰ ভাবে চাব লাগিব। সেই ফালৰ পৰা মই কব বিচাৰিছো যে অসম খন এখন ঘৰ। অসমৰ যি ভৌগলিক চাৰি সীমা আছে সেইটো আমাৰ ঘৰৰ সীমা বা সেই খনেই বাৰী। আমাৰ অসমত যি ডেৰ কোটি মানুহ আছে এই ডেৰ কোটি মানুহেৰে আমাৰ এটা পৰিয়াল বুলি ধৰিব লাগিব। আমাৰ এই ডেৰ কোটি মানুহৰ যি বিলাকসমস্যা আছে সেই সমস্যা বিলাক সামুহিক ভাবে সমাধান কৰি আমি বাচি থাকিব লাগিব। আমাৰ অসম খনক বাহিৰৰ পৰা ধনী দেশ বুলি কোৱা হয়। অসমত চাহ উদ্যোগ আছে, তেল উৎঘাটণ কৰা হৈছে। সেই ফালৰ পৰা অসমক ধনী বুলি কব পাৰি। কাৰণ অসমৰ চাহ উদ্যোগ পৃথিবীৰ ভিতৰতে ডাঙৰ শিল্প। কিন্তু কথা হৈছে যে চাহ শিল্পৰ পৰা বছৰি যি ৬০০ কোটি বিদেশী মুদ্ৰা অৰ্জণ হৈছে। এই সম্পত্তি অসমৰ ডেৰ কোটি মানুহৰ উমৈহতীয়া সম্পদনে? কিন্তু তাৰ ফল এই ডেৰ কোটি মানুহে ভোগ কৰিবলৈ পাইছেনে? পোৱা নাই। চাহ শিম্প মালিক হৈছে দেশী বিদেশী পুজি পতি সকল। এই চাহ শিল্পত যি উপাৰ্জন হৈছে সেই উপাৰ্জন ভোগ কৰিছে এই পুজিপাতি সকলেহে। এই শিল্পৰ পৰা আমাৰ চৰকাৰ বা অসমৰ ৰাইজ যি পৰিমাণে উপকৃত হব লাগে সেই, পৰিমাণে উপকৃত হোৱা নাই। অসমৰ চাহ শিল্পৰ ফল অসমৰ ৰাইজেই ভোগ কৰিবলৈ নোপোৱাটো কেনে ধৰণৰ কথা? আমি ১৯৪২ চনত আন্দোলন কৰিছিলো বিদেশীক খেদিবৰ কাৰণে, তেওঁলোকৰ পৰা আমাৰ বস্তু আমি পাবৰ কাৰণে। কিন্তু চাহ শিল্প আমি আজিও বিদেশীৰ পৰা মুক্ত কৰিব পৰা নাই। এই দৰেই আমাৰ যি উৎপাদন হয়, সেই উৎপাদন আমাৰ ডেৰ কোটি মানুহে ভোগ কৰিবলৈ নাপায়। তাৰ কাৰণেই আমাৰ মানুহে খাবলৈ নোপোৱা হৈছে আৰু নিবনুৱা হৈ গৈছে।

আজি অইল ইণ্ডিয়া কোম্পানী উৰ্জনি অসমৰ এটা বৃহত অঞ্চল জুৰি আছে। অইল ইণ্ডিয়াই তেল উতঘাটনৰ অধিকাৰ লৈছে। ইয়াতো বিদেশী কোম্পানিৰ শতকৰা ৫০ ভাগ অংশ আছে। এই তেলৰ পৰাই বৃটিচ কোম্পানীয়ে শতকৰা ৫০ ভাগ লাভাংশ লৈ গৈ আছে। আনহাতে এই তেল সম্পদৰ ওপৰত আমাৰ কোনো কতৃত্ব নাই। আনকি ভাৰত চৰকাৰেও আমাৰ ইয়াত নিবনুৱা সমস্যা থকা স্বত্বেও আমাৰ অসমত তেল শোধনাগাৰ প্ৰতিষ্ঠা কৰি নিবনুৱা সংস্থাপন কৰিবলৈ বিশেষ ব্যৱস্থা কৰা নাই। আৰু এই ডেৰ কোটি মানুহে নিজৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আহিবলগীয়া হৈছে। মই আৰু অলপ কৈয়ে শেষ কৰিম। যি অঞ্চলৰ পৰা তেল উৎঘাটন হৈছে বিশেষকৈ মোৰ মাহমৰা সমষ্টিৰ মৰাণ লাকুৱা আদি অঞ্চলৰ পৰা তেল উৎঘাটন কৰা হৈছে। এই তেল উৎঘাটন কৰিবলৈ যাওতে

যি তেলৰ কুৱা খন্ডা হয় তাৰ কাৰণে ১০।১২ বিঘা মাটি লাগে। তাৰোপৰি সেই বিলাক অঞ্চললৈ ৰাস্তা আদি কৰোতে বহুত মাটিৰ প্ৰয়োজন হয়। কিন্তু এই মাটি বিলাকৰ বাবদ দিয়া ক্ষতিপূৰণ নিচেই নগন্য। আনহাতে যি বিলাক মানুহৰ মাটি গৈছে সেই বিলাকৰ অৰ্হতা লৰা ছোৱালী থকা স্বত্বেও এই বিলাকত কোনো চাকৰি-বাকৰি, ঠিক-ঠুকলি আদিৰ সুযোগ সুবিধা পোৱা নাই। আজি সমগ্ৰ অসমৰ অৰ্থনীতি, কৃষিনীতি, নিবনুৱা নীতি ৰাজ্যপালৰ ভাষণত পৰিস্কাৰ ভাবে ওলাব লাগে, আৰু এই বিলাকৰ সামগ্ৰিক ভাবে ব্যৱস্হা গ্ৰহণ কৰিব লাগে। গতিকে এই কথা বিলাক যাতে পৰিষ্কাৰ ভাবে ভাষণত স্হান পায় তাৰ ব্যৱস্হা কৰিব লাগে। মই এই খিনিকে কৈ মোৰ বক্তব্য সামৰণী মাৰিলো।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণক সমৰ্থন কৰি মাননীয় সদস্য শ্ৰীনগেন শৰ্মা ডাঙৰীয়াই যিটো ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে মই সৰ্বৰ্ন্তঃ কৰণে সমৰ্থন জনাইছো। লগতে জনতা চৰকাৰে গ্ৰহন কৰা আমাৰ দুখীয়া জনসাধাৰণ আৰু কৃষক ৰাইজৰ কাৰণে ১০ বিঘা মাটিলৈ খাজনা ৰেহাই, খাজনাৰ ওপৰত অতিৰিক্ত শতকৰা ৩০ ভাগ খাজনা ৰেহাই, আৰু দশম মান শ্ৰেণীলৈকে সকলো লৰা-ছোৱালীকে মাছুল ৰেহাই দিয়াৰ যি বলিষ্ঠ পদক্ষেপ লৈছে সেইটো মই অন্তঃকৰণেৰে ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত জনতা চৰকাৰে বিভিন্ন কামৰ কাৰণে যি পৰিকল্পনা হাতত লৈছে সেইখিনি কাম দ্ৰুতগতিত আৰু নিয়াৰিকৈ কৰা হব বুলি মই আশা ৰাখিছো। মহোদয়, ইয়াৰ লগতে মই ডিব্ৰুগড় জিলাৰ কেইটামান সমস্যাৰ কথা দাঙি ধৰিব বিছাৰিছো। ডিব্ৰুগড় নগৰ খন ৰক্ষা কৰাৰ কাৰণে এটা ভাল ব্যৱস্হা সোনকালে কৰিব লাগে। কাৰণ বাৰিষাৰ লগে লগে ডিব্ৰুগড়ৰ গোটেই জনসাধাৰণে ভয়ত আকুলিত হৈ থাকে। ৰাতি টোপনি নাহে, ব্ৰহ্মপুত্ৰৰ বানপানীয়ে কেতিয়া ঘৰ-দুৱাৰ উটাই নিয়ে তাৰ কোনো ঠিকনা নাই। গতিকে ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে এটা ভাল বন্দোবস্তি কৰিব লাগে। লগতে কেন্দ্ৰীয় চৰকাৰে যি টকা দিছে সেই টকাখিনিও ভালদৰে ব্যৱহাৰ কৰিব লাগে। আমি শুনিবলৈ পাইছো এতিয়া যে যিটো বান্ধ বন্ধা হৈছে সেইটো ব্ৰহ্মপুত্ৰৰ বালিৰ দ্বাৰা বন্ধা হৈছে। গতিকে বালিৰ দ্বাৰা বন্ধা বান্ধ কেতিয়াও বেছি দিন টিকিব নোৱাৰে। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মুখ্যমন্ত্ৰী আৰু সংলিষ্ট মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, লগতে এই কথাও উনুকিয়াব খোজো যে দিহিং নদীৰ দয়ো পাৰৰে মাথাউৰী দুটা যোৱা প্ৰলয়ংকৰ বান পানীয়ে বিস্তৰ ক্ষতি সাধন কৰিলে। খোৱাং মুখৰ পৰা কেন্দুগুৰিলৈ বান্ধৰ ওপৰেদি পানী যোৱাৰ ফলত বান্ধ দুটা নষ্ট হৈ গৈছে। টিং খং কেন্দুগুৰিত অন্য বান্ধৰ মথাউৰী ভঙাৰ বাবে অঞ্চলটোত যথেষ্ট ক্ষতিসাধন কৰিলে। চাৰ্চান লেঙেৰী অঞ্চলতো ধান খেতি নষ্ট কৰিছিল। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰো যাতে এই বাৰ এই বান্ধ কেইটা বন্ধাত জোৰ দিয়ে আৰু ইতিমধ্যে এই বান্ধৰ কাৰণে মঞ্জুৰ হোৱা টকা যাতে দুনীৰ্তি নোহোৱাকৈ বান্ধৰ কামতে খৰচ কৰিব পৰা হয় তেনে ব্যৱস্হাৰ প্ৰতি নজৰ ৰাখিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত চলা বিতৰ্ক সংক্ৰান্তত বহু কেইজন মাননীয় সদস্যই জৰুৰী কালীন অৱস্হাত চলা পুলিচ অতিশয্যৰ কথা ইয়াত উল্লেখ কৰিছে। মই মোৰ সমষ্টিৰ এটা মাত্ৰ কথা উনুকিয়াব খুজিছো। টিং খং সমষ্টিৰ প্ৰায় আশী ভাগ লোকেই কংগ্ৰেছ বিৰোধী লোক। কিন্তু জৰুৰী কালীন অৱস্হাৰ সময়ত জধেমধে গ্ৰেপ্তাৰ কৰাৰ ফলত খেতিয়ক সকলে এবছৰ দুবছৰ বা ছমাহ পৰ্য্যন্ত কোনো কোনোৱে নিজৰ খেতি পথাৰ এৰি আঁতৰি থাকিবলগীয়াত পৰিছিল। ফলত শস্য উৎপাদনৰ ক্ষেত্ৰত

অন্তৰায়ৰ সৃষ্টি হৈছিল । পুলিচ অফিচাৰে নিজে কংগ্ৰেছৰ বাবে সভ্য ভৰ্ত্তি কৰিছিল । সভ্য নহলে অত্যাচাৰ কৰিছিল । তেওঁ হেনো আগৰ গৃহ মন্ত্ৰীৰ মানুহ আৰু তেওঁক সেই কামৰ কাৰণেই তাত নিয়োগ কৰা হৈছিল ।

( ভইচ ঃ চেম চেম )

কংগ্ৰেছৰ সভ্য নোহোৱা কাৰণে শ্ৰীচেনী ৰাম খনিকৰ আৰু কুম বৰা নামৰ দুজন প্ৰাইমাৰী শিক্ষকক কামৰ পৰা নিলম্বিত কৰিছিল আৰু আজিকোপতি তেওঁলোক দুজনে চাকৰি পোৱা নাই । এই কথাটো অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী আৰু মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো । তাৰ উপৰিও ৰাম গগৈ নামৰ কবি জনাক নজনা লোক বোধকৰো অসমত নাই । কিন্তু সেই কবি জনাক এঘৰ মানুহৰ ঘৰত ভাত খাই থকা অৱস্থাত মুখ হাত ধুবলৈও সময় নিদি গাত থকা একমাত্ৰ পঞ্জাবী চোলাটোৰে সৈতে হাতত ৰচি লগাই থানালৈ লৈ আহিছিল । জাৰকালি ঠাণ্ডাত গগৈ ভীষণ কষ্ট পাইছিল । ইয়াৰ উপৰিও জনসাধাৰণৰ পৰা বলপূৰ্বক ভাবে পইচা আদায় কৰি কংগ্ৰেছী অফিচ ঘৰ পাতিছিল। এই জন পুলিচ বিষয়াৰ বিৰুদ্ধে অভিযোগ আনি যি বিচাৰ বিচাৰিছে তাৰ উপযুক্ত বিচাৰ পাম বুলি আশা কৰিলো।

অধ্যক্ষ মহাদয়, মই ১৯৬৭ চনত এম-এল-এ হৈ থাকোতেই দিচাং নদীৰ বাবে কৰা লিফট ইৰিগেশ্যন প্ৰজেক্ট আৰম্ভ কৰিছিল কিন্তু আজিকোপতি সেই কাম সম্পূৰ্ণ হোৱা নাই । এই কামৰ সম্পূৰ্ণ হোৱাৰ কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

**শ্ৰীমোজাম্মিল আলী চৌধুৰী ঃ**—মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰিছো আৰু লগতে মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত দিয়া ধন্যবাদসূচক প্ৰস্তাৱো সমৰ্থন কৰিছো । অধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান দেশ । অসমৰ শতকৰা আশী ভাগ লোকেই কৃষক । কৃষকৰ উন্নতিয়েই অসম তথা ভাৰতৰ উন্নতি । কিন্তু ৰাজ্যপালৰ ভাষণত যোৱা বছৰটোত পানীয়ে প্ৰায় ছাবিবশ কোটি টকাৰ শস্য-ফচল ক্ষতি কৰিছে বুলি উল্লেখ কৰিছে । অধ্যক্ষ মহোদয়, বছৰে বছৰে অসমত বানপানীয়ে শস্য নষ্ট কৰি আহিছে । ইয়াৰ প্ৰধান কাৰণ হ'ল আগৰ কংগ্ৰেছৰ চৰকাৰৰ ভুল পৰিকল্পনা । সেই ভুল পৰিকল্পনাৰ ফলতেই এফালে খেতি নষ্ট হৈছে আৰু আন ফালে পানীৰ অভাৱত খেতি কৰিব পৰা নাই । যমুনা নদীত যমুনা জলসিঞ্চন প্ৰকল্প লাখ লাখ টকা খৰচ কৰি আৰম্ভ কৰিছিল যদিও ইয়াৰ ফলত নমাটি মৌজা, যমুনামুখ মৌজাৰ বাহিৰেও মোৰ সমষ্টিৰ আন আন বহু অঞ্চল প্লাৱিত কৰি আহিছে । ইয়াৰ উপৰিও কামৰূপ মৌজা আৰু ৰবহমপুৰ সমষ্টিটো কেইটামান মৌজাৰ খেতি পথাৰ নষ্ট কৰিছে । মই আশা কৰিছো এই ভুল পৰিকল্পনাৰ সময় থাকোতেই জনতা চৰকাৰে শুধৰণি কৰিব আৰু কৃষি উৎপাদনৰ অনুকুল পৰিবেশ সৃষ্টি কৰিব ।

অধ্যক্ষ মহোদয়, বৈজ্ঞানিক তথ্য মতে নিয়মিত বৰষুণ পাবৰ কাৰণে শতকৰা তেত্ৰিশ ভাগ বনাঞ্চলৰ প্ৰয়োজন যদিও অসমত মাত্ৰ ন ভাগহে আছে । বনাঞ্চল যদি বৈজ্ঞানিক সকলৰ তথ্য ভিত্তিক প্ৰয়োজনানুসাৰে নহয় তেতিয়া হলে বৰষুণৰ অভাৱ হয়। কিন্তু বৰষুণ কমি যায় বুলি যদিও কোৱা হৈছে তথ্য মতে বাংলা দেশত বনাঞ্চলৰ সংখ্যা মাত্ৰ এক ভাগহে । গতিকে বৈজ্ঞানিক সকলৰ এই তথ্য বিশ্ব ভিত্তিক হব পাৰে কিন্তু আমাৰ অসমৰ ক্ষেত্ৰত কিমান দূৰ প্ৰযোজ্য হব সেইটো চাব লাগিব ।

অসমত আজি আমি যিটো সমস্যা দেখিছোঁ তাৰ ভিতৰত বানপানীৰ সমস্যাই আটাইতকৈ প্ৰবল আনকি অসমত শতকৰা ৯ ভাগ বনাঞ্চল হলেও ইয়াত পানী, বানপানী আৰু বৰষুণৰ সমস্যা প্ৰবল হৈয়েই থাকিব । এই প্ৰসঙ্গতে মই উত্থাপন কৰিব বিচাৰিছোঁ

আমাৰ কিছুমান সদস্যাই কৈছে যে অসমত বনাঞ্চল কমি গৈছে আৰু তাৰ কাৰণেই অসমত বৰষুণ কমি গৈছে, কিন্তু মই কও বনাঞ্চল কম হোৱাৰ কাৰণে বৰষুণ কম হোৱা নাই কিয়নো অসম কিয় বাংলা দেশ আৰু পৃথিবীৰ আন কিছুমান দেশত যিবিলাকত বনাঞ্চল কম সেই বিলাকতো বৰষুণৰ প্ৰভাব বৰ বেচি আৰু তাত বানপানীৰ প্ৰকোপ বেচি দেখা যায়। অসমৰ কিছুমান বনাঞ্চল আছে সেই বিলাক মোকলাই টঙীয়া চিচটেমত কিছুমান ভূমি হীনক পট্টন দিয়া হৈছে কিন্তু সেই পট্টন ৰাজহ বিভাগে দিয়া নাই, দিছে বন বিভাগেহে। গতিকে মই কব বিচাৰিছোঁ যে এই পট্টন ৰাজহ বিভাগৰ তললৈ আনিব লাগে যাতে প্ৰত্যেক ভূমিহীন মানুহেই মাটি পায়।

গড়কাপ্তানী বিভাগৰ প্ৰসঙ্গত মই কেইটামান কথা কব বিচাৰিছোঁ সেইটো হ'ল মোৰ সমষ্টিৰে দৰকাৰ পৰা যমুনা মুখলৈ ১৯৫৭ চনতে ৰাস্তা নিৰ্ম্মাণ কৰিবলৈ লোৱা হৈছিল কিন্তু তাত ৪ কিলোমিটাৰ ৰাস্তাহে নিৰ্ম্ম কৰা হ'ল আৰু ইয়াৰ পিছত একো নিৰ্ম্মাণ হোৱা নাই, কিয় হোৱা নাই সেইটো কব' নোৱাৰো। অকল সেইটো ৰাস্তাই নহয় তেনে দৰে বহুতো ৰাস্তা এতিয়াও অৰ্দ্ধ নিৰ্ম্মিত হৈ পৰি আছে, গতিকে মই নতুন চৰকাৰক এই ৰাস্তাটোৰ কাম কৰাত যাতে অধিক তৎপৰ হয় তাৰ বাবে দৃষ্টি আকৰ্ষণ কৰিলো।

শিক্ষাৰ সম্পৰ্কত মই কেইষাৰমান কও, এই যে দশম মান শ্ৰেণীলৈকে যি মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা ঘোষণা কৰিছে তাৰ বাবে ধন্যবাদ জনাও কিন্তু তাৰ লগতে মই এষাৰ কথা কও যে এই যি সকল এল, পি স্কুলৰ শিক্ষকে চিলেকশ্যন গ্ৰেড পাব লাগিছিল সেই সকলে এতিয়াও পোৱা নাই কিন্তু কিছুমান জুনিয়ৰ শিক্ষকে আনফালেদি চিলেকশ্যন গ্ৰেড পোৱা দৃষ্টান্ত বহুতো আছে।

(সময়ৰ সংকেত)

প্ৰাক্তন মুখ্য মন্ত্ৰী আৰু বৰ্ত্তমান সদস্য দুজন সদস্য জনতা দলত সোমোৱাৰ কাৰণে তেওঁলোকক ৰাজনৈনিতক দুৰ্নীতি কৰা বুলি কৈছে কিন্তু প্ৰকৃততে সেইটো নহয় কিয়নো সেই কেইজন কংগ্ৰেছী সদস্যাই জনতা দলৰ মতবাদ সমৰ্থন কৰিছে আৰু ইয়াত তেওঁ লোকৰ ৰাজনৈতিক অধিকাৰ আছে আৰু সাংবিধানিক অধিকাৰও আছে, এইটো ৰাজনৈতিক দুৰ্নীতি হব নোৱাৰে বৰং ইয়াৰ পৰা এইটোহে প্ৰমাণ হৈছে যে জনতা দলে ৰাজনৈতিক স্বাধীনতাহে দিছে। মাননীয় কংগ্ৰেছী সদস্য গৰাকীয়ে তেনে ধৰণৰ বক্তব্য ডাঙি ধৰাৰ কাৰণে মই দুখ পাইছোঁ। মই আৰু বেচি নকও, এটা কথা এই যে গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ যিটো ব্ৰডগজ ৰেইলওৱে লাইন সম্প্ৰসাৰণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে সেইটো যাতে আগৰ পুৰণা লাইনৰ কাষেদি নাযায় আৰু অসমৰ প্ৰধান প্ৰধান চহৰ আৰু নগৰ বিলাকৰ সদৰক যাতে সংযোগ কৰি যায় তাৰ বাবে জনতা চৰকাৰে চেষ্টা কৰিব বুলি আশা ৰাখিছো। এই যিটো পুৰণা লাইন আছিল সেইটো বৃটিছৰ দিনত নিৰ্ম্মাণ কৰা হৈছিল। সেই লাইনটো বৃটিছে আমাৰ ৰাইজক শাসন আৰু শোসন কৰাৰ নিমিত্তে আৰু অসমৰ তেল আৰু চাহ পাত অসমৰ পৰা বাহিৰলৈ নিবলৈ ব্যৱস্থা কৰিছিল, অৱশ্যে এই ব্যৱস্থাৰ দ্বাৰা যদিও অসমে কিছু লাভবান হৈছিল কিন্তু বৃহৎ এলেকা বাদ পৰি আছিল আৰু দেশখনৰ সংযোগ পথৰ লগত বৃহত নগৰ বিলাক বিচ্ছিন্ন হৈ পৰিছিল। গতিকেই মই জনতা চৰকাৰক অনুৰোধ কৰিব বিচাৰিছোঁ যাতে এই যি নতুন ব্ৰডগজ লাইন সম্প্ৰসাৰণ কৰিব বিচাৰিছে সেই লাইনটো অসমৰ প্ৰধান প্ৰধান চহৰ আৰু নগৰ বিলাকৰ সদৰ বিলাক সংযোগ কৰা হয় তাৰ বাবে সততে চেষ্টাত থাকে। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীঅজয় কুমাৰ দত্ত :—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত যি তিনিখন ফুলাম গামোছা অসমৰ ৰাইজলৈ উপহাৰ দিছে তাৰ কাৰণে তেখেতলৈ আগবঢ়োৱা ধন্যবাদ সূচক প্ৰস্তাৱটোলৈ মোৰ পূৰ্ণ সমৰ্থন আগবঢ়াইছোঁ।

এই তিনিখন ফুলাম গামোছা হৈছে দশম মান শ্ৰেণীলৈকে অবৈতানিক শিক্ষা ব্যৱস্থাৰ যোজনা, দহ বিঘালৈকে মাটি থকা লোকক মাটিৰ খাজনাৰ পৰা ৰেহাই আৰু চিকিৎসালয় বিলাকত আগতে লোৱা ২৫ পইচাৰ পৰা আমাৰ মানুহক ৰেহাই দিয়া জনতা চৰকাৰৰ যি ঘোষণা সেইটো এটা বৈপ্লৱিক পদক্ষেপ বুলিয়েই অভিহিত কৰিব পাৰি। এই বিলাকৰ পৰা কিবা এটা ডাঙৰ লাভ নহলেও ৰাজ্যপালৰ ভাষণত আৰু বহুত বিলাক কথাৰ ঘোষণা থাকিব লাগিছিল। কিন্তু তাত সেই বিলাকৰ ঘোষণা নাই। কিন্তু লগতে এইটোও চাব লাগিব যে, জনতা চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা মাত্ৰ আজি দুসপ্তাহ মানহে হৈছে। এই দুই সপ্তাহৰ ভিতৰতে জনতা চৰকাৰে কিবা মেজিক দেখুৱাব পাৰিব বুলি আমি নেভাৱোঁ। সেই কাৰণেই বহুত বিলাক কথাৰ তাত উল্লেখেই নথকাত আচৰিত হবলগীয়া কিবা আছে বুলি মই নেভাৱোঁ। আজি ৰাজ্যপাল মহোদয়ৰ প্ৰথম ভাষণতে বহুত বিলাক সমালোচনাৰ সৃষ্টি হৈছে। আমি ভাৱিছিলো যে, সেই সমালোচনা বিলাক 'কনষ্ট্ৰাক্টিভ' সমালোচনা হব বুলি ভাৱিছিলোঁ। এটা চৰকাৰে একেৰাহে ৩০ বছৰ শোষণ কৰাৰ পিছত এটা নতুন চৰকাৰৰ পৰা ইয়াতকৈ অসমবাসী ৰাইজে আৰু আশা কৰিব নোৱাৰে আৰু কৰাটো উচিতো নহব।

তাৰ পিছত জৰুৰীকালীন অৱস্থাত সংঘটিত হোৱা যি বিলাক কলা কাহিনীৰ কথা আমি দেখিছিলো, শুনিবলৈ পাইছিলোঁ আৰু যি বিলাকৰ দ্বাৰা আমাৰ নিৰীহ মানুহ বিলাক অতীষ্ঠ হৈ উঠিছিল সেই বিলাকৰ কোনো উল্লেখ আজি ৰাজ্যপালৰ ভাষণত আমি দেখা নেপালোঁ যদিও সেই বিলাকৰ উল্লেখ ইয়াত থাকিব লাগিছিল। বোধহয়, জনতা চৰকাৰৰ কোনো প্ৰতিশোধ মূলক আকাংখ্যা নাই কাৰণেই এই বিলাক কুকীৰ্ত্তিৰ কথা আজি ইয়াত উল্লেখ নহল। কিন্তু ভুক্তভোগী ৰাইজে এই বিলাক কেতিয়াও পাহৰিব নোৱাৰে। গুৱাহাটীৰ ১০ জন উপাৰ্জনক্ষম লোক জেইলৰ ভিতৰত আছিল সেই সকলক কিয় 'মেইন্‌টিনেন্স এলাউন্স' দিয়া হোৱা নাছিল। গুৱাহাটীত ছাত্ৰ আৰু পুলিচৰ মাজত যি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল তাৰো কোনো ইঙ্গিত ৰাজ্যপালৰ ভাষণত নাই। বিৰোধী দলৰ কেইজনমান মাননীয় সদস্যই চৰকাৰক বৰকৈ সমালোচনা কৰিছে। মই এইখিনিতে তেখেত সকলক এটা প্ৰশ্ন সুধিব খুজিছোঁ যে, এই সমালোচনা কৰাৰ তেখেত সকলৰ কিবা অধিকাৰ আছেনে? এই ৰাজ্যখন সদায় বানপানী অধ্যুষিত ৰাজ্য। ১৯৫০ চনৰ ভূমিকম্পৰ পৰাই ইয়াত বান পানী হৈ আছে। পোন প্ৰথম বাৰৰ কাৰণে কেন্দ্ৰীয় জনতা চৰকাৰে পৰিদৰ্শন কৰিবৰ কাৰণে মানুহ পথোৱাৰ পিছত বিভিন্ন শিতানত খৰছৰ কাৰণে ১৪ কোটি টকা পথালে। ৪০ হেজাৰ টন ঘেহু অসমলৈ পথোৱাৰ সিদ্ধান্ত কৰিলে। কিন্তু ১০ হেজাৰ টনতকৈ বেছি ঘেহু অসমলৈ আনি খাবলৈ নোপোৱা, বানপানী প্ৰপীড়িত ৰাইজৰ মাজত বিতৰণ কৰাৰ নামত সেই বিলাক চোৰাং ভাৱে নাইকীয়া কৰা হল। এতিয়া সেই চৰকাৰ চলোৱা সকলেই আকৌ এই নতুন চৰকাৰক সমালোচনা কৰাৰ পৰিবৰ্ত্তে তেখেত সকলে পদত্যাগহে কৰা উচিত আছিল। ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণৰ নামত কোটি কোটি টকা মথাউৰি বনাওতে যে, খৰছ কৰা হল সেই বিলাকৰ উল্লেখ অৱশ্যে ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল। আশাকৰো, জনতা চৰকাৰে সেই বিলাকৰ অনুসন্ধান চলাব। ব্ৰহ্মপুত্ৰৰ বানপানীৰ এটা স্থায়ী সমাধানৰ কাৰণে আমাৰ ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা ইতিমধ্যেই আৰম্ভ কৰিছে বুলি যোৱা কালিৰ বাতৰি কাকতত দেখিবলৈ পাই আমি সচাঁকৈয়ে আনন্দ পাইছোঁ। এজন মাননীয় সদস্যই জনতা চৰকাৰৰ লগত বস্তুৰ দামৰ যোগাযোগ আছে বুলি দেখুৱাব খুজিছে। 'কামৰূপ চেম্বাৰচ্ অব্ কমাৰ্ছ'ক দুটা ৰাজনৈতিক দলৰ ফাৰ্চ বজাৰ ব্ৰাঞ্চ বুলিয়েই জানে। কিন্তু এই কথা সকলোৱেই আজি জানে যে, এইবাৰ মই জনতা পাৰ্টীৰ প্ৰাৰ্থী হিচাবে এই কামৰূপ চেম্বাৰচ্ অব্ কমাৰ্চৰ প্ৰেছিডেন্ট জনকেই হৰুৱাইছিলোঁ। বিতৰণৰ কথা টোৱো ইয়াত ভালকৈ উল্লেখ নাই। কংগ্ৰেছ চৰকাৰে নিমখকে আদি কৰি নিত্য প্ৰয়োজনীয় জিনিষ পত্ৰৰ বিতৰণৰ ক্ষেত্ৰত যি বিলাক কলংকৰ সৃষ্টি কৰিলে সেই বিলাকৰ কঠোৰ ব্যৱস্থা হব লাগে। নিত্য প্ৰয়োজনীয় জিনিষ পত্ৰ বিলাক অনতি পলমে 'পাব্লিক

ডিষ্ট্ৰিবিউশ্বন'ৰ ভিতৰলৈ আনিব লাগে। কেইজনমান মাননীয় সদস্যই জনতা চৰকাৰৰ লগত পি, টি, চি আদি পাৰ্টি বিলাকৰ এলিয়েঞ্চটোক কটু সমালোচনা কৰিছে। বৃটিশৰ দিনৰ 'ডিভাইড্ এণ্ড ৰোল পলিচি'কে কংগ্ৰেছ চৰকাৰেও গ্ৰহণ কৰি গোটেই অসম ৰাজ্য খনক খণ্ড বিখণ্ড কৰিলে। কিন্তু আজিৰ জনতা চৰকাৰ সেই পলিচিত বিশ্বাসী নহয়, এই চৰকাৰ মৈত্ৰী বন্ধনত বিশ্বাসী। কংগ্ৰেছৰ ইটো ফৈদ সিটো ফৈদক 'ডিফেক্টৰ' বুলি আক্ৰমণ কৰি থকা সকলেই এতিয়া আকৌ 'ডিফেক্টৰ' বুলি সমালোচনা কৰাৰ কোনো নৈতিক অধিকাৰ নাই।

তাৰ পিছত উদ্যোগ আৰু লোবৰৰ সংক্ৰান্তত আলোচনা হোৱা হলে ভাল আছিল। বিভিন্ন ন্যায় সঙ্গত দাবী লৈ ৰাজ্যিক চৰকাৰী কৰ্ম্মচাৰী সকলে যি আন্দোলন আৰম্ভ কৰিছিল সেই আন্দোলনত ইয়াৰ আগৰ চৰকাৰে 'ৰড ৰোলাৰ' চলালে। এতিয়াও সেই সকল কৰ্ম্মচাৰীৰ ওপৰত অত্যাচাৰ হৈয়েই আছে। প্ৰাপ্য খিনি তেওঁবিলাকে এতিয়াও পোৱা নাই। জনতা চৰকাৰে অতি সোনকালে সেই প্ৰাপ্য খিনি তেওঁবিলাকক দিব লাগে। কিছুমান 'মনপলিষ্ট গ্ৰুপৰ' মানুহে অসমত ৰাজত্ব চলাই আছে। 'ইন্দিয়া কাৰ্বন, আসাম কাৰ্বন' আদি যি বিলাক উদ্যোগ আছে সেই বিলাকত মনপলিষ্ট সকলে 'অভাৰ প্ৰডাকশ্বন' কৰি আৰু কুটা বিক্ৰী কৰি অপৰ্য্যাপ্ত টকা অসমী আইৰ পৰা লুটি লৈ গৈ আছে। সেইদৰে 'এভাৰেষ্ট চাইকেল ফেক্টৰী' নামৰ এটা ফেক্টৰীৰ কাৰণে অসমৰ বেংকৰ পৰাই ফাইনেঞ্চ কৰি সহায় কৰা হৈছিল। তাত 'এক্সপৰ্ট কুৱালিটি'ৰ চাইকেলো নিৰ্ম্মিত হৈছিল কিন্তু জৰুৰী অৱস্থাৰ সুযোগলৈ সেইটোও বন্ধ কৰি দিয়া হয়। কিন্তু কৰ্ম্মচাৰী সকলক দৰ্ম্মহা দি আছে। কাৰিকৰী জ্ঞান সকলো কাৰিকৰে হেৰুৱাই পেলোৱাৰ নিচিনা হৈছে। কিন্তু আজি সেই সকলৰো দুমাহ ধৰি কোনো 'পেমেণ্ট' হোৱা নাই। শ্ৰীশৰৎ সিংহ চৰকাৰে সেইটো একেবাৰেই শেষ কৰি দিলে। নতুন চৰকাৰে এতিয়া সেইটো লব লাগে। সেই দৰে 'আসাম হাৰ্ড বৰ্ড ফেক্টৰী' টোৰেও 'অভাৰ প্ৰডাকশ্বন' কৰি এতিয়া লক আউট কৰি ৰহি আছে। তাতো শোষণহে চলি আছে।

গুৱাহাটী মহানগৰীত হৰ্থাৎ মানুহ বৃদ্ধি পালে। গুৱাহাটী মহানগৰীত যি খন প্ৰথম চিটি কৰ্পৰেশ্বন গঠিত হৈছিল সেই খন জৰুৰী কালীন অৱস্থাত ভাঙি দি এখন 'এডভাইজৰি কমিটি' কৰা হল। যি সময়ত গুৱাহাটীত শ্ৰীসঞ্জয় গান্ধীৰ অভিষেক পতা হৈছিল সেই সময়ত ড্ৰেইন বনোৱাৰ নামত 'মেটেৰিয়েলছ'ৰ যি অপচয় কৰিলে তাৰ দ্বাৰা মহানগৰী খনত উন্নতি ১০০ বছৰলৈ পিছুৱাই দিয়া হল। যোৱা তিনিটা বছৰত যিমান টকা খৰছ হৈছে তাৰ কোনো হিচাব নাই। মহানগৰী কৰ্পৰেশ্বন খনেই হওঁক বা এ, এছ, টি, চি খনেই হওঁক এই বিলাকৰ ওপৰত আমাৰ অসম চৰকাৰৰ ডাইৰেক্ত এক্তিয়াৰ নাই। সেই সময়ত যি স্বেচ্ছাচাৰী শাসন চলাই থকা হৈছিল থিক এতিয়াও সেই একে মানুহেই একে শাসনকেই চলাই ৰাখিছে। গতিকে মই এই বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি এই খন অনতি পলমেই ভাঙি দিবৰ কাৰণে আমাৰ চৰকাৰক অনুৰোধ জনাইছোঁ। যোৱা ৩০ বছৰে অসমত কংগ্ৰেছ চৰকাৰ, কেঞ্চাৰ, আৰু কৰাপশ্বন চলিল। জনতা চৰকাৰে কংগ্ৰেছক চিকিৎসা কৰি ভাল কৰিলে। কিন্তু কেঞ্চাৰৰ হলে কোনো উল্লেখ হোৱা নাই। যি বিলাক ৰোগী এনে বিলাক ৰোগত ভোগে তাৰ ভিতৰত ধনী সকল ভেলোৰ আদিলৈ গৈ চিকিৎসা লাভ কৰিব পাৰে কিন্তু গৰীব সকলে ঘৰত থাকিয়েই মৃত্যু বৰণ কৰি থাকে। গুৱাহাটীত ডিপ এক্সৰে, কোবাল্ট থেৰাপি আদি এই বিলাকৰ ব্যৱস্থা নাই। যিবা এটা দান হিচাবে পাইছিল সেইটোও আজি বি, বৰুৱা কেঞ্চাৰ হস্পিটালত অব্যৱহৃত হৈ পৰি আছে। এক্সৰে কৰিবলৈ যাবলগীয়া হলে ৩৬ টকা ভৰিব লগীয়া হয়। মই আশা কৰো জনতা চৰকাৰে এই দিশটোৰ প্ৰতি নজৰ ৰাখিব। গুৱাহাটী মেডিকেল কলেজ খন এখন নৰকাগাৰ বুলিয়েই কব পাৰি। গুৱাহাটী মহানগৰী খন সাতে খন ৰাজ্যৰ ৰাজধানী বুলিয়েই কব পাৰি। ইমান এখন ডাঙৰ মহানগৰী কিন্তু কি ধৰণে ইয়াত চিকিৎসাৰ কাম চলিছে সেইটো ভাৱিলে আচৰিত হব লাগে। খৃষ্টিয়ান হস্পিটাল এখন আছে যদিও তাত দুখীয়া মানুহৰ কাৰণে ব্যৱস্থা নাই।

তাৰ পিছত 'চিক্ ইন্দাষ্ট্ৰি' বিলাক লোৱাৰ নামত যি 'এটিকল' এটা গঠন কৰা হল এই সন্দৰ্ভত গঠন কৰা 'ভেলুৱেশ্বন কমিটি'ত থকা সদস্য সকলৰ স্বৰূপটো সকলোৱেই দেখা পাইছেই । বিভিন্ন কোম্পানীৰ টকা নানা কদৰ্য্য কামত কদৰ্য্য পৰিবেশত জীৱন যাপন কৰি ৫ লাখ টকাৰ বস্তুটো ২০ লাখ দেখুৱাই লাখ লাখ টকা বিদেশলৈ পঠিয়াই আছে । অনতিপলমেই ইয়াৰ তদন্ত হব লাগে ।

তাৰ পিছত ৰাজনৈতিক নিৰ্য্যাতিতৰ নামত কিছুমান লোকে হাজাৰ হাজাৰ টকা লুটি আছে । এই ব্যৱস্থাটোৰ এটা পুংখানুপুংখ তদন্ত আৰু পৰ্য্যবেক্ষন হব লাগে। এই খিনি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ ।

শ্ৰীমুকুত শৰ্ম্মা :—মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ সূচক প্ৰস্তাৱটোৰ বিৰোধিতা কৰি আৰু আমাৰ দলৰ ফালৰ পৰা অনা সংশোধনী প্ৰস্তাৱটোৰ সমৰ্থনত মই কেইআষাৰমান কথা কবলৈ ওলাইছোঁ । মই সংশোধনী প্ৰস্তাৱটোৰ সমৰ্থনত জনাওঁ যে ৰাজ্যপালৰ ভাষণে এই সদনক হতাশ কৰাৰ লগে লগে অসমৰ ৰাইজকো সম্পূৰ্ণৰূপেই হতাশ কৰি তুলিছে । এই কাৰণেই হতাশ হবলগীয়া হৈছে যে, অসমৰ যিবিলাক মূল সমস্যা সেই বিলাকৰ উল্লেখ এই ৰাজ্যপালৰ ভাষণত নাই । অসমৰ মূল সমস্যা বিলাক যেনে, মূল্যবৃদ্ধি সমস্যা, নিবনুৱা সমস্যা, ভূমিসংস্কাৰ এই বিলাকৰ কোনো উল্লেখেই ৰাজ্যপালৰ ভাষণত নথকাত সচাকৈয়ে বৰ পৰিতাপৰ বিষয় ।

অধ্যক্ষ মহোদয়, আপোনি জানে যে, কেন্দ্ৰতো জনতা চৰকাৰ শাসনলৈ অহাৰ পিছত নিত্য ব্যৱহাৰ্য্য বয় বস্তু বিলাকৰ দাম ইমানেই বাঢ়ি গৈছে যে, আজি গৃহিনী সকলে বজাৰলৈ গৈ ভীষণ অসন্তুষ্টি প্ৰকাশ কৰিছে । আজি হয়তো জনতা দলৰ চৰকাৰে ভাবিছে যে, তেখেত সকল গাদীত বহাৰ লগে লগেই মূল্য বৃদ্ধিৰ সমস্যাটো শেষ হৈ গল । যি দিনাখনেই আমাৰ নতুন যোগান বিভাগৰ মন্ত্ৰীয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰি মচুৰ দাইলৰ দাম তিনি টকা বুলি ঘোষণা কৰিছে সেইটোৰ উল্লেখ ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল । কিন্তু সেইটোৰেও আজি ইয়াত কোনো স্থান অধিকাৰ কৰিব নোৱাৰিলে । এই খিনিতে মোৰ এটা কথালৈ মনত পৰিছে যে, এসময়ত ফ্ৰান্সৰ ৰাণী মেৰী এন্টনীৰ ওচৰলৈ ৰুটি বিছাৰি যোৱা লোক সকলক এই বুলি কৈছিল যে, আপোনালোকে ৰুটি খাবলৈ পোৱা নাই কেক্ খাওঁক' । আজি হয়তো আমাৰ যোগান বিভাগৰ নতুন মন্ত্ৰী মহোদয়েও বেছি দামত বস্তু খাব নোৱাৰো বুলি অভিযোগ কৰা সকলক কব পাৰে যে, 'আপোনালোকে তিন টকীয়া মচুৰ দাইল নেখাই কিয়' ? "দুলালেৰ তাল মিচিৰিৰ" দৰে 'দুলালেৰ মচুৰ দাইল' বুলি হয়তো বজাৰত কম দামত এই মচুৰ দাইলৰ বিক্ৰী হব পাৰে । প্ৰধান মন্ত্ৰীৰ পৰা আৰম্ভ কৰি জনতা চৰকাৰৰ বাকী সকলেও বস্তুৰ দাম কমাবৰ কাৰণে ব্যৱসায়ী সকলক হাতযোৰ কৰি অনুৰোধ কৰি থকা স্বত্বেও বস্তুৰ দাম নকমে । সেই কাৰণেই আজি মই এই ধন্যবাদ সূচক প্ৰস্তাৱটোৰ বিৰোধীতা কৰিছোঁ ।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক চৰকাৰী কৰ্ম্মচাৰী সকলৰ ধৰ্ম্মঘটৰ কথা কোৱা হৈছে । কিন্তু এসময়ত যি সকলে এই চৰকাৰী কৰ্ম্মচাৰী সকলৰ দাবী বিলাকৰ সন্দৰ্ভত সমৰ্থন কৰি আন্দোলনত কৰ্ম্মচাৰী সকলক উৎসাহিত কৰিছিল সেই সকলেই আজি গাদীত বহি সেই সকলৰ দাবীবিলাক পূৰণ কৰাৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নেকি, সেইটোৰ কোনো উল্লেখ কৰা নাই । চৰকাৰী কৰ্ম্মচাৰী সকলৰ আন্দোলনক জনতা দলৰ সদস্য সকলেই সমৰ্থন জনাই আছিল আৰু আন্দোলনৰ নেতৃত্ব দিছিল । কিন্তু যি দিনা খনেই প্ৰধান মন্ত্ৰী শ্ৰীমোৰাৰজী দেশাইয়ে ঘোষণা কৰিলে যে, মহাৰাষ্ট্ৰত যি সকল চৰকাৰী কৰ্ম্মচাৰীয়ে ধৰ্ম্মঘট কৰিছে সেই সকলে যদি ধৰ্ম্মঘট প্ৰত্যাহাৰ নকৰে তেতিয়া হলে প্ৰধান মন্ত্ৰীয়ে তেখেত সকলক কেতিয়াও সাক্ষাত নকৰে । থিক তাৰ পিছ দিনাই জনতা দলৰ আপোনালোকেই আমাৰ ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ সেই ধৰ্ম্মঘটত নেওঁচা দি বহি থাকিল ।

তাৰ পিচ দিনাখনৰ পৰা আমাৰ যি সকলে কথাৰ ফুলজাৰীমাৰি ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ ধৰ্ম্মঘটক সমৰ্থন জনাইছিল তেওঁলোকে কৰ্ম্মচাৰী সকলৰ দাবী নেওঁচা দি মনে মনে বহি থাকিল ।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাজ্যৰ সীমা সম্পৰ্কে কোৱা হৈছে । কিন্তু অসমৰ লগত নগা ৰাজ্যৰ দৈয়াং অঞ্চলত যি সীমা বিবাদ চলি আছে সেই সম্পৰ্কে আমাৰ বৰ্ত্তমানৰ কৃষি মন্ত্ৰী মাননীয় শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই বহুদিনেই এই বিধান সভাত যুঁজি আহিছে । সেই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ নথকাটো বৰ দুখৰ কথা । ২১ মাৰ্চত 'অসম ট্ৰিবিউন' কাকতত দৈয়াং সম্পৰ্কে এই ধৰণেৰে কোৱা হৈছে —

"under the heading Renewed Tension on Assam Nagaland Border There has been renewed tension on the Assam Nagaland Border following some incidents occurring in Dayang and Rengma Reserve of Sibsagar dis rict within the Assam Territory, official sources said here today.

Intimidation, threat and encroachment allegedly committed by Nagas, were reported in that sector in the recent past the sources added. In the specific major incident on March, 9 las four nagas armed with guns and other lethel weapons came to Azarguri forest village in Uriamghat in Doyang reserve forest of the Assam territory and one of the Nagas threatened to shoot one Shri Mahendra Basumatory, a for st villager of Azarguri giving him an ultimatum to vacate some portions of land occupied by him."

গতিকে ৰাজ্যপালৰ ভাষণত দৈয়াং ৰিজাৰ্ভ সম্পৰ্কে উল্লেখ নথকাটো অতিশয় দুখৰ কথা ।

**শ্ৰীঅতুল চন্দ্ৰ গোস্বামী** ঃ—দৈয়াঙৰ সমস্যাটো বহুত দিনৰ আৰু সেই সময়ত তেওঁলোকে চৰকাৰ চলাই আছিল । এতিয়া এই সমস্যাটো কেনেকৈ সমাধান কৰিব পৰা যায় তেখেতে কলে ভাল হয় ।

**শ্ৰীমুকুত শৰ্ম্মা** ঃ—আগৰ চৰকাৰে নকৰিলে বুলি নতুন চৰকাৰেও নকৰিব নেকি ? সেইকাৰনে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো ।

**শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (সংসদী পৰিক্ৰমা মন্ত্ৰী)** ঃ—মোৰ সদস্য সকললৈ এটা বিশেষ অনুৰোধ আছে । সীমা সম্পৰ্কে মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে, উত্থাপন কৰিবলৈ নিশ্চয় তেওঁৰ অধিকাৰ আছে আৰু সেইটো খৰ্ব কৰিবলৈ বিচৰা নাই । কিন্তু বৰ্ত্তমান নগালেণ্ড সীমা সম্পৰ্কে যিখিনি মোকাবিলা চলি আছে তেনে ক্ষেত্ৰত সেই সম্পৰ্কে বেছি বাক বিতণ্ডা হলে হয়তো সমস্যাটো সমাধান কৰাত অসুবিধা হব পাৰে । গতিকে মাননীয় সদস্য সকলে টেন্‌চন হোৱা বিধৰ আলোচনা কৰিব নেলাগে ।

**শ্ৰীমুকুত শৰ্ম্মা** ঃ—অধ্যক্ষ মহোদয়, মই এই কথাটো এই কাৰণেই উল্লেখ কৰিছো কাৰণ গোটেই কথাটো খবৰ কাগজত প্ৰচাৰ হৈছে আৰু তাৰ কাৰণে ৰাইজৰ মাজত ভুল সৃষ্টি হব পাৰে ।

তাৰ পিচত ভূমি ৰাজহ সম্পৰ্কে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰি কোৱা হৈছে যে কৃষি উৎপাদনৰ কাৰণে কৃষকে সকাহ পোৱাকৈ ১০ বিঘা পৰ্য্যন্ত ভূমি ৰাজহ ৰেহাই দিয়া হব । মই এইটো এটা বলিষ্ঠ নীতি বুলিয়েই কৈছো । কিন্তু কৃষি উৎপাদনৰ কাৰণে ১০ বিঘালৈকে মাটি ৰাজহ উঠাই দিলে কৃষিৰ উৎপাদন নহব । ভূমি সংস্কাৰৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লব লাগিব । বৈজ্ঞানিক পদ্ধতিৰে খেতিয়ক সকলক সুবিধা দিব লাগিব

আৰু ১০ বিঘা যাৰ মাটি আছে আৰু যাৰ ১০ বিঘাৰ ওপৰৰ মাটি আছে তেওঁলোকেও অৰ্থাত সকলোৱে যাতে মাটি ১০ বিঘা নহয় তাৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলো। আৰু এটা কথা কোৱা হৈছে, ১৯৭২ চনৰ পৰা ভূমিৰ ওপৰত শতকৰা ৩০ ভাগ কৰ স্থগিত ৰখা হব। কিন্তু প্লেনিং কমিছনৰ ডেপুটি চেয়াৰম্যানে এখন প্ৰেছ কনফাৰেঞ্চত এই ধৰণেৰে কৈছে ইণ্ডিয়ান এক্সপ্ৰেছৰ ২১ মাৰ্চত ওলাইছে।

"The rural rich are to be taxed for there are definite proposals in the Sixth Plan Draft towards that end, Prof. D. T. Lakeswala, Dy. Chairman of the Planning Commission, told reporters here today. This would be achieved by direct agricultural income tax imposed either through progressive surcharge on land or a surcharge on a cash crop average."

অৰ্থাৎ আজি প্লেনিং কমিছনৰ ডেঃ চেয়াৰম্যানে কৈছে যে ষষ্ঠ পৰিকল্পনাৰ কাৰণে সম্পদ আহৰণৰ কাৰণে দৰকাৰ হলে আমি ভূমি খাজনাৰ ওপৰত চাৰচাৰ্জ কৰিম। আনহাতে আমাৰ নতুন চৰকাৰে কৈছে শতকৰা ৩০ ভাগ চাৰচাৰ্জ উঠাই দিয়া হব। গতিকে ইয়াৰ মাজত ভূল সৃষ্টি হব পাৰে।

**শ্ৰীসোনেশ্বৰ বৰা (কৃষি মন্ত্ৰী)** :—কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰলৈ কথাটো ঠিকেই আছে। আপোনালোকৰ বহুজাত অসুবিধা হৈছে। পৰিস্কাৰ কৰা হব সময়ত।

**শ্ৰীমুকুত শৰ্ম্মা** :—ভূমি সংস্কাৰৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰে কৈছে যে কংগ্ৰেছ চৰকাৰে সংখ্যালঘু সম্প্ৰদায়ৰ কোনো কামেই নকৰিলে বৰঞ্চ অত্যাচাৰ কৰিলে মাটিৰ ক্ষেত্ৰতেই হওক বা চাকৰিৰ ক্ষেত্ৰতেই হওক তেওঁলোকৰ কাৰণে কোনো কথাই চিন্তা নকৰিলে। কিন্তু এই সংখ্যালঘু সম্প্ৰদায়ৰ কেইজনমান লোকে বৰ্ত্তমানৰ চৰকাৰে কৰা কাৰ্য্যৰ প্ৰতিবাদ জনাই মুখ্য মন্ত্ৰীলৈ এখন দৰখাস্ত লিখিছে। আপোনাৰ জৰিয়তে মই মুখ্য মন্ত্ৰীক দিম। দৰখাস্তকাৰী সকল মোঃ আৰফান আলী, কাৰী আবদুল হক, মোঃ জবান আলী, মাহমুদ আলী, হবিব আলী, আঃ বাৰিক, মোঃ খাদেম আলী, সাহেদ আলী, মোন্তাম উদ্দিন, মজিবুৰ ৰহমান, আবদুল মন্নাহ (গাঃ ১০৬৩ ঘৰ) (সদনত হুলস্থুল পৰিবেশ)।

**শ্ৰীঅতুল চন্দ্ৰ গোস্বামী**ঃ—চাৰ, এই মানুহ বিলাকক নিৰ্বাচনৰ আগ মুহূৰ্ত্তত মাটি দিয়া হৈছিল। অৰ্থাৎ কংগ্ৰেছ চৰকাৰে ক্ষমতাৰ অপব্যৱহাৰ কৰিছিল।

**শ্ৰীমুকুত শৰ্ম্মা** :—দৰখাস্ত খন হ'ল, মহোদয়, সন্মানপূৰ্ব্বক আবেদন এইযে আমালোক অসমৰ নগাওঁ জিলাৰ স্থায়ী ভূমিহীন ও মাটিহীন খেতিয়ক লোক হওঁ। আৰু ঘৰ সজাৰ ও জীৱিকাৰ কোনো উপাই নাপাই উক্ত ঠেকনাত কিছু মাটি ১৯৬৮ চনৰ পৰা দখল কৰি আজিলৈকে তাতে আছো আৰু এই মাটি স্থায়ী ভাবে পাবৰ কাৰণে কৰ্তৃপক্ষৰ ওচৰত বহুত আবেদন কৰাত চৰকাৰে আৰ, এচ, জি, ২৩।৭০।৪৫ ডেটেড ১৪-১২-৭৭ নং আদেশ ক্ৰমে ৩ বিঘাকৈ প্ৰতিজনক মাটি আবন্টন দিয়ে আৰু নগাওঁ জিলাৰ ৰাজহ বিভাগে এন, আৰ, এচ, ১২৭।৭৫।২৪৫ তাং ১৭-২-৭৩ নং আদেশ ক্ৰমে এই মাটি নিয়মিত ভাৱে দখা ও পট্টা দিয়াৰ নিৰ্দ্দেশ দিয়ে। কিন্তু দুখৰ বিষয় যে নতুন চৰকাৰ গঠন হোৱাৰ লগে লগেই শ্ৰীচন্দ্ৰলাল চাংমাদী নামৰ এক জমিদাৰৰ কথাত পতিয়ন গৈ চৰকাৰে উক্ত হুকুম স্থগিত ৰাখিছে আৰু গৰীবক মাৰি ধনীক ৰক্ষা কৰাৰ সু-ব্যৱস্থা কৰিছে। কাৰণ এই ব্যক্তিজন অতি ধনী মানুহ আৰু গৰীবক সদায় শোষণ কৰি আহিছে। নুটদ্দমাৰীত এওঁ প্ৰায় ২০০ বিঘা মাটি বেদখল কৰি বেনামীভাৱে খাই আছে।

সেয়েহে এই বিষয়ে আপোনালোকক জনাওঁ, মহোদয়ে যেন নিজে ব্যৱস্থা লৈ মাটি গৰীবক চমজাই দিয়াৰ বাবে প্ৰাৰ্থনা কৰিবলো কাৰণ খেতিৰ বতৰ প্ৰায় পাৰ হৈ গৈ আছে।

বিঃ দ্ৰঃ —চৰকাৰৰ মাটি আবণ্টনৰ আবেদন ও নগাওঁ জিলাৰ উপায়ুক্তৰ আদেশৰ নকল ইয়াৰ লগত গাঠি দিয়া হ'ল। ইতি—

গতিকে মাননীয় সদস্য গৰাকীয়ে অভিযোগ কৰাৰ দৰে কথাটো নহয়। সংখ্যালঘু ওপৰত কংগ্ৰেছ চৰকাৰে অত্যাচাৰ কৰা নাই।

**শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী)** ঃ—অধ্যক্ষ মহোদয় মই এটা কথা জানিব খুজিছো-মাননীয় সদস্য গৰাকীয়ে যিখন দৰ্খাস্ত পাঢ় দিলে সেইখান পঢ়িবৰ বাবে নীতিগত ভাবে বিধান সভাৰ অনুমতি লোৱা হৈছিল নে নাই ? কিয়নো কোনো এজন সদস্যই সদনত নিজৰ কথাহে কব পাৰে, লোকৰ কথা কবলৈ হলে বিধান সভাৰ বিধি ব্যৱস্থা মতে অনুমতি লব লাগে ।

**শ্ৰীমুকুত শৰ্ম্মা** ঃ—অধ্যক্ষ মহোদয়, সেই খন দাখিল কৰিবৰ কাৰণে অধ্যক্ষৰ অনুমতি লোৱা হৈছিল ।

**শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ** ঃ—অধ্যক্ষ মহোদয়, যিবিলাক দৰ্খাস্ত ৰাজহুৱা ভাবে আছে সেই দৰ্খাস্ত বিলাক সদনত পাঢ়িবৰ কাৰণে সদনৰ অনুমতি লব লাগে । মাননীয় সদস্য জনে যিখন দৰ্খাস্ত সদনত পাঢ়লে সেই খনৰ বাবে সদনৰ অনুমতি লৈছে বুলি মই নাভাবো । গতিকে বিধান সভাৰ নিয়মাৱলী ভঙ্গ কৰাৰ কাৰণে মাননীয় সদস্যজনৰ বিৰোদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই দাবী কৰিছো ।

**শ্ৰীমুকুট শৰ্ম্মা** ঃ—অধ্যক্ষ মহোদয়, দৰ্খাস্ত খন ইতিমধ্যে মুখ্য মন্ত্ৰীৰ হাতত দিয়া হৈছে । তাৰ প্ৰতিলিপিৰ ওপৰত আজি মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো ।

ইয়াৰ পিচত স্বাস্থ্য সম্পৰ্কে মই কব খুজিছো । চাৰি অনা যিটো ফিজ উঠাই দিয়াৰ ব্যৱস্থা কৰিছে সেইটো বৰ ভাল হৈছে । কিন্তু এই খিনিতে মই এটা কথা কব খুজিছো যে অসমত তিনিখন মেডিকেল কলেজ থকা স্বত্বেও বহু দুখীয়া মানুহ অসমৰ বাহিৰলৈ গৈ ভেলোৰ আদিত গৈ চিকিৎসা কৰাব লগা হয় । বিশেষকৈ অসমৰ কোনো এখন কলেজতে নিৰলজি বিভাগটো নোহোৱাৰ কাৰণে বহুতো দুখীয়া ৰোগী বাহিৰলৈ গৈ চিকিৎসা কৰাব নোৱাৰাৰ ফলত মৃত্যুৰ মুখত পৰিব লগা হয় । সেই কাৰণে মই স্বাস্থ্য মন্ত্ৰী মহোদয়ক অসমৰ তিনিখন মেডিকেল কলেজৰ এখনত এই বিভাগটো খুলিবলৈ অনুৰোধ জনাইছো ।

অধ্যক্ষ মহোদয়, আপুনি জানে যে আগৰ চৰকাৰে যিসকল অভিভাবকৰ উপাৰ্জন তিনিশৰ তলত সেই সকলৰ লৰা-ছোৱালীক বিনামূলীয়া শিক্ষা দিকাৰ ব্যৱস্থা কৰিছিল । এতিয়াৰ জনতা চৰকাৰে যি ব্যৱস্থা কৰিছে সেই সুবিধা সকলোৱে পাব । এইটো মই ভাবো ৰেচনেল হোৱা নাই । সেই কাৰণে ইনকামৰ এটা স্লেপ ৰাখি সেইমতে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিলে ভাল হয় বুলি মই ভাবো ।

HONOURABLE SPEAKER: The point of order raised by honourable Member Shri Bhubneswar Barman regarding a petition read out by the Honourable Member Shri Mukut Sarma, I want to clarify that under rule 105 'Petitions may be presented or submitted to the Assembly with the consent of the Speaker'. So, this has already been taken as reference.

Now, the next member is Shri Kulbahadur Chetri.

**শ্ৰীকুল বাহাদুৰ ছেত্ৰী** ঃ—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ উৎথাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো ।

খৰ খেদাকৈ হলেও জনতা চৰকাৰৰ ফালৰ পৰা যিখন ৰাজ্যপালৰ ভাষণ উলিয়াইছে সেইখন সচাঁকৈয়ে শল গিৰলগীয়া হৈছে । বিৰোধী পক্ষৰ সদস্য সকলেও স্বীকাৰ কৰিছে যে ১০ বিঘালৈকে মাটিৰ খাজনা উঠাই দিয়াটো বৰ ভাল কাম হৈছে । মই এটা কথা উপলব্দি কৰিছো যে আগৰ কংগ্ৰেছ চৰকাৰে যি লেতেৰা কাম কৰি থৈ গৈছে সেই খিনি

চাফা কৰিবৰ কাৰণে এতিয়া জনতা চৰকাৰৰ এটা ডাঙৰ সমস্যা হৈছে। অৱশ্যে এটা কথাত মই দুখ পাইছো যে জৰুৰী কালীন অৱস্থাত দুখীয়া মানুহৰ ওপৰত যিখিনি অন্যায় অত্যাচাৰ কৰা হৈছিল সেই খিনি অৱশ্যে ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল। কংগ্ৰেছ চৰকাৰে জৰুৰী কালীন অৱস্থাত দুখীয়া মানুহৰ ওপৰত যি অন্যায় অত্যাচাৰ কৰিছিল তাৰ এটা সৰু উদাহৰণ মই দিব খুজিছো। সঞ্জয় গান্ধী বিদেশত গৈ দেখিলে যে তাত কোনো জুপুৰী ঘৰ নাই, তাৰ পৰা ঘূৰি তেওঁ ৰাস্তাৰ কাষে কাষে থকা দুখীয়াৰ জুপুৰী ঘৰবোৰ ভঙাই পেলালে। আজিও সেই মানুহবোৰৰ ঘৰ নাই, চাকৰি নাই, দুদৰ্শাত দিন কটাব লগাত পৰিছে।

দেশ স্বাধীন হোৱাৰ পিচত, কংগ্ৰেছৰ দিনত ইংৰাজী ভাষা আজিও আতৰি নগল। দুৰ্ভাগ্যৰ কথা দুখীয়া মানুহে কাচাৰীলৈ গৈ উকিলৰ লগত নিজে নজনা ভাষা ইংৰাজীতে লেন দেন কৰিব লগা হয়। মই আশা ৰাখিছো জনতা চৰকাৰে এই সংক্ৰান্তত এটা উচিত ব্যৱস্থা কৰিব। চৰকাৰী কাম কাজত ৰাজ্যিক ভাষা ব্যৱহাৰ কৰা ব্যৱস্থা কৰিব ৰাজ্যপালৰ ভাষণত কৃষি শিক্ষা আৰু খোৱা পানী আদিৰ কথা কৈছে। মই মাৰ্ঘেৰীটা সমষ্টিৰ পৰা আহিছো আৰু সেই সমষ্টিৰ কথাকে কব খুজিছো। দুখৰ বিষয় সেই সমষ্টিৰ পৰা যি সকল বিধায়ক আহে সেই সকল স্থানীয় মানুহ নহয়। তাত ডিগবৈ, তিনচুকীয়া আদিৰ পৰা বিধায়ক দিয়া হয়, ফলত সেই সমষ্টিৰ মানুহে প্ৰাপ্য খিনিৰ পৰা সদায় বঞ্চিত হৈ আহিছে। অৰুণাচলৰ খাৰচেঙ বোলা ঠাইত নদিহীং নদীৰ বান্ধ ভাঙি বুঢ়ি দিহিং নদীত পৰাত গত জুলাই মাহত প্ৰবল বান পানী হয়। ১৯৪৬ চনৰ পিছত এই টোৱেই ডাঙৰ বানপানী মাৰ্ঘেৰীটা সমষ্টিত। কিন্তু সেই বান্ধ ৰাইজৰ কোনো উপকাৰত নাহিল। টিৰাপৰ পৰা আৰম্ভ কৰি খোৱাং বুঢ়িদিহিং আদিৰ বানপানীৰ কথা কাগজে পত্ৰই ওলাইছে। এই খিনিতে এটা কথা মই কব খুজিছো। এই বানত এটা পৰিয়ালৰ চাৰিজন মানুহৰ মৃত্যু ঘটিল। অতি দুখৰ কাহিনী।

বৰ দুখৰ কাহিনী গৰ্ভৱতী তিৰোতা এজনীয়ে কেনেবাকৈ চালৰ পৰা উটি যাওতে বাহৰ আগ এটা ধৰিবলৈ পালে যুৱক এজনে দৌৰি আহি নাৱেৰে টানি কোনো ৰকম মানুহ জনী বচালে। ঘটনাটো ঘটিছিল দিনৰ দুই বজাত, ৰাতি সাত বজাত লৰা জন্মিছে। সেইটো পৰিয়ালৰ চাৰিজন মৰি গল। আগৰ চৰকাৰে যি খিনি সহায় দিব লাগিছিল, সেই খিনি দিয়া নাই। সামান্য ধৰণে সাহাৰ্য্য ও চিকিৎসা কৰাৰ বাহিৰে একো কৰা নহল। এনে ধৰণৰ বহুত কথা আছে। এই বানপানীত বহুলোকৰ ক্ষতিগ্ৰস্ত হৈছে। সেই কাৰণে জনতা চৰকাৰৰ ওচৰত আশা ৰাখিছো ইতিমধ্যে বানপানী বন্ধ নকৰিলে আকৌ বানপানী হোৱাৰ সম্ভাৱনা আছে। গতিকে অতি সোনকালে এই বান্ধ বান্ধিব লাগে। আগৰ চৰকাৰে অনুসূচীত জাতিৰ কাৰণে বহু আঁচনি লৈছিল। মাৰ্ঘেৰীটাত ৩০ টা অনুসূচীত সম্প্ৰদায়ৰ ভূমিহীন মানুহ দিহিং পৰীয়া গাৱত আছে। এই সকলে নৈত মাছ মাৰি জীৱিকা নিৰ্বাহ কৰিছিল। যোৱা কেই বছৰ দুখীয়া মানুহক মাটি দিয়া ব্যৱস্থা হল। তেওঁলোকক মাটি দিবৰ কাৰণে আপত্তি দৰ্শালে। বৰ দুখৰ কথা তেওঁলোকক মাটি দিয়া নাই। তেওঁলোকক মৰিশালী গ্ৰেজিং এঠাইত মাটি দিয়া হৈছে য'ত থকাৰ বাবে সুবিধাজনক নহয়। মৰিশালীত মাটি দিয়া বাবে তেওঁলোকে মাটি নললে। এই ধৰণে দিহিংপৰীয়া লোকসকলক মাটিৰ পৰা বঞ্চিত কৰিছে। জনতা চৰকাৰে এই বিলাক কথাত চকু দিব বুলি আশা ৰাখিছো।

কংগ্ৰেছ চৰকাৰে যি খিনি কৰিলে দেখদেখকৈ ওলাই আছে। নিৰ্বাচনৰ আগে আগে গছ কাটিবৰ বাবে পাৰ্মিট দিয়া হৈছিল আৰু ফলত যথেমধে বহুত গছ কাটি বহু কোটি টকা নষ্ট কৰিছে। মই আশা ৰাখিছো জনতা চৰকাৰে এই বিলাক চাব। কাৰণ আমাৰ সৰু গছ পুলি বিলাক কাটি নষ্ট কৰা হৈছে। এই বিলাক আমি কেনেকৈ পাহৰিব যাম। মোৰ সমষ্টিত নামদাং কলিৱৰী আৰু আগ বন্ধা দুখন প্ৰাইমাৰী স্কুল ১৯৪৮ চনত

স্থাপিত। এই দুখন স্কুল কংগ্ৰেছ চৰকাৰে আজিলৈকে চৰকাৰীকৰণ নকৰিলে। আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত এনে ধৰণৰ বহুত কথা হৈছে।

আগতে কোৱা হৈছিল যে ধান চাউলৰ বাধা নিষেধ উঠাই দিলে অসুবিধা হব। উঠাই দিয়াৰ পিচত দেখিছো একো অসুবিধা হোৱা নাই। বজাৰত ধান চাউলৰ অভাব নাই। বস্তুও পাইছে আৰু দামো কমিছে। আগৰ চৰকাৰৰ দিনত ডাঙৰ ডাঙৰ হ'লাৰ চেলাৰৰ পাৰমিট দিয়া হৈছিল আৰু সৰু মিল বিলাক বন্ধ কৰি দিয়া হৈছিল। দুখীয়া মানুহ বিলাকে দুপইচা উপাৰ্জন কৰা সৰু মিল বিলাক বন্ধ কৰি দিয়া হৈছে। গতিকে এই ক্ষেত্ৰত এইটো বিবেচনা কৰি চাব লাগে যাতে আমাৰ দুখীয়া লোক সকল উপকৃত হয়।

(সময়ৰ সংকেত)

তাৰ পিচত হ'লাৰ বিলাকত লেভিৰ ব্যৱস্থা কৰা হৈছে। মিল মালিক বিলাকে এহেজাৰ কুইন্টললৈকে লেভি দিব লাগে। ১০-১৫ টকা প্ৰতি মোন ধান কিনি ২০-২৫ হাজাৰ লোকচান কৰি চলাব লগা হৈছে। এই ২০-২৫ হাজাৰ টকা লোকচান কৰি কেনেকৈ মিল চলিব। নিশ্চয় ইয়াৰ বাবে বেলেগ কৰাবাৰ কৰিব লাগিব। নতুন চৰকাৰে তেনেধৰণৰ কাম নকৰিব বুলি মই আশা ৰাখিছো। আমাৰ সৰু মিল বিলাক চলিবৰ কাৰণে ব্যৱস্থা কৰিব বুলি আশা ৰাখিছো।

আমাৰ খেতিয়ক সকলক চৰকাৰৰ ফালৰ পৰা বেংকৰ যোগেদি ধাৰ দিয়াৰ ব্যৱস্থা আছে। যেতিয়া দুখীয়া খেতিয়ক সকল ধাৰ লবৰ কাৰণে বেংকলৈ যায় তেতিয়া বেংকত কয় পট্টা আনক। আজি ৩০-৪০ বছৰ হল বহুত মানুহৰ পট্টা নাই। মই আশা ৰাখিছো জনতা চৰকাৰে তৌজি, একচনীয়া আদি মাটিৰ বন্দবস্তি দিয়াৰ ব্যৱস্থাক স্থায়ী ম্যাদি পট্টাৰ ব্যৱস্থা কৰিব।

(সময়ৰ সংকেত)

যোৱা কেই বছৰমান আগৰ কথা মাঘেৰিটা সৰ্মাণ্টৰ বিজুলী বনত উচ্ছেদ কাৰ্য্য হৈছিল। এজন পুলিচ বিষয়াই কৈছিল চৰকাৰী চাকৰি কৰিবলৈ ইচ্ছা নোহোৱা হৈছে। ধাৰাসাৰে বৰষুণ দি আছে সেই সময়ত উচ্ছেদ কৰা হৈছে। দুখীয়া মানুহ বিলাকৰ ঘৰ হাতী লগাই ভাঙি দিয়া হৈছে। এঘণ্টা আগত এঘৰ মানুহৰ প্ৰসৱ হৈছে তেজেৰে সৈতে ঘৰৰ পৰা বাহিৰ কৰি দিয়া হৈছে। দেশৰ নাগৰীকে স্বাধীনতাৰ স্বাদ ভোগ কৰাৰ সেই এটা উদাহৰণ। পেঙেৰী অঞ্চলত এনে ধৰণৰ ঘটনা হৈ আছে। মানুহৰ অভাব অভিযোগৰ বহুত কথা আছে। কংগ্ৰেছ চৰকাৰৰ এই লেতেৰা কাম দুৰ কৰাটো সমস্যা হৈছে। মই আৰু বেছি কথা নকওঁ। পুনৰ ৰাজ্যপালৰ ভাষণটোত সমৰ্থন জনাইছো আৰু জনতা চৰকাৰে কল্যাণমূলক কাম কৰিব বুলি আশা ৰাখিলো।

শ্ৰীৰবীন চৌধুৰী ঃ—মাননীয় অধ্যক্ষ ডাঙৰীয়া, জয়জয়তে এই ৰাজ্যপালৰ ভাষণৰ ওপৰত বিধায়ক প্ৰস্তাৱক শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে তালৈ মোৰ পূৰ্ণ সমৰ্থন জনাইছো। আজি আমাৰ দেশখনৰ দ্বিতীয় স্বাধীনতাৰ পৰিবৰ্ত্তনৰ কালচোৱাত এতিয়া অলপমান নকৈ নোৱাৰো। বাপুজীৰ অহিংসা সংগ্ৰামৰ যোগেদি দেশে স্বাধীনতা পালে। বাপুজীয়ে হৰিজন সকলৰ স্বাৰ্থ আৰু মুক্তিৰ কাৰণে যি ঘোষণা কৰিছিল সেইটো আজিলৈ নহল। কংগ্ৰেছৰ এই শাসনৰ কালচোৱাত হৰিজন সকলে মুক্তি পোৱা নাই। অনুসূচীত জাতিৰ লোক সকলে ৩০ বছৰ কাল ধৰি দিনে দিনে নিশ্চিন্ন হৈ যাব ধৰিছে। এই লোক সকলৰ মঙ্গলৰ কাৰণে কিবা কৰিব দূৰৰ কথা, আনহাতে তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাই আছে। সেয়ে আজি আমি দেখিবলৈ পাইছো এই ৰাজ্যখনৰ যি ১২ লাখ অনুসূচীত লোক আছে তাৰ অধিক সংখ্যক লোকেই মাছ-

মৰীয়া । এই মাছমৰীয়া লোক সকলৰ ভাৰতীয় সংবিধান মতে উন্নতিৰ কথা কৈ সমবায় সমিতিৰ জৰীয়তে মাছৰ ব্যৱসায় চলাব পাৰে বুলি বিধি প্ৰনয়ণ কৰা হৈছে । এই সমবায় সমিতি বিলাক আগৰ মধ্যবিত্ত মহাজনে প্ৰকৃততে চলাই থাকিল । ইয়াৰ পিচত যোৱা বছৰ কংগ্ৰেছৰ শাসন কালত মধ্যবৰ্ত্তী লোকক আতৰোৱাৰ কাৰণে চৰকাৰী বিভাগে মীন মহল বিলাক চলাবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিলে । ইয়াত দেখা গ'ল মাছমৰীয়া সকলৰ ওপৰত ৰীতি মতে অত্যাচাৰ চলোৱা হল । ১৯৭৭ চনৰ চেপ্তেম্বৰ-অক্টোবৰ মাহত সমবায় সমিতি বিলাকক যি পট্টা দিয়া হৈছিল সেই নদীত মধ্যস্থ লোকৰ প্ৰৰোচনাত পুলিচৰ হতুৱাই কংগ্ৰেছ আমোলত এই মাছমৰীয়া লোক সকলক আতৰাই দি মধ্যবিত্ত সকলক আনি মাছ মৰাই মাছমৰীয়া সকলক দিফল্টাৰ কৰিলে । এই সমবায় সমিতি বিলাক পুনৰ গঠন কৰিবলৈ গৈ আজি মধ্যবিত্ত আৰু বিভাগীয় কৰ্ত্তৃপক্ষই ৰীতিমতে সোমাই মাছমৰীয়া সকলক সম্পূৰ্ণ নিশ্চল কৰিবলৈ লৈছে । এই মাছমৰীয়া সকলক ৰক্ষা কৰিবলৈ সোন-কালে ব্যৱস্থা গ্ৰহণ কৰিব ।

আজি হীৰা সম্প্ৰদায়ৰ লোক সকলে যি সকলে নিজা কলা-কৌশলৰ দ্বাৰা মাটিৰ বাচন বৰ্ত্তন বনাইছিল সেই সকল লোক বঞ্চিত হব লগা হৈছে । কিয়নো হীৰা মাটি পাবলৈ নাই । হীৰা মাটিৰ অভাবত ধুনীয়া বাচন-বৰ্ত্তণ বিলাক সম্পূৰ্ণ ৰূপে নষ্ট হবলৈ লৈছে । আন এটা মন কৰিব লগীয়া কথা হল যে বাপুজী মহাত্মা গান্ধীয়ে অস্পৃশ্যতা বৰ্জণ কৰিবৰ কাৰণে সংগ্ৰাম কৰিছিল । এই পৰিপ্ৰেক্ষিতত চৰকাৰে আচনি ঘোষণা কৰিছে । এই ক্ষেত্ৰত দেখা যায় হৰিজন কলনিবোৰ উঠাবলৈ গৈ তিনিটা ভাঙি আনি এঠাইত থুপ খোৱাই ৰখা হৈছে । অস্পৃশ্যতা পৰিহাৰ নকৰি বৈচিকৈ প্ৰিজাৰ্ভ কৰা হৈছে । গান্ধী জয়ন্তীত ভূমি বণ্টন বন্দৱস্তিৰ কথা কৈছে । মই কব পাৰো গোৱালপাৰা জিলাত কোনো হৰিজনকে এবিঘা কিয় একঠা মাটিও আজিলৈ পট্টন দিয়া নাই । ফলত হৰিজন সকলৰ ওপৰত অত্যাচাৰ কৰা হৈছে । এই ৩০ বছৰ কালত পৰোক্ষ ভাবে এই হৰিজন সকলৰ ওপৰত অত্যাচাৰ নকৰিলেনে ? এই লোক সকলৰ উন্নতিকল্পে আজি আমাৰ ৰাজ্যপালৰ ভাষণত উনুকিয়াব পৰা নাই । সংবিধান স্বীকৃত ভাবে যি এটা অঙ্গীকাৰ কৰা হৈছিল যোৱা ৩০ বছৰে অনুসূচীত লোক সকলৰ কোনো ৰকমৰ উন্নয়ণ মূলক কাম কৰা নাই । সেয়ে জনতা চৰকাৰৰ তৰফৰ পৰা ৰাজ্যপালৰ যি ভাষণ দিছে যিটোত ৩০ বছৰ কাল জুৰি একো উন্নতিমূলক কামৰ সাপেক্ষে নিশ্চয়ই উল্লেখ কৰিবলৈ একো নাথাকিব । জনতা চৰকাৰে মহাত্মা গান্ধীৰ আদৰ্শ বাণী আৰু সপোন, দিঠকত পৰিণত কৰিব । জনতা চৰকাৰে এই লোক সকলৰ উন্নতিকল্পে নিশ্চয় নতুনকৈ আঁচনি লব আৰু অস্পৃশ্যতা নাইকীয়া কৰিব ।

অধ্যক্ষ মহোদয়, এই হৰিজন বা অনুসূচীত জাতিৰ লোকৰ ভিতৰত যি অলপীয়া সংখ্যক অফিচাৰ আছে তেওঁবিলাকক প্ৰমোচন দিব লাগে । কিন্তু প্ৰমোচন দিয়া দূৰৰ কথা তেওঁলোকে অতি নিস্ব ভাৱে কাম কৰি আছে । ইয়াৰোপৰি কোনোবা শাসকৰ গোষ্ঠিৰ অন্যায়মূলক স্বাৰ্থজনিত কাম নকৰাৰ সাপেক্ষে ন্যায়ত জনসাধাৰণৰ সন্তুষ্টিৰ কাৰণে কাম কৰিবলৈ যাওঁতে তেওঁলোক আহুকালৰ সন্মুখীন হৈ আছে ।

(সময়ৰ সংকেত)

মই এই বিষয়া সকলৰ প্ৰমোচনৰ দিহা কৰিবলৈ জনতা চৰকাৰক অনুৰোধ জনালো । ইয়াৰ লগতে কবলৈ এয়ে যে প্ৰতি বছৰে ধুবুৰী আৰু বৰপেটা মহকুমাৰ লোকসকলক গড়াখহনীয়াই প্ৰতি বছৰে বিপদত পেলাই আছে । গড়াখহনীয়াত পৰা গৃহহীন হোৱা এই লোকসকলৰ পুনৰ সংস্থাপনৰ কোনো দিহা কৰা হোৱা নাই । চাপৰ, শান্তিপুৰ, গোলোকগঞ্জ, ধুবুৰীৰ শালমৰা কলাগাকানী আদি ঠাইত গড়াখহনীয়াত গৃহহীন লোক বহুত আছে কিন্তু পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা আজিলৈকে হোৱা নাই । অভয়াপুৰি

দক্ষিণ সমষ্টিটোতো চৰোৰা অঞ্চলৰ লোকসকলৰ সংস্থাপন হোৱা নাই। কোনো কোনো ক্ষেত্ৰত সংস্থাপনৰ কাৰণে মাটি আদি দিয়া হৈছে যদিও সেই মাটিত আগতীয়াকৈ মানুহ বাহি থকাৰ ফলত সংস্থাপন কৰিবলৈ বিচৰা লোকসকলে মাটিত ঘৰ আদি বান্ধিব পৰা নাই। চৰ অঞ্চলৰ বহুত লোকৰ ঘৰ-বাৰী ভাঙি আছে যদিও তেওঁলোকৰ কোনো ব্যৱস্থা আদি হোৱা নাই। চৰ অঞ্চলত যদি গোবৰ গেচ আঁচনি লব পৰা যায় তেতিয়াহলে এই লোকসকলৰ অৰ্থনৈতিক দিশৰ ওপৰত কিছু প্ৰভাৱ পেলাব পৰা যায় আৰু তাৰ দ্বাৰা তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাত সহায় কৰিব পাৰিব। গোৱালপাৰা জিলাত যদিও বিফাইনাৰী বা কাজগ কল পোৱা হ'ল তথাপি কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা নথকা কাৰণে এই উদ্যোগ বিলাকত স্থানীয় লোক নিযুক্তিৰ ক্ষেত্ৰত অন্তৰায়ৰ সৃষ্টি হৈছে। সেই কাৰণে অতি সোনকালে গোৱালপাৰা জিলাত কাৰিকৰী প্ৰশিক্ষণ স্কুল খোলাৰ দিহা কৰিব লাগে বুলি অনুৰোধ জনালো। আটাইতকৈ গুৰুতৰ কথা হ'ল যে কাগজ কলৰ পৰা উলিয়াই দিয়া এচিদ থকা বিষাক্ত পানীয়ে বহু হাজাৰ বিঘা খেতিৰ মাটি নষ্ট কৰি পেলাইছে। এই এচিদ যুক্ত বিষাক্ত পানী যোৱাৰ সুব্যৱস্থা কৰি বিষাক্ত পানী নিস্কাষণ কৰাৰ লগতে যি সকল লোকৰ খেতিৰ মাটি ইতিমধ্যে নষ্ট হৈছে সেই সকলক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা সমূহ জনতা চৰকাৰে অচিৰে গ্ৰহণ কৰিব বুলি আশা ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*Mr. SPEAKER : I announce for the benefit of the Hon'ble members the allotment of timing-till last sitting Jarata Party have taken 217 minutes out of 415 minutes, now they have therefore spare time of 233 minutes. The other members of the other parties had altogether 415 minutes. Congress (R) 24 members have 168 minutes, 7 minutes each out of which they consumed 61 minutes and now they have at their credit 197 minutes -18 minutes taken by the Hon'ble member just now.

C. P. M. 12 members-earlier 11 members. Their time is 86 minutes, they have already taken 57 minutes.

Congress (I) 8 members - already taken 56 minutes and out of 8 members two already participated, they have 23 minutes more.

C. P. I. 6 members have been allotted 42 minutes. But they have already taken 47 minutes. Out of 6 members of the C. P. I. only two Hon'ble members have participated so far, and taken altogether 47 minutes, *i. e.*, 5 minutes more than the allotted time.

R. C. P. I. 4 members allotted 28 minutes. The first speaker took 27 minutes and the second speaker took 5 minutes. So out of 4 speakers only two speakers have participated and the total time consumed is 32 minuties *i.e.*, 4 minutes more than the usual allotment.

Independent 9 members. The time allotted is 63 minutes. They have already taken 73 minutes. So, this is the position at present. I think the Hon'ble members would understand that party in power wou'd get more chances in the continued debate.

শ্ৰীসত্য তাঁতী :—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত যিটো উজ্জলতা আশা কৰিছিলো তাৰ বাস্তৱ ৰূপ দেখা নাপাই সুখীত। জিলা আৰু মহকুমা পূণৰ গঠনৰ যিটো ব্যৱস্থা আছিল সেই মৰ্ম্মে ১৯৭৮ চনৰ মাৰ্চ মাহত ঘোষণা কৰাৰ কথা আছিল কিন্তু

*Speece not correted

আজিলৈকে এই ঘোষণা কৰা নহ'ল। আমি সোণাৰী বাসী ৰাইজৰ হৈ কান্দিবলগীয়া হৈছে। কিয়নো বহুবাৰ আবেদন নিবেদন কৰা সত্বেও এইটো আজিলৈকে নহল। সোণাৰীত অতি সোনকালে মহকুমা হব লাগে। ৰাজ্যপালৰ ভাষণত দহ বিঘা মাটিৰ খাজনা ৰেহাই দিয়াৰ কথা উল্লেখ কৰিছে কিন্তু কথা হ'ল এনে কিছুমান মানুহ আছে যি সকলৰ মাটি দহ বিঘা নালাগে এবিঘাও নাই। সেই সকলৰ ক্ষেত্ৰত এই ঘোষণাই বিশেষ কিবা কামত আহিব বুলি আমি আশা নকৰো। তাৰ সলনি যদি হস্পিটালৰ সংখ্যা বঢ়াই দিলে-হেতেন তেনেহলে নিশ্চয় কিছু কামত আহিলহেতেন। বহুত ৰোগীয়ে ডাক্তৰৰ পৰা প্ৰেচক্ৰিপচন লৈ যায় যদিও পইচাৰ অভাৱত ঔষধ কিনিব নোৱাৰে আৰু সেই কাগজখন বুকুৰ ওপৰত সাৱটি মৃত্যু বৰণ কৰে। সেই কাৰণে চিকিৎসা বিভাগৰ যোগে এই ব্যৱস্হা লোৱাৰ ব্যৱস্হা কৰিব লাগে। মোৰ অঞ্চলত চাফ্ৰাই ৰেল ষ্টেচনৰ কাষত চিকিৎসালয় নাই। এইটো সদনৰ জৰিয়তে স্বাস্হ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। বগাবাঘৰ পৰা সাপেখাটিলৈ যোৱা আলিটো পি-ডব্লিউ-ডি বিভাগে ললে যদিও মানুহ অহাযোৱা কৰিব নোৱাৰে। দুখন বাগিচা বিশ খন গাওঁৰ মানুহ অহা যোৱা কৰা এই ৰাস্তাটো অতি শীঘ্ৰে ভাল কৰিব লাগে। ৰাস্তা বেয়াৰ কাৰণে ডাক্তৰ আহিবও নোখোজে। ছাত্ৰ-ছাত্ৰী সকলৰো এবুকু পানীৰ মাজেৰে স্কুললৈ যোৱা বৰ দুখ লগা কথা। এই ৰাস্তা-টো তিনি ফুট ওখ কৰি পকা কৰি দিব লাগে। এইটোৱেই অৰুণাচলৰ সীমামূৰীয়া ৰাস্তা। বৰহাট অঞ্চলৰ নাৰায়ণ পথাৰ গাঁওত চাৰি হাজাৰ মানুহ আছে কিন্তু তেওঁ-লোকৰ খাবলৈ পানী নাই। মোক উৰীয়া ভাষাত সুধিছিল খাবলৈ পানী নাপাব নেকি? আগতে দিচাং নদীৰ পানী আহিছিল কিন্তু নামৰূপ সাৰ কাৰখানাৰ পৰা বিষাক্ত পানী অহা কাৰণে দূষিত কৰি মানুহৰ খোৱাৰ অনুপযুক্ত কৰি পেলাইছে। মজদুৰ স্কুলখনৰ এফাল খেৰৰ আৰু এফাল টিনৰ হোৱা কাৰণে বাৰিষা বৰষুণ আহিলে সোনকালে স্কুল ছুটী দিবলগীয়া হয়। বৰহাট অঞ্চলৰ পৰা শিৱসাগৰলৈ কোৰ্ট কাচাৰী কৰিবলৈ দৈনিক মানুহ অহা যোৱা কৰিব লাগে যদিও ৰাজ্যিক পৰিবহনৰ ব্যৱস্হা নোহোৱা কাৰণে ৰাইজ অসুবিধাত পৰিছে। গতিকে সোনকালে এই ব্যৱস্হা কৰিবলৈ অনুৰোধ কৰিলো। ৰাজ্যিক বাচৰ ব্যৱস্হা কৰিব লাগে।

Shri GOURISHANKAR ROY—Mr. Speaker, Sir, we are discussing on the policies enunciated by the Government, but the Hon'ble member is talking on individual cases; I think he will get ample chance for this during the discussion on the budget.

MR. SPEAKER—You may come to the policy matters, and only by way of reference you can refer to your constituency matter.

শ্ৰীসত্য তাঁতী:—ৰাজ্যপালৰ ভাষণৰ বস্তুৰ চৰা দামৰ কোনো উল্লেখ নাই। অথচ নিমখ, চাহপাত, তেল আদি বস্তুৰ দাম বাঢ়িছে। গুৱাহাটী বজাৰতে আঢ়ৈ টকা কেজি দৰত চাউল কিনি খাইছো। ধান চাউলৰ খোলা বজাৰ কৰাৰ ফলত অৰুণাচল আৰু ত্ৰিপুৰালৈ গৈছে। জুলাই আগষ্ট মাহত ধান চাউলৰ দাম আৰু বাঢ়িব বুলি এতিয়াই তাৰ ব্যৱস্হা লোৱা উচিত হব।

নিবনুৱা সমস্যাৰ ক্ষেত্ৰত মই কৈছো যে চাহবাগিছাৰ যি খিনি একাৰেজ মাটি আছে...

Shri GOURSHANKAR ROY—Mr. Speaker, Sir, I would like to now whether the Hon'ble member is criticising the Government on the policy enunciated by the Government or he is discussing and placing his own views on individual cases?

শ্ৰীমতী আনোৱাৰা টাইমুৰ:—মাননীয় সদস্য জনক ৭ মিনিট সময় দিয়া হৈছে, সময় যিহেতু নিচেই কম গতিকেই সকলোকে সমানে সময় দিব লাগে।

মাননীয় অধ্যক্ষ ঃ—মাননীয় সদস্যজনে সোনকালে শেষ কৰক আৰু আপুনি নীতিৰ বিষয়ে কওক ।

**শ্ৰীসত্য তাঁতী** ঃ—চাহ বাগিছা বিলাকত যিবিলাক স্কুল আছে সেই বিলাকত যি বিলাক ঘৰ-দুৱাৰ আছে সেই বিলাকৰ অৱস্থা অতি শোচনীয় কিন্তু মেনেজাৰ বিলাকে সেই ঘৰ-দুৱাৰ বিলাক বান্ধি দিয়াৰ কাৰণে সমূলি মন নিদিয়ে আৰু নিবনুৱা সমস্যাৰ ক্ষেত্ৰত কও যে এই যি চাহ বাগিছাৰ একাৰেজ মাটি আছে তাত যিবিলাক বনুৱা আছে তেওঁলোকক কেজুৱেল হিচাবে খটাই আছে, গতিকেই মই কব বিচাৰিছো তেওঁলোকক যাতে অনতিপলমে স্হায়ী মজদুৰ হিচাবে লোৱা হয় ।

(সময়ৰ সংকেত)

তাৰ পিছত নতুন চৰকাৰে যি দলং ৪ খনৰ কথা কৈছে, আগৰ মন্ত্ৰী চলিহাৰ দিনতে সাপেখাতীৰ গোদাম ঘাটৰ ওচৰত দলং দিয়াৰ কথা আছিল কিন্তু সেই দলং নহ'ল, তাৰোপৰি দিবাং নদীৰ ওপৰত এখন দলং নথকাৰ কাৰণে ডিব্ৰুগড় মেডিকেল কলেজলৈ সেই অঞ্চলৰ অৰ্থাৎ সাপেখাতী অঞ্চলৰ মানুহ বিলাকে প্ৰায় ২০০ কিলোমিটাৰ ৰাস্তা ঘূৰি যাবলগীয়া হয় । ফলত তেওঁলোকৰ যথেষ্ট অসুবিধা হৈছে । এই সাপেখাতি অঞ্চলবে যি খন হস্পিতাল আছে সেই খনৰো অৱস্হা একেবাৰে শোচনীয়, গতিকে সেই খন উন্নিত কৰি তাত মেটাৰনীতি ওৱাৰ্ড খুলিব লাগে আৰু তাত এখন পশু চিকিৎসালয় অনতি পলমে খুলিব লাগে । এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

* **শ্ৰীমাধৱ ৰাজবংশী** ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বন্ধুবৰ নগেন শৰ্ম্মা আৰু নগেন বৰুৱা ডাঙৰীয়াৰ প্ৰস্তাৱৰ সমৰ্থনত মই সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছোঁ আৰু ৰাজ্যপালৰ ভাষণৰ প্ৰতিয়ো মই সম্পূৰ্ণৰূপে সমৰ্থন আগবঢ়াইছোঁ । অধ্যক্ষ মহোদয়, মই আপোনাৰ ওচৰত ৩ টা শব্দ ব্যৱহাৰ কৰাৰ কাৰণে অনুমতি বিচাৰিছোঁ। সেই কেইটা হ'ল অদৃষ্টৰ পৰিহাস, প্ৰশাসনীয় অধিকাৰ কলংকিত । অধ্যক্ষ মহোদয় ৰাজ্যপালৰ ভাষণৰ ওপৰত যি বিতৰ্ক চলি আছে এই বিতৰ্কত বিৰোধী দলৰ নেতা তথা মাননীয় সদস্য কেইজন মানে যি সমালোচনা আগবঢ়াইছে এই সমালোচনা বিলাক মোৰ মনত সম্পূৰ্ণৰূপে অমূলক । এটা কথা মই ডাঙি ধৰিব বিচাৰিছোঁ যে আমাৰ ৰাজহৰ ক্ষেত্ৰত যি ব্যৱস্হা গ্ৰহণ কৰা হৈছিল তাৰ দ্বাৰা যোৱা ৩০ বছৰে সেইটো সম্ভৱপৰ হৈ নুঠিল । অসম বুৰঞ্জীত অসমৰ জনতাৰ ওপৰত যোৱা ৩০ বছৰে জুলুম কৰা আৰু ইমান সুবিধা লোৱা কোনো ৰাজনৈতিক দলৰ উদাহৰণ নাই । যোৱা ৩০ বছৰে যি চৰকাৰে ভূমিহীনক মাটি দিয়া গৃহহীনক মাটি দিয়া হব বুলি প্ৰতিশ্ৰুতি দি প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই আজি সেই চৰকাৰে বৰ্ত্তমান চৰকাৰে ১০ বিঘালৈকে ৰাজহ ৰেহাই কৰাৰ প্ৰতিশ্ৰুতি মাত্ৰ কিছু দিন আগতে দিছে সেই বিষয়ে সমালোচনা কৰাতো বৰ দুখ লগা আৰু লজ্জাজনক কথা বুলি মই কব খোজো । আজি এক দেৰ বছৰ আগতে আগৰ চৰকাৰে মাটি হীনক মাটি দিয়া আৰু গৃহহীনক ঘৰ সজাই দিয়া হব বুলি বাৰ বাৰ প্ৰতিশ্ৰুতি দিছিল কিন্তু সেই ক্ষেত্ৰত তেওঁলোকক একোয়েই দিয়া নহ'ল, কেৱল কেই খনমান চাৰ্টিফিকেট দিয়া হ'ল, কেইবছৰ পাছতেই সেই প্ৰতিশ্ৰুতি কলংকিত হৈ পৰিল । যি সিংহ চৰকাৰে যোৱা ৩০ বছৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে আজি মাত্ৰ কেইদিনমান আগতে শাসনভাৰ লোৱা চৰকাৰক ইটো নাই দিয়া সিটো নাই দিয়া বুলি সমালোচনা কৰাৰ কোনো থল নাই ।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত কেইটামান আৱশ্যকীয় কথা বাদ পৰি গ'ল, সেই কেইটা মই ডাঙি ধৰিব বিচাৰিছোঁ, আমাৰ জলসিঞ্চনৰ ক্ষেত্ৰত এটা কথা উল্লেখ কৰিব বিচাৰিছোঁ সেইটো হ'ল আমাৰ চিপাঝাৰ অঞ্চলত জলসিঞ্চনৰ ক্ষেত্ৰত ইমান বেচি পিচপৰা যে সেইটো কবলৈ দুখ লাগে । অসমৰ বানপানীৰ সমস্যা আজি ইমান প্ৰকট

*Speech not corrected

নহ'লহেতেন যদি আমি এই বৃহৎ অসমৰ জলৰাশি পৰিকল্পিত ভাবে সদব্যৱহাৰ কৰিব পাৰিলোহেতেন, যোৱা ৩০ বছৰে এই জলসিঞ্চনৰ নামত অজস্ৰ টকা খৰচ হৈ গ'ল কিন্তু আজিও অসমৰ কোনো অঞ্চল মহকুমাত কোনো খেতিয়কে তেওঁলোকৰ পথাৰত খৰালি জলসিঞ্চনৰ পৰা উপকৃত হোৱা উদাহৰণ আমি দেখা নাই। গতিকে মই নতুন চৰকাৰক অনুৰোধ কৰো অসমৰ খেতিয়কে বাৰমাহে যাতে তেওঁলোকৰ পথাৰত প্ৰচুৰ পৰিমানে পানী পায় আৰু তাৰ দ্বাৰা তেওঁলোকে যাতে খৰালি বাৰিষা গোটেই বছৰটোয়েই খেতি কৰি অধিক শস্য উৎপাদন কৰি তেওঁলোকৰ দুৰীদ্ৰতা দূৰ কৰিব পাৰে সেই ব্যৱস্হা অতি সোনকালে হাতত লয়।

অধ্যক্ষ মহোদয়, মই ছাত্ৰৰ প্ৰতিনিধি হিচাবে আহিছোঁ, অতি দুখেৰে মই কব লগীয়া হৈছোঁ যে যোৱা ৩০ বছৰে আমাৰ ছাত্ৰ সকলৰ ওপৰত যি ধৰণে অত্যাচাৰ আৰু অবিচাৰ কৰি আহিছে সেইটো বুৰঞ্জীত জিলিকি থাকিব। ছাত্ৰ শক্তিয়ে এনেবোৰ অবিচাৰ অত্যাচাৰ কেতিয়াও সহ্য কৰিব নোৱাৰে। সেয়েহে এই ব্যৱহাৰ সহ্য কৰিব নোৱাৰি এই ছাত্ৰ শক্তিয়েই এটা ৰাজনৈতিক দলৰ শাসনৰ পৰা নমাই আনি আন এটা দলক শাসনৰ গাদীত বহুৱালে। কেন্দ্ৰতো জনতা চৰকাৰ হ'ল আৰু অসমতো জনতা চৰকাৰ হ'ল। আজি আমাৰ ছাত্ৰ সকলৰ মাজত বিশেষকৈ শিক্ষিত অৰ্দ্ধ-শিক্ষিত সকলৰ মাজত নিবনুৱা সমস্যা এক প্ৰধান সমস্যা হৈ পৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, মই হৈছো ছাত্ৰৰ প্ৰতিনিধি। যোৱা ৩০ বছৰে কংগ্ৰেছ চৰকাৰে এই ছাত্ৰ সকলৰ ওপৰত যি ধৰণৰ বৰ্ব্বৰ অত্যাচাৰ আৰু উৎপীড়ন চলালে সেইটো বুৰঞ্জীত সদায়েই থাকিব। মই আমাৰ বৰ্ত্তমান জনতা চৰকাৰক এইটোৰেই অনুৰোধ কৰিব খুজিছোঁ যে, এই ছাত্ৰ শক্তিক যেন সদায়েই সন্তুষ্ট ৰাখিব পাৰি। কিয়নো এই ছাত্ৰ সকলেই আজি এই চৰকাৰ গাদীত বহি থকাৰ কাৰণে যথেষ্ট কৰিছিল। এই খিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো আৰু সেইটো হৈছে যে সাৰখানা এটাৰ সংক্ৰান্তত ছাত্ৰ সকলৰ ফালৰ পৰা যি দাবী উঠিছে আৰু সেই ক্ষেত্ৰত সৃষ্টি হোৱা আন্দোলনমূখী ভাৱৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে তেওঁলোকৰ দাবী যথাযথ ভাবে ভাবি চায় বিহিত ব্যৱস্হা কৰিব বুলি আশা কৰিছোঁ।

আজি আমাৰ ৰাজ্য খনত নিবনুৱা সমস্যাৰ প্ৰকোপ ইমানেই বাঢ়িছে যে, ছাত্ৰ সকলে অনাই বনাই ঘূৰি ফুৰিব লগীয়া হৈছে। কিন্তু এই সমস্যা সমাধানৰ কাৰণে ইয়াৰ আগৰ চৰকাৰে একোৱেই কৰিব নোৱাৰিলে। সেই কাৰণেই মই আমাৰ এই নতুন চৰকাৰক এইটো অনুৰোধ কৰিব খুজিছোঁ যে, ৩০ বছৰেই কংগ্ৰেছ চৰকাৰৰ দিনত ঘৃণিত, অৱহেলিত আৰু অপমাণিত ছাত্ৰ সকলে যেন জনতা দলৰ চৰকাৰৰ পৰা সুন্দৰ 'ট্ৰিট্‌মেন্ট' পব পাৰে।

ইয়াৰ পিছত শিক্ষাৰ ক্ষেত্ৰত কবলৈ গৈ মই এটা কথা কব পাৰো যে, জাতীয়কৰণ কৰাৰ পিছত শিক্ষা ব্যৱস্হাত কিছুমান অতি দুৰৱস্হাৰ সৃষ্টি হৈছে। এম, ই, এম ভি আদি স্কুল বিলাকৰ চকিদাৰ সকলৰ দুৰৱস্হাৰ আজি অন্ত নাইকীয়া। গতিকে বিশ্ববিদ্যালয়, স্কুল কলেজ আদিৰ ক্ষেত্ৰত যি বিলাক খেলিমেলি আৰু অসুবিধাৰ সৃষ্টি হৈছে সেই বিলাক দূৰীকৰণৰ কাৰণে চৰকাৰে অনতিপলমেই ব্যৱস্হা কৰিব লাগে। তাৰ পিছত কৃষিৰ ক্ষেত্ৰত কবলৈ গৈ আমাৰ চৰকাৰে ৰাজহৰ ক্ষেত্ৰত যি বিলাক ব্যৱস্হাৰ কথা ঘোষণা কৰিছে সেই বিলাক সচাঁকৈয়ে প্ৰশংসনীয় কাম কাজ হৈছে। এই ক্ষেত্ৰত মই এটা পৰামৰ্শ আগবঢ়াব খুজিছো যে, তৌজী আৰু একচনীয়া পট্টাৰ ব্যৱস্হা উঠাই দি পেলাই খেতিয়ক সকলৰ কাৰণে এনেকুৱা ব্যৱস্হা কৰিব লাগে যে, তেখেত সকলৰ যেন টকা পইচা আদি ধাৰে লোৱা সুবিধা হয়। ভূমি আৰু ৰাজহৰ ব্যৱস্হা পঞ্চায়তৰ ওপৰত অৰ্পণ কৰিলে ভাল হব বুলি মই ভাবো আৰু তাৰ কাৰণে ব্যৱস্হা কৰিবলৈ মই আমাৰ চৰকাৰক অনুৰোধ কৰিছোঁ।

শ্ৰীএ, আক্ৰাম হোছেইন ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ আৰু সেইটো হৈছে যে, যেতিয়া যিবিলাক বিভাগৰ বিষয়ে আলোচনা আদি হৈ থাকে তেতিয়া সেই বিলাক বিভাগৰ বিভাগীয় মাননীয় মন্ত্ৰী সকল উপস্থিত থাকিব লাগে । বিতৰ্কৰ সময়ত এতিয়া আমাৰ মাননীয় ৰাজহ আৰু শিক্ষা বিভাগৰ মন্ত্ৰী সকল উপস্থিত থাকিব লাগিছিল ।

* শ্ৰীমাধৱ চন্দ্ৰ ৰাজবংশী ঃ—যোৱা ৩০ বছৰে কিছুমান অবাঞ্চিত মানুহক ঠাই দিয়াৰ কাৰণে অসমৰ ভূমি আৰু ৰাজহৰ ক্ষেত্ৰত আজি এই দুৰ্যোগ হবলৈ পালে যাৰ ফলত আজি অসমৰ অৰ্থনৈতিক আৰু সামাজিক মেৰুদণ্ড ভাঙি পৰিছে । সেই কাৰণেই মই চৰকাৰক এইটো অনুৰোধ কৰিব খুজিছো যে, অৰ্থনৈতিক আৰু সামাজিক ভাবে মেৰুদণ্ড ভাঙি পৰা এই ৰাজ্য খনৰ সকলো বিলাক লৰা-ছোৱালীয়েই যাতে সকলো পৰ্য্যায়তে বিনা মূলীয়া শিক্ষাৰ ব্যৱস্থা পায় । ইয়াকে কৈ সামৰণী মাৰিলো ।

শ্ৰীযোগেন গগৈ ঃ—মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ পৰা অলপ নতুন সমস্যাৰ খবৰ আহিছে । অলপ কবলৈ দিবনেকি ?

মাননীয় অধ্যক্ষ ঃ—অলপ পিছতে সিদ্ধান্ত দিয়া হব ।

Shri GIASUDDIN AHMED--Mr. Speaker, Sir I have a humble submission to make. Many of the Hon'ble Members who are new to this House could not participate in the discussion. Sir, will you kindly take up the matter with the Business Advisory Committee and if possible examine whether time on dabate on Governor's address could be extended by at least two hours.

Shri SAMSUL HUDA—We also second the move.

Shri PRASAD CHANDRA DOLOI—I think, Sir, the new Member should have the privilege to speak in this House.

শ্ৰীজগত পাটগিৰী ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে আৰু বন্ধুবৰ মাননীয় সদস্য শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই সেই প্ৰস্তাৱৰ ওপৰত যি সমৰ্থন আগবঢ়াইছে সেই প্ৰস্তাৱৰ সমৰ্থন জনাই কেইষাৰমান কথা আপোনালোকৰ আগত কবলৈ আগবাঢ়িছো। অধ্যক্ষ মহোদয়, এই সদনত আজি কেইদিনমানৰ পৰা কংগ্ৰেছী সদস্য সকলে জনতা চৰকাৰৰ বিৰুদ্ধে অৰ্থাৎ ৰাজ্যপালৰ ভাষণৰ দোষত্ৰুটি বাৰে বাৰে কৈ আছে আৰু ৰাজ্যপালৰ ভাষণত যোৱা বছৰৰ কলংক কিয় উত্থাপন কৰা হোৱা নাই বাৰে বাৰে তেখেত সকলে এইদৰে বাৰে বাৰে তেখেত সকলৰ কলংকৰ কথা উচতাই দিবলৈ কোৱাত ধন্যবাদ জনাইছো।

আইন শৃংখলাৰ ক্ষেত্ৰত কব খুজিছো কংগ্ৰেছৰ শাসন কালত বড়ো সকলৰ ওপৰত যি অত্যাচাৰ চলিল বিশেষকৈ ৰোমান স্ক্ৰিপ্ট সম্পৰ্কত মই নিজে সেই সংগ্ৰাম পৰিষদৰ ভাইচ চেয়াৰমেন আছিলো । ২৭ নবেম্বৰৰ পৰা ১০ দিনীয়া আন্দোলনত কংগ্ৰেছ চৰকাৰৰ পুলিচ শাসনৰ ফলত গোৱালপাৰা জিলাত ৬ জনক হত্যা কৰা হ'ল, দেৰ হাজাৰ পৰিয়াল গৃহহীন হ'ল, ১০ গৰাকী তিৰোতাৰ সন্তানহীন হ'ল আৰু যে ক'ত কিমান জনজাতীয়-লোকৰ ওপৰত অত্যাচাৰ চলিল তাৰ হিচাব নাই । কিমান গাঁওত গৈ পুলিচে বহুতো মূল্যবান বস্তু ধ্বংস কৰিলে সোন ৰূপ অলংকাৰ ইত্যাদি লুটপাত কৰিলে । বিজনী থানাৰ অন্তৰ্গত ঠাইত পুলিচে নিজে ঘৰবাৰী নষ্ট কৰিলে গাভৰু ছোৱালী ধৰ্ষণ কৰিলে, অধ্যাপক লক্ষেশ্বৰ ব্ৰহ্মৰ ঘৰত সোমাই তেওঁৰ চাৰ্টিফিকেট আৰু দৰ্কাৰী কাগজপাতি নষ্ট কৰিলে। বড়ো লাইব্ৰেৰী বিলাক ধংশ কৰিলে। ৰোমান স্ক্ৰিপ্ট মোভমেণ্টৰ সময়ত

কংগ্ৰেছে যি অত্যাচাৰ চলালে তাৰ কলংক বুৰঞ্জীত নাপায়। অধ্যক্ষ মহোদয় তেখেত সকলে কৈছে যে তেখেত সকলে সুন্দৰকৈ চৰকাৰ চলাইছিল, কিন্তু তেখেত সকলে বড়ো ৰাইজৰ ওপৰত যি অত্যাচাৰ চলাইছিল, শিক্ষক সকলৰ ওপৰত যি অত্যাচাৰ চলাইছিল আপুনি ইতিমধ্যে বিভিন্নজন সদস্যৰ মুখত শুনিবলৈ পাইছে আৰু পাব। বড়ো সকলে শিক্ষাৰ ক্ষেত্ৰত যি দাবী কৰি আহিছে সেই দাবী বিলাক এতিয়ালৈকে পালন কৰা হোৱা নাই। ১৯৬৩ চনতে স্বীকৃতি পোৱা স্কুলত য'ত পোষ্ট লাগে সেই বিলাকত আজিও দিয়া নাই। ১৯৭৭ চনৰ আগষ্ট মাহত মুখ্যমন্ত্ৰীৰ ওচৰত যি ডেপুটেচন দিয়া হৈছিল তেতিয়া 'উইদিন' চেপ্তেম্বৰৰ ভিতৰত কৰি দিম বুলি কৈছিল, পৃথক বড়ো দিৰেক্টৰেট কৰা বুলি কৈছিল কিন্তু আজিলৈ সেই বিলাকৰ একো নকৰিলে। কথা দি কথা ৰাখিব নোৱাৰা চৰকাৰ মই কংগ্ৰেছকে পাইছিলো। ট্ৰাইবেল সকলক কংগ্ৰেছ চৰকাৰৰ দিনত একো কৰি নিদিলে। তেওঁলোকক সকলো ক্ষেত্ৰতে বঞ্চিত কৰা হৈছিল। অসমত ১৪ লাখ ট্ৰাইবেল মানুহ আছে। গতিকে এই ট্ৰাইবেলৰ কাৰণে কেৱল বিধান সভাত প্ৰতি-নিধিত্ব দিয়া বা মন্ত্ৰী সভাত কেইজনমান মন্ত্ৰী ললে তাৰ দ্বাৰাই এই লোক সকলৰ সমস্যা সমাধান নহয়। কিন্তু এই জনজাতীয় লোক, অনুসূচীত লোক বা ও-বি-চি সকলৰ বাবে যিবিলাক টকা পইচা আছে সেই বিলাকৰ সৎ ব্যৱহাৰ হব লাগে। মোৰ দুখনৈ সমষ্টিত আজি ৩০ বছৰৰ ভিতৰত মাত্ৰ ১৯৭ কিলোমিটাৰ ৰাস্টা পি দব্লিউকৰণ কৰা হৈছে। এই ১৯৭ ক ৩০ ভাগ কৰিলে ১ বছৰত ৬ কিলোমিটাৰমান ৰাস্টা পি দব্লিউ কৰা হৈছে। কিন্তু সকলো বিলাক ৰাস্তাই নেচনেল হাইৱেৰ পৰা দেৰ মাইল মান শিল দিয়া, তাৰ পিচত আৰু নাই। মোৰ সমষ্টিত গাড়ী নচলে। মই জোতা চেন্দেল নিপিন্ধো। মানুহে মোক জোতা নিপিন্ধা এম এল এ বুলিয়ে কয়। কিন্তু পিন্ধিব ক'ত, যাবলৈ কতো ৰাস্তাই নাই। যোৱা বাৰ নিবৰ্বাচনত আমাৰ কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমতী ৰেনুকাদেৱী বৰকটকী নিবৰ্বাচনত কেনভাচ কৰিবলৈ ধুপধৰাৰ পৰা পদুপাৰালৈ যাওতে ৰাস্তাত তেওঁৰ গাড়ী নচলা হ'ল। এঠাইত পথাৰে পথাৰে গাড়ী চলিলে। তেওঁৰ খুব খং উঠিছিল। আমাক কয় ৰাস্তা কিয় নাই? আমাৰ লগৰে কিছুমানে কৈছিল এয়াই কংগ্ৰেছী শাসন। ৩০ বছৰেও এটা ভাল ৰাস্তা নাই। ইয়াৰ আগতে শ্ৰীমতী আনন্দী বালা ৰাভা বিধান সভাৰ সদস্য আছিল। তেওঁ এটা ভাল ৰাস্তাও নকৰিলে। যাৰ ফলত এইবিলাক অসুবিধা হৈছে। আশা কৰো আমাৰ নতুন জনতা চৰকাৰে অতি সোনকালে ইয়াৰ এটা সু-ব্যৱস্হা কৰিব।

জনস্বাস্থ্য বিভাগৰ পৰা এই সমষ্টিত মাত্ৰ চাৰি খন হস্পিতেল দিছে। দুধনৈ, ৰংজুলি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বিচনা পত্ৰ নাই। যিখিনি সুযোগ সুবিধা পাব লাগে সেইখিনি পোৱা নাই। আমবাৰী ষ্টেট ডিচপেনচাৰীত ডাক্তৰ আছে কিন্তু নাৰ্চ নাই। ধুপধৰা ষ্টেট ডিচপেনচাৰী খন আজিলৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নিত নহল। দহেলা ডিচপেনচাৰী খন ৰাইজৰ তৰফৰ পৰা ১৯৪৯ চনতেই কৰা হৈছে। কিন্তু আজিলৈকে ষ্টেট ডিচপেনচাৰীলৈ উন্নত নহল। তাত ডাক্তৰ নাই। কম্পাউণ্ডাৰে আজিলৈকে চলাই আছে। এই ঠাই ডোখৰৰ অৱস্হা এই কাৰণেই এনেকুৱা. এই অঞ্চলৰ বহুজে সি পি আই আৰু চি পি এমক ভোট দিছিল। সেই কাৰণে কংগ্ৰেছ এম. এল এ.ৰ তৰফৰ পৰা কোনো ধৰণৰ কাম কৰা নহল আৰু কোনো অনুদানো দিয়া নহল। এই সমষ্টিৰে শ্ৰীতৰুন খাখলাৰী, যাক মই পৰাস্ত কৰি আহিছো, তেওঁ দহেলা মাজখলী হাইস্কুলৰ হেড-মাষ্টাৰ আছিল। তেওঁ ইলেকচনত কন্টেষ্ট কৰা কাৰণে তেওঁৰ স্কুল খনলৈ কোনো এডহক-ডেফিচিট গ্ৰান্টৰ ব্যৱস্হা নকৰিলে। গতিক সকলো কথাই ৰাজনৈতিক দৃষ্টি-ভংগীৰে চালে ৰাইজৰ অসুবিধা হব। চতমাটিয়া, দহেলা, টিপলাই, আমবাৰী আৰু শিমলিতোলা এই বিলাক হস্পিতেলৰ উন্নতি কৰিব লাগে। ধুপধৰাত এখন পশু চিকিৎসালয় আছে যদিও এই সমষ্টিৰ ১২৩ খন ৰেভিনিউ ভিলেজত ৩০০ খন গাঁও আছে আৰু প্ৰায় ৮৮ হাজাৰ জনসংখ্যা আছে। কিন্তু তাত পশু চিকিৎসালয়ৰ কোনো বহুল ব্যৱস্হা নথকাত গৰু, মহ মৰাৰ উপক্ৰম হৈছে। খেতিয়কে পশু চিকিৎসাৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।

অধ্যক্ষ মহোদয়, অসমৰ ভিতৰত দক্ষিণ গোৱালপাৰা আৰু কামৰূপৰ ভিতৰতে দুই লাখতকৈও বেছি গাৰো মানুহ আছে। এই লোক সকলে দুই এখন স্কুল পোৱাৰ বাহিৰে একোৰে পোৱা নাই। ৰাস্তা ঘাট নাই। দক্ষিণ গোৱালপাৰাৰ ফৰেষ্ট অঞ্চলত মাত্ৰ ৫ টা ৰাস্তা লৈছে। তাতো ভাল সুবিধা পোৱা নাই। এই সম্পৰ্কে বিদ্ৰোহো কৰা হৈছে। এই গাৰো লোক সকলে তেতিয়াৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ হাতত স্মাৰকপত্ৰ দিছিল যে তেওঁলোকক মেঘালয়লৈ যাব দিব লাগে। এই গাৰো সকলে জনতাকে ভোট দিছে। আৰু অসমতো থাকিব বিচাৰিছে। কেপ্তেইন উইলিয়মচন চাংমাৰ পিছত অসমত তেওঁলোকক প্ৰতিনিধিত্ব দিয়া মানুহ নাছিল। এইবাৰে মাত্ৰ বন্ধুবৰ বিল্টন জি মমিন বিধান সভালৈ আহিছে। আশা কৰো এই শোষিত নিষ্পেষিত গাৰো ভাই সকলৰ নিশ্চয় এই চৰকাৰৰ দিনত কিবা এটা ব্যৱস্থা হব। (সময়ৰ সংকেত ধ্বনী)

অধ্যক্ষ মহোদয়, অসমৰ ভিতৰতে দক্ষিণ গোৱালপাৰাৰ আৰু কামৰূপৰ কিছু অঞ্চল বনাঞ্চলেৰে পৰিপূৰ্ণ অঞ্চল। মোৰ দুধনৈ সমষ্টিতো বনাঞ্চলেৰে পৰিপূৰ্ণ। এই বনাঞ্চলৰ পৰা বছৰি মোৰ সমষ্টি দুধনৈৰ পৰা ৫ লাখ টকা আৰু গোৱালপাৰা মহকুমাৰ পৰা ৩০।৪০ লাখ টকা ৰাজহ পায়। কিন্তু সকলোৰে জানে যে দক্ষিণপাৰ অঞ্চলটো সকলোতকৈ পিচপৰা। গতিকে এই পিচপৰা অঞ্চলক অতি শীঘ্ৰে উন্নতি কৰিবলৈ মই নতুন চৰকাৰক নিবেদন জনাইছো। বনাঞ্চলত যিবিলাক ৰাস্তা কৰা হৈছে বিশেষকৈ ৫ টা মান ৰাস্তা ঠিকাদাৰে নিজেই কৰিছে। সেই বিলাক কাম কোনে কৰিব লাগে মই অৱশ্যে নাজানো। দুধনৈ সমষ্টিটোত নেচনেল হাইৱেৰ দক্ষিণ পাৰে বেছিকৈ ৰাভা-কছাৰী মানুহ আছে। গাড়ীত উঠাটো দূৰৰ কথা বেচেৰাহতে খোজ কাঢ়ি যোৱাৰো উপাই নাই। এই বিষয়ে চৰকাৰে ভালদৰে মনোযোগ দিয়া দৰকাৰ।

গতিকে এই অঞ্চলটোৰ পি, ডবলিউ, ডি ৰাস্তাটোৰ উন্নয়ণৰ বাবে অতি সোনকালে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কাৰণ এই অঞ্চলটোৰেই আটাইতকৈ বেছি কেচা মাল উৎপন্ন হয়। কল, আনাৰস আদি প্ৰচুৰ পৰিমাণে উৎপন্ন হয় আৰু গুৱাহাটী আদিৰ দৰে দূৰ বজাৰলৈ যায়। এই ক্ষেত্ৰত চৰকাৰে উচিত ব্যৱস্থা হাতত লৈ এই অঞ্চলটোত উদ্যোগ গঢ়ি উঠাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা কবলৈ বিচাৰিছো। সেইটো হৈছে দুধনৈ নেচনেল হাইউৱেটোত পুল কালভাৰ্ট হোৱা নাই। অন্যন্যা চাব ডিভিজন বিলাকত হ'ল। চিমেন্টৰ অভাবত ঠিকাদাৰে কাম কৰিব নোৱাৰি বহি আছে।

পানী যোগানৰ ক্ষেত্ৰত কোৱনৈ ৰংৰঙা আদিত লাখ লাখ টকাৰ আঁচনি কৰিলে, কিন্তু সেইবোৰ চৰকাৰী দোঙৰ পৰা ৰাইজে পানী নাপালে। তাৰ বাবে যি মাটি অধিগ্ৰহণ কৰিলে তাৰ ক্ষতিপূৰণ পাবলৈ আৰু বহুত বাকী আছে। সেই মাটিবোৰ চৰকাৰে নোলোৱাৰ ফলত ৰাইজে খাজানা দি থাকিব লগা হৈছে। এইবোৰ কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীপদম বাহাদুৰ চৌহান ঃ—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীনগেন শৰ্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো মই সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো। ৰাজ্যপালৰ ভাষণত নতুন চৰকাৰে যি নীতি ঘোষণা কৰিছে তাকো মই সম্পৰ্ণৰূপে সমৰ্থন কৰিছো। ইয়াত জলসিঞ্চনৰ শিতানত কোৱা হৈছে যে কৃষি উন্নয়নৰ আঁচনিৰ সাফল্যৰ বাবে বৰষুণৰ ওপৰত নিৰ্ভৰশীল। কৃষিৰ ক্ষেত্ৰত চৰকাৰে জলসিঞ্চনৰ সুবিধা সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিছে আৰু ই উৎসাহজনক হৈছে। ইয়াৰ পৰা এইটোৱেই প্ৰমান হয় যে যোৱা ৩০ বছৰত কংগ্ৰেছী চৰকাৰে যি জলসিঞ্চন আঁচনি কৰিছিল সেইবোৰ ৰাইজৰ কোনো ব্যৱহাৰত অহা নাই নাইবা তাৰ পৰা ৰাইজৰ কোনো লাভা লাভ হোৱা নাই। ইয়াৰ অনেক উদাহৰণ অসমৰ বিভিন্ন ঠাইত আছে। মোৰ

সমষ্টি তামোলপুৰত তেনেকুৱা অনেক উদাহৰণ আছে। তামোলপুৰত যিটো শুক্লা জলসিঞ্চন প্ৰজেক্ট কৰিছিল সেই প্ৰজেক্ট তাৰ জনজাতীয় ৰাইজৰ কোনো উপকাৰত অহা নাই। ৰাজ্যপালৰ ভাষণত জনজাতীয় অঞ্চল সমূহৰ জলসিঞ্চনৰ সুবিধাৰ উন্নয়ণত ২'৮৫ কোটি টকা ধাৰ্য্য কৰা হৈছে।

Mr. SPEAKER—Order, order. I have just an announcement to make. As desired by Shri Sarat Chondra Sinha, Leader of the Indian National Congress Party Shri Golok Rajbanshi, Chief Whip of the Party is to be nominated as Member of the Business Advisory Committee in place of Shri Sarat Chandra Sinha. I agree to this and hope that the Hon'ble members will have no objection.

( voices : no objection )

**শ্ৰীপদম বাহাদুৰ চৌহান** :— অধ্যক্ষ মহোদয়, যোৱা ৩০ বছৰে কংগ্ৰেছৰ শাসনত জনজাতীয় সকলৰ কাৰণে যেনে ধৰণেৰে টকা খৰচ কৰা হৈ আহিছে সেই ধৰণেৰেই যদি জনতা চৰকাৰেও টকা খৰচ কৰে তেন্তে চৰকাৰৰ প্ৰতি ৰাইজৰ বৰ্ত্তমান যি মনোভাব সি বহুপৰিমাণে সলনি হৈ যাব। জনজাতি সকলৰ উন্নয়ণৰ বাবে প্ৰতিখন জিলা আৰু চাব-ডিভিজনত যিবিলাক কমিটি আছে আৰু যিবিলাক চেয়াৰমেন বা সদস্য আছে তেওঁ-লোকে নিজৰ স্বাৰ্থৰ কাৰণে, দলীয় স্বাৰ্থৰ কাৰণে জনজাতিৰ উন্নয়ণৰ কাৰণে দিয়া সকলো টকা নিজৰ আৰু মিটিৰ কুটুমৰ ভিতৰতে ভাগ কৰি লৈছিল। ইয়াৰ এটা সৰু উদাহৰণ দিব খুজিছো। তামোলপুৰ সমষ্টিত বাৰেইগাঁও নামৰ এখন গাঁও আছে। সেই গাঁও খনৰ এখন দলংৰ কাৰণে তিনিশ টকা মঞ্জুৰী দিয়া হৈছিল, সেই টকা এজন কংগ্ৰেছী লোকে নি খাই থলে। তামোলপুৰ সমষ্টিত কলবাৰী নামৰ এটা জনজাতীয় অঞ্চলৰ এটা ৰাস্তাৰ কাৰণে তিনি হাজাৰ টকা দিয়া হৈছিল, কিন্তু আজিলৈকে এই অঞ্চলত কোনো ৰাস্তা আমি দেখা নাপালো। এইদৰে জনজাতীৰ কল্যাণমূলক আঁচনিৰ বাবে জনজাতীয় অঞ্চলত যি টকা ধৰা হৈছিল সেই সকলো বিলাক কমিটিৰ চেয়াৰমেন আৰু সদস্য সকলৰ মাজত ভাগ বতৰা কৰি লোৱাত সেই অঞ্চলবোৰৰ কোনো উন্নতি পৰিলক্ষিত হোৱা নাই।

খোৱা পানীৰ ক্ষেত্ৰত মই কব খোজো যে তামোলপুৰৰ উত্তৰ অঞ্চলত এশ-ডেৰশ ফুট খান্দিলেও পানী পোৱা নাযায়। যোৱা ৩০ বছৰত এইবোৰ অঞ্চলত খোৱা পানীৰ কোনো ব্যৱস্থা কংগ্ৰেছ চৰকাৰে নকৰিলে। সেই দৰে চাপাগুৰি, বৰমা আদি অঞ্চলত অনেক পিচপৰা জনজাতীয় লোক আৰু পিচপৰা সম্প্ৰদায়ৰ মানুহ আছে। সেই বুলিয়েই নেকি সেই বিলাক অঞ্চলৰ উন্নতিৰ কাৰণে, খোৱা পানীৰ কাৰণে আৰু নানান উন্নয়ণৰ কাৰণে একো ব্যৱস্থা নললে। শিক্ষাৰ ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰে যি নীতি ললে সেই নীতি আছিল ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিত। সেই কাৰণে কলেজ হাইস্কুল আদিত যি লোক সমিতিৰ জৰিয়তে গৰ্ভনীং বডি, মেনেজিং কমিটি আদি পাতি দিলে সেই কমিতি কোনো দিনে কলেজ, স্কুলত জৰিত নথকা লোকৰ দ্বাৰা পৰিপূৰ্ণ আছিল। শিক্ষাৰ মানদণ্ডত এক বিশৃংখলাৰহে সৃষ্টি হৈছিল। শিক্ষাৰ মানদণ্ড কমি গৈছে।

Mr. SPEAKER—Order, order. How long the Hon'ble member will take ?

Shri PADAM BAHADUR CHOUHAN—Another 5 minutes Sir.

Mr. SPEAKER—You will continue after lunch. The House stands adjourned till 2-30 P.M.

**শ্ৰীপদম বাহাদুৰ চৌহান** ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই নতুন চৰকাৰে জলসিঞ্চনৰ যি নীতি গ্ৰহণ কৰিছে, তাক সম্পূৰ্ণৰূপে কামত খটাব পাৰে তেতিয়া আমাৰ জলসিঞ্চন সম্পৰ্কে যি অসুবিধা হৈ আছে সি বহু পৰিমাণে লাঘব হব বুলি মই ভাবো। বিগত কংগ্ৰেছ চৰকাৰে যি বিলাক জলসিঞ্চন আঁচনি লৈছে সেই বিলাক ডাঙৰ প্ৰকল্পই হওঁক বা ক্ষুদ্ৰ জলসিঞ্চন আঁচনিয়েই হওঁক, তাত বহুতো খুটি নাটি ৰৈ গৈছে, কিয়নো যি অঞ্চলত আঁচনি কৰা হৈছে সেই আঁচনিৰ বিষয়ে দুখীয়া খেতিয়ক ৰাইজে একো গম পোৱা নাছিল আনকি কোন পিনে আঁচনি কৰা হৈছে, কিমান মাটি তাৰ দ্বাৰা উপকৃত হব আৰু কাৰ কিমান মাটি অধিগ্ৰহণ কৰিব সেই বিষয়ে সংলিপ্ত ৰাইজে একো ভু পোৱা নাছিল। কৰ্ত্তৃপক্ষই খেতিয়ক ৰাইজৰ কোনো সহানুভুতি পোৱা নাছিল আৰু সেই সম্পৰ্কে জনগণৰ পৰা আবেদন নিবেদন আমাৰ ওচৰলৈ আহিছে। গতিকে সেতিয়া আঁচনি লোৱা হয়, সেই আঁচনি কত লোৱা হব তাৰ ওচৰে পাজৰে থকা ৰাইজৰ মতামতৰ সাপেক্ষে এনে ধৰণৰ আঁচনিবোৰ লব লাগে। মই বৰ্ত্তমান নতুন চৰকাৰৰ দৃষ্টি এই কথালৈ আকৰ্ষণ কৰিলো।

বৰ্ত্তমানে শিক্ষা বিষয়ত দশম শ্ৰেণীলৈ মাচুল ৰেহাই দিয়াৰ কথা কোৱা হৈছে। আৰু গাঁৱৰ এল, পি স্কুল বিলাক পাৰ্য্যমানে উন্নত কৰা আৰু যিবিলাক গাঁৱত এল, পি স্কুল নাই সেই বিলাকত নতুনকৈ স্কুল দিয়াৰ ব্যৱস্থা অগ্ৰাধিকাৰ দিয়া হব বুলিও কোৱা হৈছে। এই খিনিতে মই কও যে আগৰ কংগ্ৰেছ চৰকাৰে বহুতো প্ৰতিশ্ৰুতি ৰাইজক দি সেই আশ্বাস বিলাক কামত ৰূপায়িত কৰিব নোৱাৰিলে, নতুন চৰকাৰেও প্ৰতিশ্ৰুতি দিয়া কাম বিলাক কামত ৰূপায়িত কৰিব নোৱাৰিলে আগৰ চৰকাৰৰ যি শোচনীয় অৱস্থা হল তেনে এটা অৱস্থাতে পৰিণত হব বুলি মই ভাবো। উদাহৰণত মই কও যে, বিগত কংগ্ৰেছ চৰকাৰে ১৯৭৭ চনৰ আগষ্ট মাহত নতুনকৈ কিছুমান হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ অনুমতি দি আগৰ হাইস্কুল বিলাকত সেই পৰ্য্যয়লৈ ৰূপান্তৰিত কৰিছিল, প্ৰথমতে ২৩ খন হাইয়াৰ চেকেণ্ডাৰী স্কুললৈ ৰূপান্তৰ কৰা হৈছিল, কিন্তু যি কেইখন হাইস্কুল হাইয়াৰ চেকেণ্ডাৰীলৈ ৰূপান্তৰ কৰা হ'ল তাৰো উচ্চ দুটা চেকচন চৰকাৰীকৰণ কৰা নহল। চৰকাৰে যিটো ব্যৱস্থা কৰিছিল, সেই মতে একাদশ আৰু দ্বাদশ শ্ৰেণী ভেনচাৰ কৰিয়েই ৰখা হ'ল। ইয়াত বোধকৰো কংগ্ৰেছ চৰকাৰৰ এটা ৰাজনৈতিক উদ্দেশ্য আছে। তেওঁলোকে ভাবিছিল, যে নিৰ্ব্বাচনৰ আগে আগে যদি এই ৩০, ৪০ খন হাইয়াৰ চেকেণ্ডাৰী স্কুল কৰি তাত উচ্চ শিক্ষিত নিবনুৱা সমুৱাই দিব পাৰে তেতিয়া কংগ্ৰেছৰ ভোট যোগাৰ কৰাত সুবিধা হব। নিবনুৱা সমস্যা সমাধানৰ কাৰণে যদি হাইয়াৰ চেকেণ্ডাৰী স্কুলবোৰ কৰা হলহেতেন তেন্তে সেই স্কুল বিলাকত অকল আৰ্টৰ শ্ৰেণী নুখুলি বিজ্ঞানৰ শ্ৰেণীও খোলা হলহেতেন। গতিকে মই নতুন চৰকাৰক অনুৰোধ কৰিছো, যাতে এই বেমেজালি বিলাক দূৰ কৰি সেই বিলাকৰ সুব্যৱস্থা কৰে আৰু যিবিলাক নতুন স্কুল চৰকাৰী কৰণ কৰিছে তাত যিবিলাক খেলি মেলি হৈছে, সেই বিলাক দূৰ কৰে। বিশেষকৈ নতুন হাইয়াৰ চেকেণ্ডাৰী স্কুল বিলাকৰ ওচৰে পাজৰে যিবিলাক এম, ই আৰু হাইস্কুল আছিলে আৰু যিবিলাক এতিয়ালৈকে এম, ই স্কুল, হাইস্কুল এমালগিমেচন কৰা হোৱা নাই সেই বিলাক কাম সুসম্পন্ন কৰা হয়।

মোৰ পূৰ্ব্ববৰ্ত্তী মাননীয় সদস্য সকলে এটা কথা উল্লেখ কৰিছে যে, যি বিলাক স্কুল চৰকাৰীকৰণ কৰা হৈছে তাৰ ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ দৰ্মহাৰ ব্যৱস্থা চৰকাৰে কৰা নাছিল। তেওঁলোকৰো দৰ্ম্মহাৰ সুব্যৱস্থা কৰিবলৈ মই নতুন চৰকাৰক আবেদন কৰিলো।

বৰ্ত্তমানে কোৱা হৈছে যে ১০ বিঘালৈকে মাটিৰ খাজনা ৰেহাই দিয়া হব, এইটো এটা প্ৰশংসনীয় ব্যৱস্থা হৈছে। কিন্তু ইয়াতে এটা আসোঁৱাহ উঠিছে যে সকলো মানুহৰ ১০ বিঘাকৈ মাটি নাই আৰু সেই বিলাকে এই সুবিধাৰ পৰা বঞ্চিত হব। এই বিষয়েও চৰকাৰে সুচিন্তিত ভাবে ব্যৱস্থা কৰিব লাগে। কিন্তু যি কাম চৰকাৰে কৰিব নোৱাৰে

সেই কাম কৰিম বুলি প্ৰতিশ্ৰুতি দি কংগ্ৰেছ চৰকাৰৰ নিৰ্বাচনাকৈ ভুৱা দিয়া কথাটো ঠিক নহব। গতিকে যি খিনি ৰেহাই দিয়াৰ কথা কোৱা হৈছে সেইটো সম্পূৰ্ণ কৰি যি সকলৰ কম মাটি আছে পাৰ্য্যমাণে তেওঁলোকক কিবা এটা সুব্যৱস্থা নতুন চৰকাৰে কৰিব বুলি মই আশা ৰাখিলো। তাৰ পিচত আমাৰ তামোলপুৰ অঞ্চলত এটা বৰ বেয়া ব্যৱস্থা আছে। সেই অঞ্চলটো ট্ৰাইবেল বেল্ট বুলি অভিহিত কৰা হৈছে আৰু আগৰে পৰা কিছুমান অনাট্ৰাইবেল মানুহে মাটিবাৰী লৈ বসবাস কৰি আছে। যোৱা ৩০ বছৰে সাধাৰণ নিৰ্বাচনৰ আগতে এচ, ডি, অ বা এচ, ডি, চি অফিচৰ পৰা জাননী দিয়ে যে আপোনালোকৰ পট্টা কিয় কেন্সেল কৰা নহব জনাব লাগে। এইটো অকল ইলেকচনত কংগ্ৰেছে সেই লোকসকলৰ পৰা ভোট আদায় কৰাৰ ব্যৱস্থা আছিল। মই নতুন চৰকাৰক অনুৰোধ জনাওঁ যে এনে ধৰণৰ ভয় নেদেখুৱাই যিবিলাক ট্ৰাইবেল বেল্ট আৰু বলকত মাটি থকা অনা ট্ৰাইবেল আছে তেওঁলোকৰ মাটিৰ এটা চিৰস্থায়ী ব্যৱস্থা কৰি দিব লাগে। তাৰ কাৰণে মই চৰকাৰক আহবান জনাইছো। মোৰ কবলৈ আৰু বহুতো আছিল কিন্তু সময়ৰ অভাৱত কব নোৱাৰিলো। যি হওক মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যিটো ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰিছো আৰু ৰাইজক দিয়া প্ৰতিশ্ৰুতি বিলাক চৰকাৰে যাতে পালন কৰে তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**শ্ৰীজীৱন বৰা:**—মাননীয় অধ্যক্ষ মহোদয়, জয় জয়তে মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মাই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি আস্থাসূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱ মই সমৰ্থন কৰিছো। অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱ আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত বিৰোধী পক্ষৰ নানা ধৰণৰ সমালোচনা আগবঢ়াইছে। এই সন্দৰ্ভত প্ৰথম যিটো সমালোচনা আগবঢ়াইছে সেইটো হৈছে ৰাজ্যপালৰ ভাষণত বিশেষ একো ডাঙৰ প্ৰতিশ্ৰুতি নাই। আৰু এই কাৰণেই মই ৰাজ্যপালৰ ভাষণ খন ভাল বুলি বিশ্বাস কৰিছো আৰু সমৰ্থন কৰো আৰু এই প্ৰস্তাৱটো সমৰ্থন কৰিব লাগে বুলি ভাবিছো। কিয়নো ৰাজ্যপালৰ ভাষণত এটা কথাই নাই যিটো কথা যোৱা ৩০ বছৰে দেখি আহিছো। সেইটো হৈছে কিছুমান ভুৱা প্ৰতিশ্ৰুতি। ভুৱা প্ৰতিশ্ৰুতি দি এখন বৃহত ভাষণ প্ৰস্তুত কৰাতকৈ কেইটামান বিশেষ কথাৰে যি ভাষণ আগবঢ়াইছে, কেইটামান বিশেষ কথাৰ ওপৰত গুৰুত্ব দি যিখন ভাষণ দাঙি ধৰিছে সেই ভাষণ খন সমৰ্থন যোগ্য আৰু গ্ৰহণযোগ্য। যোৱা বছৰ বিলাকত আমি দেখি আহিছো যে ৰাজনৈতিক স্বাৰ্থ পূৰণৰ কাৰণে নানা ধৰণৰ প্ৰতিজ্ঞা কৰি আহিছে, ৰাজনৈতিক স্বাৰ্থ পূৰণৰ কাৰণে বিভিন্ন অঞ্চল পিচপেলাই থৈ দিছে, ৰাজনৈতিক উদ্দেশ্য পূৰণৰ কাৰণে বিভিন্ন সমস্যা সমূহ নতুনকৈ সৃষ্টি কৰিছে। মই যি তেজপুৰৰ পৰা আহিছো ইয়াৰ জিলা দৰং অতিকৈ পিচপৰা আৰু সদায় অৱহেলিত। এই অঞ্চলত যিবিলাক ঘটনা ঘটে সেইবিলাকো আনকি শুদ্ধ ভাৱে ৰাইজৰ আগত দাঙি ধৰা নহয়। সাক্ষী স্বৰূপে যোৱা বছৰ যি প্ৰলয়ংকাৰী বানপানী হ'ল সেই বানপানীত অসমৰ বিভিন্ন ঠাইৰ লগতে দৰং জিলাৰো বিভিন্ন অঞ্চল ক্ষতিগ্ৰস্ত হ'ল। সেইবিলাক কথা শুদ্ধ ভাৱে দাঙি নধৰিলে। মঙ্গলদৈৰ, ছিপাঝাৰ, তেজপুৰৰ বৰচলা, ভোমোৰাগুৰি, চিৰোৱানী, মকুৱা আদি অঞ্চলত যি বিপত্তি হৈছিল সেইবিলাক ভালদৰে দাঙি ধৰা নহল। আগৰ চৰকাৰে এইবিলাক ঠাই অৱহেলা কৰিলে। মোৰ অনুৰোধ এতিয়া জনতা চৰকাৰে যাতে এইবিলাক ঠাইৰ প্ৰতি চকু দিয়ে। এই অঞ্চলৰ ৰাইজৰ উন্নয়নৰ কাৰণে ব্ৰহ্মপুত্ৰ দলং হোৱাৰ কথা চলিয়ে আছে বুলিহে জনাইছে। কিন্তু কিছুমান কামত যে ইতিমধ্যে আগবাঢ়িছে সেই সম্পৰ্কত সাৰ্থক ভাৱে দাঙি ধৰা হোৱা নাই। ইয়াত কোৱা হৈছে ব্ৰহ্মপুত্ৰৰ ওপৰত শিলঘাট, যোগীঘোপা আৰু ডিব্ৰুগড়ত তিনি খন দলং নিৰ্ম্মাণ কৰা হব, গুৱাহাটীৰ পৰা তিনিচুকীয়া লৈকে ব্ৰডগজ লাইন সম্প্ৰসাৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ টানি অনুৰোধ জনাইছে। শিলঘাটত দলঙৰ কাম কিছু যে আগবাঢ়িছে এইবিলাক কথা সদনত দাঙি ধৰা উচিত আছিল। সেইকাৰণে মই নতুন চৰকাৰক অনুৰোধ কৰিছো বাকী কাম খিনি অতি সোনকালে সমাধা কৰাৰ কাৰণে যেন যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে।

মই এতিয়া শিক্ষা সম্পৰ্কত কবলৈ বিচাৰিছো । শিক্ষাৰ ক্ষেত্ৰত তলৰ পৰা আৰম্ভ কৰিব লাগে অৰ্থাৎ প্ৰাথমিক স্কুলৰ পৰা আৰম্ভ কৰিব লাগে । আগতে যেতিয়া আমি শিক্ষাৰ ক্ষেত্ৰত কিবা কথালৈ চৰকাৰৰ ওচৰলৈ আহিছিলো তেতিয়া তেখেত সকলে কৈছিল যে প্ৰাথমিক স্কুলত আমি বেছি মনোযোগ দিম । হাইস্কুলৰ সম্পৰ্কত আহিলে কয় যে প্ৰাথমিক স্কুলত গুৰুত্ব দিম আৰু কলেজৰ ক্ষেত্ৰত আহিলেও কয় যে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিম । আজি ৰাজ্যপালৰ ভাষণত এইটো কোৱা কৈছে যে প্ৰত্যেক গাঁওতে একোখন প্ৰাথমিক স্কুল হব । কিন্তু এই ক্ষেত্ৰতো যি সকলে আপত্তি দৰ্শাই তেওঁলোকৰ যুক্তি বুজি পোৱা নাই । ঘৰ স্থাপনৰ প্ৰতিশ্ৰুতিটো সকলোৱে সমৰ্থন কৰা উচিত । প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাত যি দাবী আহিছে এই কাৰ্য্য হব তাৰ প্ৰথম পদক্ষেপ । আজি দেখা গৈছে গাঁওৰ যিবিলাক লৰা-ছোৱালী পঢ়িবলৈ যায় সেই স্কুল বিলাকৰ অৱস্থা অতি শোচনীয় । শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই এটা কথা কৈ গৈছে যে ৰাজ আলিৰ কাষত থকা স্কুল বিলাকৰ অৱস্থা ভাল আৰু ভিতৰুৱা অঞ্চলত থকা স্কুল বিলাকৰ অৱস্থা অতি বেয়া । কিন্তু এই কথা সকলোতে প্ৰযোজ্য নহয় । ৰাস্তাৰ কাষতে দুমুনী চকিত যি খন স্কুল আছে সেই খনত তলৰ ফালে নাই । নিৰ্ব্বাচনৰ সময়ত ঘূৰোতে মই বহুত স্কুল দেখিছো যে সেই বিলাকৰ তলৰ ফালে নাই, ওপৰৰ ফালৰ পৰা বাৰিষা বৰষুণ পৰে লৰা-ছোৱালী বৰষুণত তিতিব লাগে । আনকি বৰষুণত বহা ধাৰি মুৰত লোৱাৰ কথাও শুনিবলৈ পাইছো । মোৰ সমষ্টিৰ কৰৈয়নি, নেপালী আৰু বৰুৱা চুবুৰীত যি স্কুল আছে সেই স্কুল খনৰ অৱস্থা অতি দুখ লগা । বৰষুণ দিলে লৰা-ছোৱালীৰ অৱস্থা তথৈবচ হয় । দৰ্মহাৰ কাৰণে শিক্ষক সকলে ২০।২৫ তাৰিখেই বিল দিয়ে কিন্তু অফিচৰ কেৰাণীয়ে নানা ধৰণৰ আসোৱাহ উলিয়াই পিচৰ মাহৰ ১০।১৫ তাৰিখলৈকে সেই বিলাক বিলৰ দৰ্মহা নিদিয়ে । এই শিক্ষক সকলে এনে ধৰণেই অসুবিধা ভোগ কৰি আহিব-লগীয়া হৈছে । মই জনতা চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যেন এই শিক্ষক সকলে আগৰ দৰেই অসুবিধা ভোগ কৰি থাকিবলগীয়া নহয় তাৰ ব্যৱস্থা কৰে । এম ভি স্কুল বিলাকত যি বিলাক চকিদাৰ আছে সেই চকিদাৰ বিলাকক মাহে ৮০ টকাকৈ দৰ্মহা দিয়ে । আজি ৮০ টকাৰ কিমান মূল্য আছে ? ১৯৭৩ চনতে মাহে ১০ টকাকৈ বঢ়াই দিয়াৰ কথা কৈছিল যদিও আজিও সেই কাম কৰা নহল । হাইস্কুলৰ ক্ষেত্ৰত দেখা গৈছে যে প্ৰভিন-চিয়েলাইজ কৰি চাকৰিৰ খিনি উন্নত কৰা হ'ল যদিও বাকী অসুবিধা বোৰ দূৰ কৰা নহল । সেই বিলাকত এডিচনেল চেকচন খুলিবলগীয়া হলে তাৰ কাৰণে ঘৰৰ এক্সটেন-চনৰ ব্যৱস্থা নাই, এডিচনেল শিক্ষকৰ ব্যৱস্থা নাই । এই বিলাক খেলিমেলিৰ কাৰণে হাইস্কুল বিলাকত বহুত বিলাক ধনৰ অপচয় হ'ল । এখন হায়াৰ চেকেণ্ডাৰী স্কুলত ৩ জন লৰাক পঢ়াবলৈ ৩ জনৰ অধিক শিক্ষক দৰ্মহা দি ৰাখিছে । মই কব বিচাৰিছো যে যদি হায়াৰ চেকেণ্ডাৰী কৰিব বিচাৰিছে প্ৰত্যেকখন হাইস্কুলকে হায়াৰ চেকেণ্ডাৰী নকৰি একোটা অঞ্চলত এখন হায়াৰ চেকেণ্ডাৰী স্কুল ৰাখিব লাগে । আগৰ চৰকাৰে যি বিলাক অপচয় কৰিলে সেই বিলাক এই চৰকাৰে বন্ধ কৰিব লাগে । কাৰীকৰী শিক্ষাৰ ক্ষেত্ৰটো সেই দৰে খেলিমেলি আছে । কলেজৰ শিক্ষক সকলক বিশ্ববিদ্যালয় গ্ৰাণ্ট কমিচনে যি নিৰিখত দৰ্মহা দিছিল সেই মতে দৰ্মহা দিয়া হোৱা নাই । শিক্ষক সকলে বিশ্ববিদ্যালয় আয়োগে দিয়া মতে দৰ্মহা বিচাৰি পৰীক্ষাত ডিউটি নিদিলে । পৰীক্ষাত ডিউটি দিয়া নিদিয়াতো শিক্ষক সকলৰ নিজা কথা । তাৰ কাৰণে শিক্ষক সকলক ইমান অত্যাচাৰ কৰা হ'ল । শ্ৰীৰমনী বৰ্মণৰ ৫ বজাত দেউতাক মৰিছিল ১২ বজাত জেলৰ পৰা পঠাই আকৌ ৫ বজাত তিতা কাপোৰেৰে তেখেতক জেইললৈ লৈ গৈছিল । আমি ঘৰত থাকিব নোৱাৰি পলাই ফুৰিছিলো । মণ্ডল কানানগুৰ হতোৱাই পৰীক্ষা লোৱা হ'ল । পৰিক্ষাত নকল কৰিবলৈ দিয়া হ'ল । এই বিলাকৰ দ্বাৰা যে শিক্ষাৰ মান দণ্ড কিমান তললৈ নমাই দিয়া হ'ল সেই কথা চৰকাৰে উপলব্ধি নকৰিলে । পৰীক্ষাত নকল কৰাতো যে বেয়া কথা নহয় ভাল কথা এই কথা বুজাই দিলে । বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো এনেধৰণৰ আসোৱাহ আছে । বিশ্ববিদ্যালয়ৰ এগ্ৰিকালচাৰবোটানি এটা বিষয় দিছে কিন্তু কলেজ বিলাকত এই বিষয়টো খোলা নাই ।

অধ্যক্ষ মহোদয়, যেতিয়া বিশ্ববিদ্যালয়ত এটা বিষয় থাকে আৰু সেই বিষয়টোৰ ওপৰত যেতিয়া লৰা ছোৱালীয়ে পঢ়ি পাছ কৰি বহি থাকিব লগা হয়, সেই বিষয়টো খৰালিবলৈ দিব লাগে। কাৰণ ইয়াৰ লগত যি সকলে পঢ়িছে, সেই সকলৰ আৰু সমাজৰ তথা চৰকাৰী ধনৰ কথা জৰিত হৈ আছে। ৰাইজৰ ধনৰ কথাও জৰিত হৈ আছে। গতিকে মই আশা কৰো প্ৰাইমেৰী শিক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে শিক্ষাৰ গাঠনি পৰিবৰ্ত্তন কৰিবলৈ মই আপোনাৰ জৰীয়তে মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ কৰিছো। বৰ্ত্তমান আমাৰ ইয়াত যিটো শিক্ষাৰ গাঠনি চলি আহিছে, ইয়াত কিমান খিনি অসুবিধা হৈ আছে, কিমান খিনি আমি ভাল কৰিব পাৰিছো বা পাৰিম, সেই বিষয়ে অনুসন্ধান কৰিবলৈ সৰ্ব্ব সম্মতি ক্ৰমে এখন কমিচন পাতি দিব লাগে। প্ৰাইমেৰী স্কুলৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে শিক্ষাৰ ক্ষেত্ৰত সকলো তথ্য পাতি চাই অসুবিধা সমূহ দূৰ কৰিবৰ কাৰণে চেষ্টা কৰিব আৰু সকলো খতিয়ান চৰকাৰে দাঙি ধৰিব।

আজি শিক্ষা অনুষ্ঠানৰ বিলাকত যিবিলাক মেনেজিং কমিটি বা গভৰ্ণিং বদি আছে, তাত 'ইদুকেচনেল এক্সপাৰ্ট' বুলি একোজন সদস্য থাকে। আগৰ চৰকাৰে লোক সমিটিৰ জৰিয়তে কোনো বিচাৰৰ ক্ষেত্ৰত শিক্ষাৰ লগত জড়িত নোহোৱা একোজন লোকক এই নামত সদস্য কৰা হৈছে। গতিকে শিক্ষাৰ ক্ষেত্ৰত এই খেলি মেলি বিলাক দূৰ কৰিব লাগে। আৰু গোটেই শিক্ষা ব্যৱস্থাটো সু-পৰি কল্পিত ভাবে যাতে আগবঢ়াই নিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। শেষত এই শিক্ষা ব্যৱস্থাৰ প্ৰতি চকু দিবলৈ পুনৰ অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰিছো।

**শ্ৰীদীপক ভট্টাচাৰ্য্য** :—মাননীয় অধ্যক্ষ মহোদয়, আমি প্রথমে রাজ্যপালের ভাষণে শিক্ষার ক্ষেত্রে বিনা মাশুলে মেট্রিক আদি পড়াশুনা করার সুযোগ এবং প্রতিটি গ্রামে স্কুল খোলার ব্যবস্থা করার যে উল্লেখ করেছেন সেজন্য ধন্যবাদ জানাচ্ছি।

অধ্যক্ষ মহোদয়, বৃটিশ সাম্রাজ্যবাদ আমাদের দেশের সম্পদকে লুন্ঠন করে নিয়ে যাওয়ার জন্য যে শিক্ষা ব্যবস্থার প্রচলন আমাদের দেশে করেছিল এবং তাদের স্বার্থরক্ষার জন্য মুষ্টিমেয় কিছু লোককে উচ্চ শিক্ষাও কিছু লোককে কেরাণী তৈরী করার জন্য শিক্ষা ব্যবস্থা চালু করে গিয়েছিল, সেই শিক্ষা ব্যবস্থার কোন পরিবর্ত্তন বিগত ৩১ বছরের কংগ্রেছী রাজত্বে হয়নি। কংগ্রেছীরাগণ শিক্ষার নামে শিক্ষা সংকোচন নীতি চলিয়ে এসেছিল। যারফলে আজি পৃথিবীর মোট নিরক্ষর লোক সংখ্যার অর্দ্ধেক ভারতে সৃষ্টি করেছে এই কংগ্রেস পার্টি।

অধ্যক্ষ মহোদয়, আমি একথা বলতে চাই যে, শিক্ষার ক্ষেত্রে মেট্রিক অবধি বিনা মাশুলে পড়ার ব্যবস্থা করার সঙ্গে সঙ্গে যেন বিনা মূল্যে পাঠ্যপুস্তক বিতরণের ব্যবস্থা সরকার করেণ এবং শিক্ষাকে যেন বাধ্যতামূলক করা হয়। একথা অন্যান্য অনেকেও বলেছেন। কিন্ত, কেবল আইন পাশ করে নিরক্ষরতা দূর করা যাবে না। কারণ, আমাদেরে এই নিরক্ষরতার কারণ নির্ন্ময় করতে এর গভীরে যেতে হবে। এর অন্যতম কারণ হলো, আমাদের দেশের শতকরা ৭০ ভাগ লোক দরিদ্রসীমা রেখার নীচে এবং গ্রামে যারা ক্ষেত্র মজুর, ফেরিওয়ালা, রিক্সাচালক ইত্যাদি লোক আছে তারা ইচ্ছা থাকা সত্বেও ছেলেদের স্কুলে দিতে পারেণ। কারণ, তারা মনে করে স্কুলে পড়াশুনার জন্য ছেলেমেয়েরে দিয়ে সময় নষ্ট করার চাইতে দুটো খড়কুটো যোগাড় করতে পাঠালে বা কারো বাড়ীতে কাজ করিয়ে দুটো টাকা রোজগার করতে পারলে অন্ন সংস্থানের আংশিক সমস্যার সমাধান হবে। সুতরাং ঐসব গরীব শ্রেণীর লোকেদের ছেলেদের যদি ঐ আয়ের অনুপাতে স্কুলে যাওয়ার জন্য কিছু অর্থ সাহায্যের ব্যবস্থা সরকারের তরফ থেকে করা যায় তাহলে তাদের শিক্ষার দিকে কিছু উৎসাহ দেওয়া যেতে পারে এবং শিক্ষার দিকে তাদের আকর্ষণ করা যেতে পারে। মহোদয়, আজ আমাদের শিক্ষার ক্ষেত্রে অনউসরতা দূর করার জন্য

নতুন করে ভাবতে হবে, সমস্যার গভীর যেতে হবে। সেজন্য আমি বলতে চাই যে কংগ্রেস পার্টি বিগত ৩১ বছরে বৈজ্ঞানিক দেশপ্রেমী শিক্ষা চালু করতে চায়নি এবং তারা যে শিক্ষা ব্যবস্থা চালু করেছিল সেই শিক্ষায় শিশুকে শেখানো হয়েছিল যে, —

'লেখাপড়া করে যে
গাড়ী ঘোড়া চড়ে সে।'

অর্থাৎ ছোটবেলা থেকেই বাচ্চা ছেলেদেরে শুধু নিজেদের সুখ সুবিধার দিকে নজর দিতে শিক্ষা দেয়া হয়েছিল। দেশ প্রেমের শিক্ষা দেওয়া হয়নি। সুতরাং আজ আমাদেরে দেখতে হবে যেন এই মানসিকতা নিয়ে শিশুরা শিক্ষিত না হয়ে উঠে। নতুন জনতা সরকার যদি শিশুদের শিক্ষা দেন যে —

'লেখা পড়া করে যে
দেশ গঠণ করে সে।'

তাহলে সমাজের জন্য দেশের জন্য সেবা করার একটা মানসিক প্রস্তুতি শিশুমনে গড়ে উঠবে। সেজন্য জনতা সরকারের নিকট আমারা আবেদন জানাই ওরা যেন শিক্ষা ব্যবস্থায় একটা আমূল পরিবর্তন এনে দেন। বৈজ্ঞানিক ও দেশপ্রেমীক শিক্ষা ব্যবস্থা আমাদের দেশে চালু করতে হবে। সে শিক্ষাই মানুষকে প্রকৃত মানুষ তৈরী করবে। মহোদয়, সেজন্য আমি বলতে চাই যে শিক্ষার ক্ষেত্র একটা কমিশন বসানো দরকার যার ফলে আমরা একটি সুপরিকল্পিত শিক্ষা ব্যবস্থা যেন চালু অবস্থায় দেখতে পাই।

মহোদয়, শিক্ষার ক্ষেত্রে নানা ধরণের দুর্নীতি চলছে। কংগ্রেছী আমলে আমরা লক্ষ্য করেছি যে ৩—৪ হাজার টাকা ঘুষ দিলে পাঠশালা স্কুলের মাণ্টারীর একটা চাকুরী দেওয়া হয়েছে। এ কারণেই তো হাইলাকান্দি সমষ্টিতে ইন্দিরা কংগ্রেস প্রার্থী, রেডডী কংগ্রেস প্রার্থীর জামানত এবারের ইলেকশানে বাজেয়াপ্ত হয়েছে। কারণ এরাইতো চাকুরী দেবার নামে দুর্নীতি করেছিল। শিক্ষা বিভাগের প্রতিটি রন্ধে রন্ধে এরা দুর্নীতি বিস্তার করেছিল। এই পত্রিকায়ও একটা খবর বেড়িয়েছে যে স্কুলের আসবাব পত্র কেনার টাকার শ্রাদ্ধ সেখানে হয়েছে। এই রকম দুর্নীতি কংগ্রেস গত ৩০ বৎসর ধরে করে এসেছে। সুতরাং দুর্নীতি মুক্ত না করতে পারলে শিক্ষার ক্ষেত্রে আমাদের দেশের অবস্থা অন্ধকারেই থাকবে জনতা পার্টি শিক্ষার ক্ষেত্রে যে ব্যবস্থা বর্ত্তমানে নিয়েছে এতে কিছু লোক নিঃসন্দেহে পড়াশুনা করার সুযোগ পাবে। কংগ্রেস পার্টি এটা সহ্য করতে পারছে না। তার প্রমান কংগ্রেস পার্টির মাননীয় সদস্য শ্রীমুকুট শর্ম্মা মহাশয় বলেছেন এটা ঠিক পদক্ষেপ হয়নি। অত্যন্ত স্বাভাবিক কারণেই তারা ভয় পেয়েগেছেন যে জনগণ শিক্ষিত হয়েগেলে তো তারা শোষক-পুঁজিতিদের স্বার্থ কায়েম রাখতে পারবেন না। মানুষ শিক্ষিত হলে তো তাদেরে আর ঠকানো যাবে না। যাইহোক জনতা সরকার শিক্ষা ক্ষেত্রে এই নতুন পদক্ষেপ গ্রহণ করার জন্য নিশ্চয়ই অভিনন্দন পাওয়ার যোগ্য।

মহোদয় কাগজে বেরিয়েছে যে হাইলাকান্দি ইন্দ্রকুমারী গালর্স হাইস্কুলে ৭বৎসর যাবৎ একজন শিক্ষিকা বেতন পাচ্ছে না। আমি শিক্ষা মন্ত্রী মহোদয়ের নিকট অনুরোধ করব তিনি যেন এসব দিকে বিশেষ নজর দেন। তাছাড়া সমগ্র আসাম রাজ্য যেগুলো ভেনচার এম, ভি, বা অন্যান্য স্কুল আছে, সেইসব স্কুলের মাণ্টারগণ নিজেদের উদ্যোগে স্কুল গড়েছেন এবং বহুবছর কাজ করতে করতে তাদের চাকুরীর বয়স চলে গিয়েছে এবং অন্যত্র সরকারী চাকুরী তাদের পক্ষে পাওয়া সম্ভব নয়। এক্ষেত্রে এইসব স্কুল গুলিকে অনতি বিলম্বে যেন মঞ্জুরী দেওয়ার ব্যবস্থা করা হয়। তাছাড়া হাইলাকান্দিতে ডি, আই, অফ্ স্কুলের অফিসের গাফিলাতির জন্য অনেক ছাত্রছাত্রী স্কলারশিপ পরীক্ষার খবর পায়নি, ফলে পরীক্ষাতে পর্যন্ত ওরা বসতে সমর্থ হয়নি। আশাকরি ওরা যাতে পরীক্ষা দিতে পারে সেদিকে সরকার নজর দেবেন এবং প্রয়োজনীয় ব্যবস্থা গ্রহণ করবেন।

মহোদয়, কৃষি ব্যবস্হা বৈজ্ঞানিক পদ্ধতিতে হওয়া উচিত বলে অনেকেই বলেছেন, কিন্তু কৃষির উন্নতি করতে হলে সার, সেচ ইত্যাদি চালু করলেই শুধু কৃষি উৎপাদন বাড়বেনা। সর্বোপরি কৃষি শ্রমিকদের ন্যূনতম মজুরী নির্দ্ধারণ করে তা দেওয়ার ব্যবস্হা করতে হবে। কংগ্রেসী আমলে গ্রামে গ্রামে যে ব্যাপক হারে ক্ষেত মজুরের দুর্দশা সৃষ্টি হয়েছে তা সত্যিই ভীতিজনক। এইসব কৃষি শ্রমিক মাঠে কাজ করে অল্প মূল্যে মাত্র একটাকা দেড় টাকায় শ্রম বিক্রি করতে বাধ্য হয়। এই ব্যবস্হার অবসান করতে হবে এবং এইসব লোককে দৈনিক আঠ টাকা হারে ন্যূনতম মজুরী দেওয়ার ব্যবস্হা বাধ্যতামূলক করতে হবে। আমি বিশ্বাস করি জনতা সরকার এই ব্যবস্হার প্রবর্ত্তন করবেন।

মহোদয়, ইতিমধ্যে কংগ্রেস আমলে যে সব কর্মচারীদেরে ছাটাই করা হয়েছে তাদের যে পুনর্বহাল করা হয় সেই অনুরোধ আমি জনতা সরকারকে করছি। আজিও আমি একটা টেলিগ্রাম পেয়েছি যে হাইলাকান্দিতে ই, এন্ড, ডি অফিসের কিছু কর্মচারীকে ছাটাই করা হয়েছে। আমি জনতা সরকারকে অনুরোধ করছি গরীব কর্মচারীদের মুখের গ্রাস কেড়েনেবেন না। অতি শীঘ্র ওদের চাকুরী ফিরিয়ে দিন, এই আমাদের দাবী।।

(ভয়েস্ ঃ এটা কোন সরকারের সময় ?)

আশা করি সরকার এই ছাটাই বন্ধ করবে। মহোদয়, এছাড়া কংগ্রেছী আমলে কাটলিছড়া, ঘোড়ামারা প্রভৃতি অঞ্চলে যে সময়ত কৃষকদের জমি থেকে উচ্ছেদ করা হয়েছিল তাদির জমি ফিরিয়ে দেওয়ার অনুরোধ আমি জনতা সরকারের কাছে করছি। তাছাড়া পান্ডুতেও জমি থেকে উচ্ছেদের কথা শুনেছি তার দিকেও জনতা সরকার যেন দৃষ্টি যেন। তাছাড়া আসাম পেট্রো ক্যামিকেলস্ এইন্ডাষ্ট্রিয়েল সিকিউরিটি ব্যুরো তে কর্মীগণ কাজ করেণ ওরা দৈনিক ১৬ ঘন্টা কাজ করে মাসে মুজুরী পায় ১২০ টাকা। কিন্তু ঠিকাদারগণ বিল করে ৯ হাজার টাকার এই ৯ হাজার টাকা থেকে মাত্র ৪ হাজার টাকা শ্রমিকদের মধ্যে মজুরী হিসেবে দেওয়া হয় এবং বাকী ৫ হাজার টাকা ঠিকাদার ও অন্যানারা নাকি লুঠ করে। এবং কথায় ছাটাই এব হুমকি দেওয়া হয়। সুতবাং জনতা সরকারের নিকট আমি এবিষয়ে দৃষ্টি আকর্ষণ করছি যেন এইসব শ্রমিকদের পারমেনেন্ট করা হয় যার ফলে এইসব ঠিকাদার যেন তাদের শোষণ করতে না পরে।

মহোদয়, হাইলাকান্দি তথা কাছার জেলায় যে সব সমস্যা আছে জনতা সরকারকে সেদিকে দৃষ্টি দিতে অনুরোধ করি। রাজ্যপালের ভাষনে বলা হয়েছে যে সীমান্ত হয়েছে যি সীমান্ত আছে। কিন্তু, কেবল গোলাবর্ষণ না হলেই যে সীমান্ত শান্ত আছে একথা ভবার কোন যুক্তিসঙ্গত কারণ নাই। উদাহরণ স্বরূপে করিমগঞ্জ এবং বদরপুর এলাকায় মৎস্যজীবিরা অপর সীমান্তের গোলমালের জন্য মৎস্য শিকার করতে কাশিয়ারা নদীতে যেতে পারেছে না এবং ফলে অনাহারে দিন কাটচ্ছে। আশাকরি জনতা সরকার এদিকে বিশেষ দৃষ্টি দিবেন ।

(সময় সংকেত্)

মহোদয়, কাছার জেলায় কাগজের কল অবিলম্বে চালু করার জন্যে দৃষ্টি দিতে আমি জনতা সরকারকে অনুরোধ করছি। তাছারা যোগাযোগ ব্যবস্হার দিকেও যেন সরকার বিশেষ নজর দেন । বিশেষ করে হাইলাকান্দিতেতো শোচনীয় যোগাযোগ ব্যবস্হা বিরাজ করছে। সাতবাং সেখনে রেল এবং সড়ক যোগাযোগের উন্নতির দিকে জনতা সরকারের দৃষ্টি আকর্ষণ করছি ।

মহোদয়, হাইলাকান্দিতে কুটীর শিল্প গুলি বিশেষ করে তাঁত শিল্প ধংসের মুখ্যোমুখি হয়েছে। সরকার থেকে তারা কোন সুযোগ সুবিধা পায় না। একুট সরকারী সাহায্য পেলে এই তাঁত শিল্প বহু সমস্যার সমাধান করতে পাবে। সুতারাং এদিকে একুট নজর দিবেন এবং একটি সরকারী এম্পরিয়াম সেখানে খোলার ব্যবস্থা করবেন বলে আমি বিশ্বাস করি। এই বলে আমার বক্তব্য শেষ করছি।

শ্ৰীকমল চন্দ্ৰ বসুমতাৰী ঃ—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে তাত সমৰ্থন দিছো। জনতা চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ লগে লগে যি কেইটা দৃঢ় পদক্ষেপ লৈছে সেই ক্ষেএত মই কব খোজো যে অসমৰ ৰাইজে স্বাধীনতা লাভ কৰাৰ পিচত যিমান আশা-আকাংশা কৰি আছিল সেই আশা-আকাংশা ৰূপায়িত কৰিবৰ বাবে ই এটা নিশ্চয় দৃঢ় পদক্ষেপ। সেইকাৰণে মই কব খুজিছো যে আৱম্ভণীটো যেতিয়া ভাল নিস্চয় কষ্ট ভোগ কৰি থকা ৰাইজে পৰিত্ৰাণ পাব। ভূমি ৰাজহৰ ক্ষেত্ৰত ১০ বিঘা মাটি পৰ্য্যন্ত খাজনা ৰেহাই দিয়াৰ ঘোষণা কৰা হৈছে আৰু লগতে দশম মান শ্ৰেণীলৈ মাছুল মাফ দিয়া হৈছে আৰু হাস্পাতালত লোৱা .২৫ পইচা ৰেহাই দিছে, এইবিলাক সচাকৈ শলাগিবলগীয়া। গতিকে মই এইটো বলিষ্ঠ পদক্ষেপ লৈছে বুলি আখ্যা দিব বিচাৰো। 'যি মূলা বাঢ়ে দুপাততে চিন' বোলা কথাষাৰ আছে। আৰম্ভণীটো ভাল সুচাইছে। এইখিনি জনতা চৰকাৰে বলিষ্ঠ পদক্ষেপ লৈছে আৰু ৰাইজৰ যি কাম কৰিবলৈ ওলাইছে এইটো অতি ভাল কথা। কিন্তু ইয়াৰ আগতে কংগ্ৰেছ চৰকাৰে একো কাম কৰিব নোৱাৰিলে, সেই ক্ষেত্ৰত দুই এষাৰ কব লাগিব। অসমত বহুত সমস্যা আছে, এই সমস্যা বিলাকে ৰাইজক একেবাৰে গিলি পেলাইছে। ৰাইজে পৰিত্ৰাণ পাবৰ কাৰণে জনতা চৰকাৰে অহোপুৰুষাৰ্থ কৰিব লাগিব। অতি কম সময়ৰ ভিতৰত যে এই সমস্যা বিলাক সমাধান কৰিব পাৰিব এনে কথা নহয়। গতিকে জনতা চৰকাৰে যদি দৃঢ় ভাবে কাম কৰে তেন্তে আংশিক ভাবে হলেও ৰাইজে কষ্টৰ পৰা পৰিত্ৰাণ পাব, এইটো মই বিশ্বাস ৰাখিছো। যোৱা ত্ৰিশ বছৰ কালত শিক্ষাৰ ক্ষেত্ৰত হওঁক, কৃষিৰ ক্ষেত্ৰত হওঁক, খোৱা পানীৰ ক্ষেত্ৰত হওঁক, স্বাস্থ্যৰ ক্ষেত্ৰত হওঁক, এই সকলো বিলাক ক্ষেত্ৰত যে বৰ বিশেষ কাম হোৱা নাই সেই কথা মাননীয় সদস্য সকলে প্ৰকাশ কৰিছে। গাওঁবাসী ৰাইজ, কৃষক ৰাইজ আৰু পিচপৰা ৰাইজৰ ভালৰ কাৰণে জনতা চৰকাৰে বাস্তৱ কাৰ্য্য ব্যৱস্থা হাতত লব লাগিব যাতে ৰাইজৰ খোৱা পানী, চিকিৎসা, শিক্ষা এই সকলোবোৰ সমস্যাৰ ক্ষেত্ৰত আমোল পৰিবৰ্ত্তন হয় আৰু ৰাইজে অভাব অভিযোগৰ পৰা মুক্তি পায়।

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত দেখা গৈছে যে চাহ বাগান বিলাকত থকা স্কুল বিলাকত বিশেষকৈ প্ৰাইমাৰী স্কুল বিলাকত এজন মাথোন শিক্ষক থাকে, তেওঁ আকৌ স্কুলৰ ছাত্ৰ ছাত্ৰীক পাঠ দান কৰাৰ সলনি বাগানৰ কামহে বেছি কৰে। এই স্কুল বিলাক চৰকাৰে নিজৰ হাতলৈ আনিব লাগে। স্বাধীনতা লাভৰ আজি একত্ৰিশ বছৰৰ পিচতো চাহ বাগানৰ মজদুৰ সকলৰ মাজত শিক্ষিতৰ হাৰ শতকৰা দহ ভাগতকৈও কমহে হব।

খোৱা পানীৰ ক্ষেত্ৰত কওঁ যে মোৰ বৰচলা সমষ্টিত এনে কিছুমান ঠাই আছে য'ত খোৱা পানীৰ নিতান্তই অভাব। একমাইল দুইমাইল দূৰৰ পৰা খোৱা পানী কাঢ়িআই আনিব লাগে আৰু জুখি মাখি ব্যৱহাৰ কৰিব লাগে। ইয়াতকৈ দুখৰ কথা আৰু কি হব পাৰে। এই সমস্যাৰ আশু সমাধানৰ বাবে জনতা চৰকাৰক আহবান জনাইছো।

স্বাস্থ্যৰ ক্ষেত্ৰত হস্পিটালৰ সংখ্যা জনসংখ্যা অনুপাতে নিতান্তই কম হৈছে। যিওবা দুই এঠাইত হস্পিটাল আছে আমাৰ মাননীয় সদস্য কেইজনমানে উল্লেখ কৰাৰ দৰে কিছুমান ৰঙীণ পানীহে সেই হস্পিটালৰ পৰা বিতৰণ কৰা হয়। তাৰ দ্বাৰা ৰাইজৰ কোনো উপকাৰ সাধন হব নোৱাৰে। অলপ অসুখ-বিসুখ হলেই যাতে সাধাৰণ ৰাইজে

মৰিব লগীয়া নহয়, যাতে সাধাৰণ চিকিৎসা খিনিৰ পৰা বঞ্চিত নহয় তাৰ দিহা কৰাই হব লাগে জনতা চৰকাৰৰ প্ৰধান আৰু প্ৰথম লক্ষ্য। সেই খিনি সা-সুবিধা আগবঢ়াবলৈ মই জনতা চৰকাৰক আহবান জনাইছো।

ৰাস্তাৰ ক্ষেত্ৰত কওঁ যে মোৰ সমষ্টিত কেৱল ৰাষ্ট্ৰীয় পথৰ বাহিৰে আন পকা ৰাস্তা নাই। যি দুই এটা শিলগুটি আলি আছে সেই শিলগুটিৰ ৰাস্তা কেইটা ছয় বা আঠ মাইলৰ ঠাইত তিনি বা চাৰি মাইল কৰি আধৰুৱা কৰি ৰখা হৈছে ফলত ৰাইজৰ কোনো কামত অহা নাই। যানবাহন চলাব পৰা নাই। তাৰ প্ৰতি মই সংশ্লিষ্ট মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু ৰাইজৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য কৰি সমস্যা দুৰীকৰণ কৰাৰ কাৰণে বাস্তৱ দৃষ্টি ভঙ্গী লৈ কাম কৰিব বুলি আশা কৰিলো।

( সময়ৰ সংকেত )

অধ্যক্ষ মহোদয়, আৰু কেইটামান কথা কবলৈ বাকী আছে। ১৯৭৮-৭৯ চনৰ জনজাতীয় উপ-পৰিকল্পনাৰ কাৰণে ১০ কোটি টকা ধাৰ্য্য কৰা কাৰণে সুখী হৈছো। কিন্তু দুখৰ বিষয় যে তেজপুৰৰ মহকুমাৰ যাঠী হাজাৰ জনজাতীয় লোক থকা ঠাইতো কেৱল ৰাজনৈতিক কাৰণতে মাত্ৰ এটা জনজাতীয় উপ-পৰিকল্পনা হাতত লৈ বাকী অঞ্চলবোৰক এই উপ-পৰিকল্পনাৰ অন্তভূক্ত কৰা হোৱা নাই। এই বিষয়ত মই সংশ্লিষ্ট মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু আৱশ্যকীয় অন্তৰ্ভূক্তিৰ আশা কৰিলো।

অধ্যক্ষ মহোদয়, বিগত চৰকাৰৰ দিনত চিলিং আইন আধিয়াৰ আইন আদি নানান আইন প্ৰবৰ্ত্তন কৰা হৈছিল কিন্তু ইয়াৰ ফলত হোজা খেতিয়কৰ ভীষণ অসুবিধা হৈছে। কান্ধত নাঙল লৈ নাঙলৰ মুঠিত ধৰি জীৱিকা নিৰ্বাহ কৰা আইনৰ মেৰপাক নুবুজা সহজ সৰল লোকসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। এনেকুৱা উদাহৰণো আছে যে দেউতাকৰ মৃত্যুৰ পিচত দেউতাকৰ নামত থকা মাত্ৰ পঞ্চাশ বিঘা মাটিকেই বহু বছৰ ধৰি পাচজন পুতেকৰ নামত নামজাৰী কৰি উলিয়াই লব নোৱাৰা বা নজনা কাৰণেও চিলিং আইনৰ বলি হবলগীয়া হৈছে। অথচ পাচ জন ককাই ভাইৰ মাজত মাটি ভাগত পৰিব ১০ বিঘাকৈহে। আকৌ আধিয়াৰ আইনৰ ক্ষেত্ৰতো এনেকুৱা অৱস্থা হৈছে। আধিয়াৰ আইনৰ নামত খতিয়ান পোৱাৰ পিচত দুখীয়া খেতিয়কে পিচতহে মোকৰ্দ্দমা খেলিব লগীয়া হয়। আৰু এইটো দেখ দেখ কথা যে মোকৰ্দ্দমাত সদায়েই দুখীয়াৰ ভাল নহয়। ইয়াৰ ফলত মাটি আকৌ মাটিৰ মালিকলৈ গুচি যায়। মাজতে মিছামিছি টকা পইচা ভৰিবলগীয়া হয়। এনেবোৰ কাৰণেতেই ৰাইজ আগৰ চৰকাৰৰ দিনত নিৰাশ হৈ পৰিছে। জীয়াই থকাৰ ভৰষা নাই, বহুত আশা নাই, মানুহ হিচাবে বাচি থাকিবলৈ কোনো উৎসাহ উদ্দীপনা নাই। জনতা চৰকাৰে সি সকলৰ বহুত আশা দিব পাৰিব লাগিব। জীয়াই থকাৰ উৎসাহ যোগাব লাগিব আৰু সেই পৰিপ্ৰেক্ষিতত কাম কৰাৰ আঁচনি লব লাগিব।

অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত মানুহে মানুহ হিচাবে জীয়াই থকাৰ আশা হেৰুৱাই পেলাইছিল। মানবীয় মৰ্যদা দিয়া হোৱা নাছিল। মই আহবান জনাইছো নতুন জনতা চৰকাৰৰ দিনত মানুহক মানুহ হিচাবে জীয়াই থাকিবলৈ আশা সঞ্চাৰ কৰি মানুহক মানবীয় অধিকাৰ আৰু মৰ্য্যদা দান কৰিবলৈ কাম কৰাৰ কাৰণে আগুৱাই আহিব লাগিব। মানুহ মানুহ হিচাবে গণ্য হব লাগিব। মানুহৰ মাজত ভেদা ভেদ আঁতৰি যাব লাগিব। মানুহৰ মাজত মানুহৰ অধিকাৰ সাব্যস্ত হব বুলি আশা কৰিছো।

উদ্যোগৰ ক্ষেত্ৰত গ্ৰাম্য উদ্যোগ গঢ়ি তুলি তাৰ যোগেদি আমাৰ বাঢ়ি অহা নিবনুৱা সমস্যা দুৰীকৰণৰ বাবে আশাপ্ৰদ কাৰ্য্য ব্যৱস্থা হাতত লব লাগিব আৰু অনতিপলমে নিবনুৱা সমস্যা দূৰ কৰাৰ কাৰণে অহোপুৰুষাৰ্থ কৰিব লাগিব। মই আশা কৰো জনতা চৰকাৰে সকলো দিশতে উপযুক্ত ব্যৱস্থা হাতত লৈ কামৰ কাৰণে আগবাঢ়ি আহিব। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**শ্ৰীভুবনেশ্বৰ বৰ্ম্মন** ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰি যি ধন্যবাদসূচক প্ৰস্তাৱ মাননীয় সদস্য নগেন শৰ্ম্মা ডাঙৰীয়াই আনিছে সেই প্ৰস্তাৱ মই সৰ্ব্বান্তকৰণেৰে সমৰ্থন জনাইছো। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত দুটা ছবি স্পষ্ট হৈ উঠিছে আৰু আনফালে জনতাৰ মাজত ভাৰতবৰ্ষৰ নতুন জাগৰণ আৰু জনতা পাৰ্টিৰ হাতত যি শাসন ভাৰ অৰ্পণ কৰিলে আৰু অসমতো জনতা পাৰ্টিকো শাসনৰ ভাৰ দিলে। জনতা দলে শাসনৰ গাদীত বহিয়েই খেতিৰ মাটি ১০ বিঘালৈকে খাজনা ৰেহাই দিয়া আৰু দশম মান শ্ৰেণীলৈকে মাচুল ৰেহাই দিয়া বলিষ্ঠ আৰু জনকল্যাণমূলক পদক্ষেপ আৰু প্ৰতি খন গাঁৱতে একোখন প্ৰাইমাৰী স্কুল প্ৰতিস্থা কৰাৰ ঘোষণা কৰিলে, এই ঘোষণাৰ প্ৰতি মই মাননীয় মূখ্যমন্ত্ৰী তথা জনতা চৰকাৰক ওলগ জনাইছো।

অনুতাপৰ বিষয় যে যোৱা জৰুৰীকালীন অৱস্থাৰ সময়ত আমাৰ অসম খনত শিক্ষাৰ ক্ষেত্ৰত এটা বিৰাট অৰাজকতাৰ সৃষ্টি হৈছিল আৰু বিভ্ৰান্তকাৰী ব্যৱস্থাই মানুহক চিন্তিত কৰি তুলিছিল। ১৯৭৫ চনত প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলক চৰকাৰীকৰণ কৰি ৫৫ বছৰ বয়সতে শিক্ষক সকলক অৱসৰ দিলে কিন্তু অৱসৰ পোৱাৰ পিচতো আমাৰ শিক্ষক সকলে পেনশ্যন নাপালে আৰু গ্ৰেটিউটিও নাপালে। যি সকল শিক্ষকে আমাৰ দেশৰ নাগৰিক তথা নেতা গঢ়োতা আৰু দেশৰ ভৱিষ্যত গঢ়োতা, সেই সকল লোকে পেটৰ ভাত মুঠিৰ কাৰণে ঠায়ে ভিক্ষা মাগিব লগীয়া অৱস্থা হৈছে আৰু দুই এজন শিক্ষকৰ মৃত্যুও হৈছে। কংগ্ৰেছ চৰকাৰে ৰাজনৈতিক উদ্দেশ্য সিদ্ধি কৰাৰ কাৰণে লৰালৰিকৈ প্ৰাইমাৰী শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰিলে কিন্তু প্ৰকৃততে চৰকাৰী কৰণৰ ক্ষেত্ৰত তেওঁলোকে একো সুবিধা নাপালে, আনকি তেওঁলোকে 'প্ৰভিদেন্ট ফাণ্ডৰ' টকা খিনিও নাপালে। ১৯৭৭ চনৰ লোক সভাৰ নিৰ্ব্বাচনৰ কংগ্ৰেছ শাসনৰ একনায়কত্বৰ বিৰুদ্ধে বুদ্ধিজীৱি আৰু শিক্ষক সকলে মূৰ দাঙি উঠা দেখি আগন্তুক বিধান সভাৰ নিৰ্ব্বাচনত তেওঁলোকৰ মুখ বন্ধ কৰিবলৈ হাইস্কুলৰ শিক্ষক সকলক চৰকাৰীকৰণ কৰি চৰকাৰৰ হাতলৈ আনিলে। কিন্তু চৰকাৰীকৰণ কৰাৰ পিচতো আজিও সম্পূৰ্ণ মঞ্জুৰী সেই স্কুল বিলাকে পোৱা নাই, সেই স্কুল বিলাকত বহুতো শিক্ষক নাই আকৌ য'ত শিক্ষক ৭ জন আছে তাত ৪ জনৰ নাম নাই অথচ অইন ঠাইত শিক্ষক থাকে কিন্তু দৰ্ম্মহা তেওঁলোকে পোৱা নাই আৰু কিছুমানত যিমান লাগে তাত সিমান দিব পৰা নাই। আন হাতেদি শিক্ষক সকলক সমানুকৰণ ভাবে যি মতে দৰ্ম্মহা পাতি দিব লাগিছিল আৰু কনফাৰমেশ্যন ইত্যাদি যি মতে কৰিব লাগিছিল সেই মতে চিজিল ভাবে একো কামেই কৰিব পৰা নাই, কেউ ফালে কেৱল অৰাজকতা হৈছে। চৰকাৰীকৰণ কৰাৰ পাচতেই মেনেজিং কমিটিৰ কোনো ক্ষমতা নহল আৰু চৰকাৰৰ মনোনয়ন মতে মেনেজিং কমিটি গঠন হ'ল। মেনেজিং কমিটিৰ পাওৱাৰ ধ্বংস কৰিলে। স্কুল ঘৰ বিলাকৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিল, ঘৰ বিলাকৰ মেৰামতিৰ প্ৰতি কোনো যত্ন নোলোৱা হ'ল। যোৱা ধুমুহাত যিবিলাক স্কুল ঘৰ ভাঙিছিল সেই বিলাক তেনে অৱস্থাতে আছে, তাৰে স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুল ঘৰ এৰি নামঘৰত হয়তো কাৰোবাৰ ঘৰত, ক্লাবত স্কুল কৰিবলগীয়া হৈছে। উদাহৰণ স্বৰূপে বৰবাং বৰুৱাপাৰা স্কুল ভাঙি যোৱাত লৰাছোৱালীয়ে নামঘৰত পঢ়িবলগীয়া হৈছে আৰু বিধানকুছি এল-পি স্কুল ভাঙি যোৱাত গাঁওত কীৰ্ত্তন ঘৰত স্কুল চলি আছে। আজি কেইবছৰ হৈ গল তাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই, ছাত্ৰ সকল কিয় শিক্ষক সকলো বহিবলৈ চকী টেবুল নাই গতিকেই মই জনতা চৰকাৰক অনুৰোধ জনাইছোঁ যাতে এই সকলোবোৰ আসোঁৱাহ দূৰ কৰি অতি সোনকালে গাওঁ আৰু চহৰৰ স্কুলবোৰৰ বৈষম্য দূৰ কৰি শিক্ষাৰ এটা আমোল পৰিবৰ্ত্তন অনাত গুৰুত্ব দিয়ে আৰু ঘৰ-দুৱাৰ বিলাক উন্নিত কৰে। তাৰোপৰি এলিমেন্টাৰী ইদোকেশ্যন বোৰ্ড যিটো আছিল সেইটো পুনৰ গঠন কৰা হ'ল, ফলত তাত খামখিয়ালি বেচিহে হ'ল, জইন্ট ডিৰেক্তৰ আৰু এডিশ্যনেল ডিৰেক্তৰৰ কাৰ কি দায়িত্ব কোনে কি কাম কৰিব সেই বিষয়ে তেওঁলোকৰ কোনো পৰিস্কাৰ বুজা বুজি নাই। দি, আই অফিচ আৰু বোৰ্ড দুয়োটাই বেলেগ হ'ল। গতিকেই মই এটা পৰামৰ্শ ডাঙি

ধৰিব বিচাৰিছো, এলিমেন্টাৰী ইডোকেশ্যন, চেকেণ্ডাৰী আৰু হাইস্কুল এই তিনিটা বিভাগ খুলি প্ৰত্যেকতে একোজন এডিশ্যনেল ডি, পি, আই দি ওপৰত এজন ডি, পি, আই দিলে সকলো ফালৰ পৰাই সমন্বয় ৰক্ষা পাৰিব আৰু তেনে অৱস্থাত দায়িত্ব পালন কৰোতে কোনো খামখিয়ালি নহব বুলি মই ভাবো।

এতিয়া নতুন চৰকাৰে তলৰ ফালৰ পৰাই শিক্ষাত মনোযোগ দিয়াৰ কাৰণে আমি ভাল পাইছো। তাৰ পিছত আজি আমাৰ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰভাষা প্ৰচাৰ কৰাৰ কাৰণে অহিন্দী ভাষী স্থইত যিমান যনোযোগ দিব লাগিছিল সিমান মনোযোগ দিয়া হোৱা নাই। কেৱল ভলোণ্টাৰী অৰগেনাইজেশ্যনক কেইটামান গ্ৰাণ্ট দিলেই ৰাষ্ট্ৰ ভাষা প্ৰচাৰৰ দায়িত্ব পালন কৰা নহব। এতিয়া হিন্দী ভাষাৰ শিক্ষকৰ প্ৰশিক্ষনৰ কাৰণে দিফু আৰু উত্তৰ গুৱাহাটীত দুটা অনুষ্ঠান গঢ়ি উঠিছে কিন্তু সেয়েই যথেষ্ট নহয়।

(At this stage Mr. Speaker vacated the chair and the Chairman, Shri Altaf Hussain Majumder occupied the chair.)

অকল হিন্দী শিক্ষক তৈয়াৰ কৰায়েই এই শিক্ষানুষ্ঠান বিলাকৰ উদ্দেশ্য নহয়। এই শিক্ষানুষ্ঠান বিলাকৰ যোগেদি বিভিন্ন শিক্ষাও যাতে লব পৰা যায় যেনে কাৰীকৰী, তেনে আঁচনি লব লাগে। কলেজ বা হাইস্কুলতে যিবিলাক শিক্ষক লাগে তাৰ উপৰিও এই অনুষ্ঠানৰ যোগেদি ষ্টেনো আদি পাঠ্যক্ৰমৰ যোগেদি অসমৰ পৰা অহিন্দী ভাষী অনুষ্ঠান বিলাকলৈ যাতে এই লৰা বিলাক যাব পাৰে তাৰ কাৰণে সেই ধৰণৰ প্ৰশিক্ষণ আৰু সুদূৰপ্ৰসাৰী ব্যৱস্থা লবলৈ জনতা চৰকাৰক অনুৰোধ জনালো। হিন্দী শিক্ষক সকলৰ সমস্যাৰ বিষয়ে বহুদিনৰ পৰা কৈ আহিছো। এখন হিন্দী এডভাইচৰী কমিটি আছে। কিন্তু কাম ঠিক হোৱা নাই। বছৰত কেতিয়াবা এদিন বহে কেতিয়াবা নবহেও। এইযিটো এডভনইচৰী কমিটিৰ ৰিপৰ্ট ডি, পি, আইৰ পৰা যাব লাগে এইটো চেক্ৰেটাৰীলৈ পাওঁতে পাওঁতে কেতিয়াবা ৬ মাহলৈ সময় লাগে। গতিকে এই কমিটি খন বোৰ্ডলৈ ৰূপান্তৰিত কৰিব লাগে। ১৯৬৪ চনৰ পেকমিছনতে হিন্দী শিক্ষক সকলৰ কাৰণে দুটা গ্ৰিড কৰা হ'ল। এটা চিনিয়ৰ গ্ৰিড আৰু এটা জুনিয়ৰ গ্ৰিড। হিন্দীত যিটো প্ৰাৱঙ্গ অৰ্থাত গ্ৰিজুৱটৰ সমপৰ্য্যায়ৰ আৰু প্ৰবিন ইণ্টাৰমিডিয়েটৰ সমপৰ্য্যায়ৰতা দৰমহা দিয়াৰ কথাটো মই এম, এল, এ, হৈ থাকোতে অৰ্থাত ১৯৬৯ চনতে দিয়াৰ কথা হৈছিল। ১৯৬৯ চনত কিছুৰে পালে কিন্তু বাকী খিনি আজিলৈকে দিয়া হোয়া নাই। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে উক্ত শিক্ষক সকলে উচিত বিচাৰ পায়। (সময়ৰ সংকেত) সভাপতি মহোদয়, মই আৰু ৫ মিনিট সময় বিচাৰো। শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ আমাৰ জনতা পাৰ্টিয়ে ৰাইজক প্ৰতিশ্ৰুতি দি আহিছো যে সামাজিক ক্ষেত্ৰত বা চৰকাৰী পৰ্য্যায়ত যিবিলাক দুৰ্নীতি আছে সেই দুৰ্নীতি বিলাক আতৰাবলৈ আপ্ৰান চেষ্টা কৰিম। শিক্ষা বিভাগত যিবিলাক দুৰ্নীতি চলি আছে—সুৰ এটা কাম কৰিবলৈ হলেও কিবা এটা দিব লাগিব। ডি, আই, অফিচ ইন্সপেক্টৰ অফিচ এই বিলাকৰ দুৰ্নীতি বেছি। টকা-পইচাৰ লেন দেন হলে কাম সোনকালে হয়। আনকি এপইণ্টমেণ্ট, এপ্ৰোভেল আৰু কনফাৰমেচনৰ ক্ষেত্ৰতো শিক্ষক জনে নিজে নাহিলে কাম নহয়। এই দুৰ্নীতি বিলাক দূৰ কৰিবলৈ হলে কি কাৰণে ইমান দেৰি হৈছে বা হয় ইন্সপেক্তৰ বা ডি, আইৰ পৰা ৰিপৰ্ট বিচাৰিলে কামবোৰ সোনকালে হব। (সময়ৰ সংকেত) আমাৰ বৰপেটাৰ ডি, আই, অফিচত ডি, আইয়ে শিক্ষক কিছুমান এপইণ্টমেণ্ট দিছিল সেই কাম শিক্ষা বিভাগে নাজানে। তেওঁলোকক অনাৰেৰী নিযুক্তি দিয়া হৈছে। তেওঁলোকৰ কোনো দৰমাহা নাই। যিসকলে ডি, আইক গৈ লগ ধৰিব পাৰিছে তেওঁলোকৰ এপইণ্টমেণ্ট হৈছে আৰু যিসকলে যোৱা নাই তেওঁলোকৰ হোৱা নাই। যিসকলে পোৱা নাই তেওঁলোকে আমাৰ ওচৰলৈও আহিছে। কিন্তু আমিনো কি কম। যদি তেনে কোনো ব্যৱস্থাই নাই অতি সোনকালে এই নিযুক্তিবোৰ বাতিল কৰি দিব লাগে। তাৰ কাৰণে মই আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

সভাপতি মহোদয়, এই খিনি কৈয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক সৰ্বান্তঃকৰণে সমৰ্থন কৰিলো ।

**শ্ৰীইব্ৰাহিম আলী** ঃ—সভাপতি মহোদয়, সদনৰ মজিয়াত নৱাগত হিচাবে মোৰ ব্যক্তিগত অভিজ্ঞতাৰ কেইটামান কথা কোৱাৰ পিচত ৰাজ্যপালৰ ভাষণত অংশ গ্ৰহণ কৰিম । ছাত্ৰ অৱস্হাৰে পৰা বিশেষকৈ হৰতাল আদি জৰিত হৈ পুলিচৰ হাতত পৰিম বুলি কেতিয়াবা আতৰি থাকিব লগা হৈছিলো । সময়ৰ পৰিবৰ্ত্তনত কংগ্ৰেছৰ টিকেটত বিধান সভাৰ মজিয়াত আহি যি দেখিলো তাৰ পৰা হতাশ হৈছো । 'স্বাধীনতা লাভৰ ৩০ বছৰৰ ভিতৰত কংগ্ৰেছ দলে ভাৰতবৰ্ষক ৰাচিয়াৰ ওচৰত বিক্ৰি কৰি থৈ গৈছে' বুলি আমি শুনিছো । ছাত্ৰ অৱস্হাতে যি সকল গন্য মান্য ব্যক্তিক ট্ৰেজাৰী বেঞ্চত বহি থকা দেখিছিলো আজি আমি সেই সকলক ট্ৰেজাৰী বেঞ্চত নাপাম বুলি দৃঢ় বিশ্বাস আছিল । কংগ্ৰেছৰ পৰাজয়ৰ লগে লগে কংগ্ৰেছ মাইনৰিটি হোৱা স্বত্বেও সেই সকল লোককে ট্ৰেজাৰী বেঞ্চত দেখি হতাশ হৈছো । চাচপেন নোহোৱাকৈ কোনো ৰকমে বিশ্ববিদ্যালয়ৰ ডিগ্ৰি দুটা লৈ কলেজ এখনত প্ৰায় ১০ বছৰ আধ্যাপনাৰ কাম কৰিলো । মোৰ নিৰ্বাচনত যি সকল লোকে সহায় কৰিলে তেওঁলোকৰ ভিতৰত কংগ্ৰেছৰ ওপৰিও এচ, এফ, আই, আৰু জনতা কৰ্ম্মীও আছিল । দ্বিতীয়তে হতাশ হৈছো কংগ্ৰেছ আৰু জনতা দলৰ মাজৰ খাম-খেয়ালি খিনি দেখি । এটি ঘটনা মোৰ সমষ্টিৰ (বাগবৰত) এজন গাখীৰৰ বেপাৰীয়ে গাখীৰ বিক্ৰি কৰিব আনিছিল । ওচৰতে থকা মহাজন এজনে গাখীৰত পানী দিয়াৰ কাৰণে "সাৱধান তোৰ মা' মৰি গৈছে" এই বুলি গালি দিছিল । মানুহজনে গালি দিয়াৰ কাৰণ সুধিলে । কাৰণ বুজাব লগা হৈছিল — যে কংগ্ৰেছে ৩০ বছৰ ধৰি দেশ খন শাসন কৰিলে । এতিয়া দলৰ মাজত ভাগ বতোৱাৰ লৈ কাজিয়া লাগি পুৰণা খিনিয়ে উচ্চ আসন লাভ কৰিছে বা জনতা নাম লৈছে । অৰ্থাৎ মাক মৰিলেও বাপেক জীয়াই আছে । চিন্তা নাই । গতিকে অকল কংগ্ৰেছৰ দোষ ত্ৰুটিকেই সাৰথি কৰিলে নহব নতুন জনতা বা পুৰণা কংগ্ৰেছৰো দোষ আছে । কঠোৰ সমালোচনা কৰিবৰ সময় হোৱা নাই যদিও যি মূলা বাঢ়িব দুপাততে চিন । গাঁওবোৰত ইতিমধ্যে পোকে ধৰিলেই । জনতাৰ লক্ষ্য দৰিদ্ৰৰ প্ৰতি নহয়—ধনীৰ প্ৰতিহে । দ আৰু চৰ অঞ্চলত অসমৰ প্ৰায় ২২ লাখ জনসাধাৰণ বাস কৰে । কিন্তু এই লোক সকলৰ উন্নতিৰ আজিও কোনো সুস্হ ব্যৱস্হা কৰা হোৱা নাই । এতিয়াও ২৫ হাজাৰ ভূমিহীন গৃহহীন লোক বাঁঘৰৰ অঞ্চলত আছে । তেওঁলোকৰ নাগৰিকত্ব প্ৰমাণ এন, আৰ, চি চাৰ্টিফিকেট এখনৰ কাৰণে আজিও বৰপেটাৰ অফিচে অফিচে ঘূৰিব লগা হয় । ব্ৰহ্মপুত্ৰৰ চৰত থকা লোক সকলৰ নাগৰিকত্বৰ প্ৰমাণৰ কাৰণে এন, আৰ, চি, চাৰ্টিফিকেট নালাগে বুলি জনতা চৰকাৰে কলে সুখ পালোহেতেন । কিন্তু আশা নাই । ৩০ বছৰে কংগ্ৰেছ চৰকাৰে নকৰিলে তাৰে শাখা জনতা চৰকাৰেও কৰিব বুলি আশা দেখা নাই ।

অধ্যক্ষ মহোদয়, এই চৰ অঞ্চল বিলাকত গৰু মহ আৰু ভেৰা ছাগলী হাহ-কুকুৰা ফাৰ্ম আদি বিভিন্ন ধৰণৰ বিকল্প জীৱিকা মূলক আঁচনিৰ যোগেদি উপান্ত কৃষকক সহায় কৰিব পাৰে । চৰকাৰ পৰিবৰ্ত্তন হোৱাৰ লগে লগে আমি আশা ৰাখিছিলো কংগ্ৰেছৰ সময়ৰ বেয়া কাম খিনি বাদ দি ভাল খিনি গ্ৰহণ কৰি এই দৰিদ্ৰ মানুহ খিনিৰ হকে জনতা চৰকাৰে আঁচনি গ্ৰহণ কৰিব । কিন্তু ইয়াৰ কোনো লক্ষণ দেখা নাই । ভূমিহীন এই দৰিদ্ৰ মানুহ খিনিৰ কাৰণে জনতা চৰকাৰে যদি কিবা শুভ ইঙ্গিত দিলেহেতেন কংগ্ৰেছী সদস্য হিচাবে মই এই ভাষণৰ কাৰণে মোৰ হিয়া ভৰা ওলগ জনালোহেতেন ।

অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত এক মাইলো মটৰৰ ৰাস্তা নাই, ইয়াৰ বাবে কংগ্ৰেছী চৰকাৰেই দোষী,ময়ো সেই কথা কওঁ । কিন্তু প্ৰশ্ন হৈছে দোষ ত্ৰুটী দৰে কৰি এতিয়া জনতা চৰকাৰে মটৰৰ যাতায়াত নোহোৱা সমষ্টি বিলাকত কিমান মাইল মটৰ যোৱা ৰাস্তা কৰিব তাৰ যদি প্ৰতিশ্ৰুতিও পালোহেতেন তেন্তে সুখী হলোহোতেন । নিজৰ ঘৰখন উয়েঁ ধৰিলে তাক জুঁই লগাই দিয়াৰ যুক্তি নাহে, বৰং উইঁ উলিয়াই পেলোৱাহে চেষ্টা কৰা হয় ।

অধ্যক্ষ মহোদয়, অসম এখন বান প্লাৱিত দেশ। যাতায়তৰ শিতানত চৰ এলেকাৰ বাবে আমি আশা ৰাখিছিলো যে ইনলেণ্ড ওৱাটাৰ ট্ৰেনছপৰ্ট বিভাগৰ যোগেদি বলিষ্ঠ আঁচনি লব। বন্যা প্লাৱিত ঠাইত পি, ডবলিউ, ডি ৰাস্তা বিলাক আজিও হৈ নুঠিল। এই ক্ষেত্ৰত চাৰ্ভে হব বুলি এটা ইঙ্গিত পোৱাৰ আশা নাই। মই অনুৰোধ কৰিছো যি বিলাক অঞ্চলত পি, ডবলিউ, ডিৰ ৰাস্তা কৰিব নোৱাৰিলে সেই বিলাকত ইনলেণ্ড ওৱাটাৰ ট্ৰেন্সপটৰ যোগেদি যাতায়াত আৰু গাৰাপাৰৰ কাৰণে উপযুক্ত আঁচনি জনতাই লব। অধ্যক্ষ মহোদয় শেষৰ ফালে এটা কথা মই কব খুজিছো। চৰকাৰী পক্ষৰ বক্তৃতাত কোৱা হৈছে যে ১৯৭৬-৭৭ চনত খাদ্য ভাণ্ডাৰ, বৈদেশিক মুদ্ৰা ভাণ্ডাৰ, আদি সন্তোষ-জনক আছিল। কেন্দ্ৰত জনতা চৰকাৰ হোৱা এবছৰ পিচত এইবোৰ ক্ষেত্ৰত কিমান খিনি উন্নতি লাভ হ'ল তাৰ কোনো উল্লেখ নাই। সম্ভৱ ভাল হোৱা নাই যদিও বেয়া হৈছে। আমাৰ অনুৰোধ, কেনেকৈ ভাল কৰিব পাৰে তাৰ কাৰণে গঠণমূলক কামত আমাৰ সহ-যোগিতা বিচাৰিলে কংগ্ৰেছ সদস্য হিচাবে, আমি সহযোগ কৰিম। ধন্যবাদ

* শ্ৰীভবেন শইকীয়া ঃ—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মাই যি ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱ মই সমৰ্থন কৰিছো। আৰু সমৰ্থন কৰি কেইটামান কথা মই দৃষ্টিলৈ আনিব খুজিছো। এইটো কথা সচাঁ যে ৰাজ্যপালৰ ভাষণত বহুখিনি সন্নিবিষ্ট হব লগা কথা বাদ পৰি ৰৈছে। কিন্তু সেই খিনি হোৱা স্বত্বেও যি খিনি কথা ইয়াত সন্নিবিষ্ট হৈছে তাৰ ভিতৰত কেইটামান বিশেষ সাহসিকতাপূৰ্ণ কথা প্ৰকাশ পাইছে। প্ৰধানকৈ এটা কথা মই কব খুজিছো যে ১০ বিঘাৰ তলত থকা খেতিয়কৰ মাটিৰ খাজনা মাফ দিয়া হৈছে, এইটো এটা সাহসীকতাপূৰ্ণ পদক্ষেপ। কিন্তু হলেও তাৰ লগতে মই কেইটামান কথাৰ প্ৰতি জনতা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰয়োজনীয়তাবোধ কৰিছো। আমাৰ দেশখনৰ প্ৰধান সমস্যা হৈছে খাদ্য, শিক্ষা আৰু স্বাস্থ্য, এই কেইটা প্ৰধান সমস্যা। খাদ্য সমস্যাৰ কথা কবলৈ গৈ মই এটা কথা দেখিছো যে ৰাজ্যপালৰ ভাষণৰ ওপৰত বিৰোধী পক্ষৰ পৰা বিশেষকৈ কংগ্ৰেছ পক্ষৰ পৰা এটা কথা কৈছে যে উদ্যোগৰ ক্ষেত্ৰত কোনো স্পষ্ট ইঙ্গিত দিয়া হোৱা নাই। মই আচৰিত হৈছো যে এবাৰ আমাৰ সিংহ ডাঙৰীয়াই সিংহ গৰ্জনেৰেই সিদিনা তেখেতে কলে যে ৰাজ্যপালৰ ভাষণ খন নানা খুটি নাতিৰেই প্ৰস্তুত কৰা হৈছে, বিশেষকৈ ৰাজ্য পালৰ ভাষণত বিগত বছৰটোৰ কাৰ্য্যাৱলীৰ ওপৰতেই ঘাইকৈ প্ৰস্তুত হৈছে।

(গণ্ডগোল)

চেয়াৰমেন মহোদয়, আমাৰ বিৰোধী পক্ষৰ বন্ধু সকলে তেওঁলোকৰ গাত লগা দুই এটা কথা শুনিলেই অতিষ্ঠ হৈ পৰে। যোৱা ৩০ বছৰে তেওঁলোকে যি কু-শাসন চলাই শোষিত কৰিলে তাক বিৰোধী পক্ষই ৩০ বছৰ শুনি আহিছে। এতিয়া ৫ মিনিট ৭ মিনিট শুনাৰ তেওঁলোকৰ ধৈৰ্য্য নাই। এইটো বৰ দুৰ্ভাগ্যৰ কথা।

মূল্য বৃদ্ধিৰ সম্পৰ্কত কওঁ যে মূল্য বৃদ্ধি যদিও ৰোধ কৰিব পৰা নাই, তথাপি এইটো কথা কব লাগিব যে কংগ্ৰেছৰ ৩০ বছৰীয়া শাসনত যি দৰে মূল্য বাঢ়িছিল জনতা পাৰ্টিৰ চৰকাৰৰ হাতত খুব কমিও যোৱা নাই, এইটো পৰিস্কাৰ কথা। কিন্তু অত্যাধিক বাঢ়িও যোৱা নাই। এটা কথা পৰিস্কাৰ ভাবে চাব লাগিব যে খাদ্য দ্ৰব্যৰ মূল্য কমাবলৈ হলে উৎপাদনো বাঢ়িব লাগিব। এটা কথা স্পষ্টকৈ বুজিব লাগিল যে খাদ্য দ্ৰব্যৰ মূল্য কমাবলৈ হলে উৎপাদন বঢ়াব লাগিব। কিন্তু আজি জনতা চৰকাৰ গাদীলৈ অহা ১৫ দিনো হোৱা নাই গতিকে উৎপাদন বৃদ্ধি হোৱাৰ সময় আহিছে। যোৱা কংগ্ৰেছী চৰকাৰে কাগজে কলমেই খাদ্য শস্যৰ বৃদ্ধি কৰিলে। তেওঁলোকে পিচ দিয়া ৰাস্তাত মাইক লৈ উৎপাদন বৃদ্ধিৰ কথা কৈ ফুৰোতে লাখ লাখ টকা খৰচ কৰিলে। পৰিকল্পিত ভাবে কি শস্য কেনেকৈ উৎপাদন কৰিব লাগে সেই বিলাক সেই ভাবে নকৰাৰ কাৰণেই খাদ্য বস্তুৰ অনাটন ঘটিল।

*Speech not corrected

মাটি বিতৰণৰ ক্ষেত্ৰত তেওঁলোকে ৰাইজক কাগজতে পট্টা দিলে। কিন্তু বাস্তৱত খেতিয়কক মাটি দিয়া নহল। আৰু কিছুমান বনাঞ্চলত যি বিলাকত বনৰীয়া জন্তুয়ে শস্য নষ্ট কৰে সেই বিলাকৰ ৰাইজে আবেদন নিবেদন কৰা স্বত্বেও শস্য ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা নললে। মই উদাহৰণ স্বৰূপে কব বিচাৰিছো যে নগাও জিলাৰ চামগুৰি সমষ্টিৰ লাওখোৱা মৌজাত এটা বনাঞ্চল আছে। আৰু লাওখোৱা ৰিজাৰ্ভৰ কিছুমান বনৰীয়া মহে সেই অঞ্চলৰ খেতি নষ্ট কৰে। ৰাইজে বনৰীয়া মহৰ পৰা পৰিত্ৰান পাবলৈ বহু বছৰ ধৰি আবেদন কৰি আহিছিল। সেই অঞ্চলৰ ৰাইজে দুটা ব্যৱস্থা আগবঢ়াইছিল এটা হৈছে বনাঞ্চল বেৰা দি যাতে বনৰীয়া জন্তু আহি শস্য নষ্ট কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে নহলে সেই বনৰীয়া মহ জাক কাজিৰঙালৈ খেদাই দিব লাগে। সেই দুয়োটাৰ ভিতৰত এটা কৰিলেই এটা বিৰাট অঞ্চলৰ খেতি বনৰীয়া মহৰ পৰা ৰক্ষা পৰে। কিন্তু তাৰ কাৰণে চৰকাৰে কৰ্ণপাত কৰা দেখা নগল। আনহাতে যদি কৃষক সকলৰ অৱস্থাৰ উন্নতি কৰিব খুজিছে, খাদ্যৰ ক্ষেত্ৰত স্বাবলম্বী কৰিব খুজিছে তেতিয়া হলে কংগ্ৰেছ চৰকাৰে আগতে যি বিলাক ব্যৱস্থা গ্ৰহণ কৰিছিল সেই বিলাকৰ আমূল পৰিবৰ্ত্তন কৰিব লাগিব। আৰু প্ৰকৃত খেতিয়কৰ হাতত যাতে মাটি পৰে তাৰ ব্যৱস্থা জনতা চৰকাৰে অতি সোনকালে ক্ষীপ্ৰ গতিত ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। মই এই সম্পৰ্কত আন এটা কথা কব বিচাৰিছো যে কংগ্ৰেছী চৰকাৰে আগৰ বছৰ বিলাকত কি কৰিলে? হাজাৰ বিজাৰ কংগ্ৰেছী অখেতিয়কৰ নামত মাটি দিলে। তাৰ কাৰণে আমি আন্দোলন কৰিবলগীয়া হৈছিল। মই উদাহৰণ দি কব বিচাৰিছো যে মোৰামাৰীত কংগ্ৰেছী অখেতিয়কৰ নামত মাটি দিয়াৰ কাৰণে তাত সত্যাগ্ৰহ কৰিবলগীয়া হৈছিল। যি বিলাক খেতিয়কক মাটি দিছিল সেই বিলাককো উচ্ছেদ কৰিবলৈ ব্যৱস্থা কৰিছিল। বছৰৰ পিচত বছৰ খাই থকা মাটিও কংগ্ৰেছী চৰকাৰে খেতিয়কৰ নামত পট্টন নিদিলে। মই আশা কৰো জনতা চৰকাৰে যদি কৃষকৰ উন্নতি কৰিব বিচাৰে তেনেহলে যি বিলাক ব্যৱস্থা লোৱা দৰকাৰ সেই বিলাক অতি সোনকালে লোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু যি বিলাক মাটি খেতিয়কে বছৰৰ পিচত বছৰ ধৰি খাই আছে সেই বিলাকৰ ম্যাদি পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেত )

মোক দুই মিনিট সময় দিয়ক চাৰ।

যি বিলাক ই, এণ্ড দি বিভাগে নলা কৰিছে সেই বিলাক ৰাইজৰ উপকাৰত নাহি অপকাৰতহে আহিছে এই সম্পৰ্কত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। যি বিলাক নলা খাণ্ডে সেই বিলাক যাতে চৰকাৰী বিষয়াৰ ওপৰতে নিৰ্ভৰ নকৰি ৰাইজৰ মতামত লৈ উপকাৰৰ কাৰণে কৰে তাকে মই চৰকাৰৰ পৰা আশা কৰিছো।

শিক্ষাৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে ১০ম মান শ্ৰেণীলৈকে মাচুল মাফ দি চৰকাৰে প্ৰসংসনীক কাম কৰিলে। ইয়াৰ পৰা আমাৰ ৰাইজ উপকৃত হব তাত সন্দেহ নাই। এই সম্পৰ্কত মই চৰকাৰক অনুৰোধ কৰিছো যি বিলাক ভেনচাৰ স্কুল আছে ৰাইজে কষ্ট কৰি স্কুল পাতিছে সেই বিলাক স্কুলৰ ক্ষেত্ৰতো যাতে বিহিত ব্যৱস্থা লয় তাৰ কাৰণে জনতা চৰকাৰক অনুৰোধ জনাইছো। ইয়াকে কৈ মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীজয় চন্দ্ৰ নাগবংশী ঃ—মাননীয় অধ্যক্ষ মহোদয়, জয় জয়তে মই ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই আগবঢ়োৱা প্ৰস্তাৱটো আৰু শ্ৰীনগেন বৰুৱা দেৱৰ প্ৰস্তাৱটো সমৰ্থন কৰি এই ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতিবাদ জনাইছো। প্ৰতিবাদ জনাইছো এই কাৰণেই যে ৰাজ্যপালৰ ভাষণত আমি যি খিনি কথা আশা

কৰিছিলো তাৰ ইঙ্গিত ইয়াত নাই । এই কাৰণেই নাই বুলি কৈছো যে এই ভাষণত মূল্য বৃদ্ধিৰ দৰে বিৰাট সমস্যা সমাধানৰ দৰে প্ৰস্তাৱৰ কোনো স্পষ্ট ইঙ্গিত ইয়াত নাই । দ্বিতীয়তে জনতা চৰকাৰে ১০ বিঘালৈকে মাটিৰ খাজানা ৰেহাই দিছে, ১০ম মান শ্ৰেণীলৈকে স্কুলৰ ফিজ মাফ দিছে আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আউট ডোৰত দিবলগীয়া ২৫ পইচা মাচুল ৰেহাই দিছে । ইয়াৰ কাৰণে মই জনতা চৰকাৰক অভিনন্দন জনাইছো । এই খিনিতে মই এটা কথা কব বিচাৰিছো যে ১০ম মান শ্ৰেণীলৈকে ফিজ মাফ দিছে, ভাল কৰিছে, কিন্তু প্ৰাথমিক স্কুলৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে এই বিষয়ে ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই । আমি জানো যে প্ৰাথমিক স্কুলতে শিক্ষাৰ মানদণ্ড নিৰোপিত হয় । এই প্ৰাথমিক শিক্ষাক উৎসাহিত কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? কি ভাবে প্ৰাথমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিব তাৰ কোনো ইঙ্গিত নাই । আমি জানো গাৱলীয়া অঞ্চলত যি বিলাক স্কুল আছে সেই স্কুললৈ গাৱৰ খেতিয়কে, মজদুৰে লৰা ছোৱালী স্কুললৈ পঠাব নোৱাৰে । কাৰণ স্কুললৈ যাবলৈ হলে কাপোৰ কানি লাগে, কিতাপ পত্ৰ লাগে । এই বিলাক বস্তু গাৱলীয়া খেতিয়কে লৰা ছোৱালীক দি বহুত সময়ত স্কুললৈ পঠাব নোৱাৰে। কিন্তু বৰ্ত্তমান জনতা চৰকাৰে এই বিলাক সমস্যা সমাধান নকৰি ১০ম মানলৈকে ফিজ মাফ দিছে । মই আৰু এটা কথা কব বিচাৰিছো যে কিছুমান স্কুল চৰকাৰীকৰণ কৰিলে । এই স্কুল বিলাকৰ শিক্ষক সকলৰহে চৰকাৰীকৰণ কৰা হল । কিন্তু স্কুলৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে কোনো ব্যৱস্হা কৰা নহল ।

চেয়াৰমেন মহোদয়, এতিয়া আমাৰ সমস্যা হৈছে যে, দশম মানলৈ সকলো ছাত্ৰ ছাত্ৰীয়ে ফিজ মাফ পাব লাগে । মেনেজিং কমিটি যে নিযুক্তি দিয়া যিবিলাক শিক্ষক আছে সেই স্কুল বিলাকত সেই শিক্ষক সকল ফিজৰ পৰাই চলি আছে । এতিয়া প্ৰশ্ন হল তেওঁলোকৰ অৱস্হা কি হব ? চাহ বাগানৰ এল, পি, স্কুল বিলাকৰ শিক্ষাৰ কোনো ইংগিতেই ৰাজ্যপালৰ ভাষণত নাই । আমাৰ মাননীয় সদস্য ৰনেন বসুমতাৰী ডাঙৰীয়াই বাগিছাৰ স্কুল সমূহৰ সম্পৰ্কে কৈছে । মই এই বিষয়ে একমত । এই খিনিতে আৰু এটা সমস্যা হল যে, স্কুল বিলাক চৰকাৰী কৰণ কৰিব লাগে কিন্তু শিৱসাগৰ আৰু কাচাৰ জিলাৰ স্কুল সমূহ চৰকাৰীকৰণ কৰা হল, আৰু চৰকাৰী কৰণ কৰাৰ ফলত কোম্পানী বিলাকে বাগিছাত থকা স্কুল বিলাকৰ প্ৰতি কানষাৰ এৰিবলে । স্কুল ঘৰ মেৰামতি কৰা আৰু শিক্ষকৰ অন্যান্য সা-সুবিধা বিলাকো কোম্পানীয়ে কৰ্ত্তন কৰিছে । গতিকে মই এই নতুন জনতা চৰকাৰক পৰামৰ্শ আগবঢ়াব খোজো যে, এই স্কুল বিলাক পৰিদৰ্শন কৰাৰ পিচতহে চৰকাৰে ব্যৱস্হা লব লাগে । আৰু শিক্ষকৰ বেতন, থকা ঘৰ আৰু স্কুল ঘৰৰ মেৰামতি আদিৰ সকলো কাম কোম্পানীয়ে বহন কৰিব লাগে । চৰকাৰে মাথো পৰিদৰ্শন কৰাৰ ব্যৱস্হাহে কৰিব লাগে । ইয়াৰোপৰি কিছুমান বাগিছাত শিক্ষক সকলে এবেলা স্কুলত কাম কৰি আনবেলা পাৰ্ট টাইম অফিচত হওক বা কল ঘৰতেই হওক কাম কৰিব লাগে । ইয়াৰ বাবে সেই স্কুলত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ ছাত্ৰী সকলে যথেষ্ট অসুবিধা ভোগ কৰিব লগা হয় । আমাৰ চাহ বাগিছাৰ যিবিলাক ছাত্ৰ ছাত্ৰী সেই অঞ্চল বিলাকত বহুতো সা-সুবিধাৰ পৰা বঞ্চিত কৰি দিয়া হৈছে । আনহাতে যি সকল ছাত্ৰ ছাত্ৰীয়ে বি এ বা আন পৰীক্ষা পাছ কৰে সেই বিলাকে পাছ কৰাৰ পিচত কতো নিযুক্তি নাপায় । আন হাতে এম্পলইমেণ্ট এক্সচেঞ্জত বাগিছাৰ লৰা ছোৱালীয়ে নাম ভৰ্ত্তি কৰাৰ পিচতো চাকৰিৰ ক্ষেত্ৰত কল নাপায় । গতিকে এই বিলাকৰ প্ৰতি যাতে চৰকাৰে সু দৃষ্টি দিয়ে তাৰ বাবে মই জনতা চৰকাৰক অনুৰোধ কৰো । ইয়াৰোপৰি মই আৰু এটা অনুৰোধ কৰো যে যি বিলাক শিক্ষিত যুৱক যুৱতী বাগান অঞ্চলত আছে, সেই সকলক যাতে চাকৰিত নিযুক্তি দিয়ে তাৰ বাবে মই জনতা চৰকাৰক অনুৰোধ কৰিলো ।আৰু বাগিছাত যিবিলাক শিক্ষিত ছাত্ৰ ছাত্ৰী আছে তেওঁলোকৰ চাকৰী আৰু বিভিন্ন সমস্যাৰ সু-ব্যৱস্হা কৰিবৰ কাৰণে বা অন্যান্য বিভিন্ন সমস্যা সমাধান কৰিবৰ কাৰণেই অসম চৰকাৰৰ শিক্ষা মন্ত্ৰনালয়ত এটা 'চেপাৰেট কল' খোলাৰ ব্যৱস্হা গ্ৰহণ কৰিব লাগে । এই বিষয়ে আগতেও যথেষ্ট কোৱা হৈছে ।

( সময়ৰ সংকেত )

চেয়াৰমেন মহোদয়, মোক আৰু ৫ মিনিট সময় দিয়ক ।

মাননীয় অধ্যক্ষ :—আন আন সদস্যইও কব লাগে । তেওঁলোকে নহলে কবলৈ সময় নাপাব ।

**শ্ৰীজয়চন্দ্ৰ নাগবংশী** :—চেয়াৰমেন মহোদয়, আমাৰ এম, ভি আৰু এম, ই স্কুলত যি বিলাকত যি সকল চাকিদাৰ নিয়োগ কৰা হৈছে, তেওঁলোকেও নানা সমস্যাৰ সন্মখীন হব লগা হৈছে । কিয়নো তেওঁলোকে গোটেই মাহটো কাম কৰাৰ পিচত মাহে ৫০।৬০ টকাহে দৰমহা পায় । সেই তাকৰীয়া টকাৰেই তেওঁলোকে এটা পৰিয়াল পোহপাল দিব লগা হয় । গতিকে চৰকাৰে শিক্ষা বিভাগে এই বিষয়ে এটা পূৰ্ণ পৰ্য্যায়ৰ ব্যৱস্থা কৰিব লাগে । যাতে যি সকল দুখীয়া চাকৰিয়াল আছে তেওঁলোকৰ পৰিয়াল সমূহৰ পোহপালৰ কাৰণে অন্ততঃ এটা ভাল বেতন পোৱাৰ ব্যৱস্থা হয় । এই খিনিতে আৰু এটা কথা কওঁ যে, বৰ্ত্তমান বাগিছা বিলাকতো নিবনুৱা সমস্যাই দেখা দিছে । গতিকে মই এইখিনিতে এটা পৰামৰ্শ আগবঢ়াব বিচাৰো যে বাগিছা অঞ্চল সমূহত কাৰপেনটাৰি, ব্লেকস্মিথ, টেইলৰিং আদিৰ ট্ৰেইনিং ব্যৱস্থা কৰিব লাগে । আৰু তাত থকা যুৱক যুৱতী সকলক সেই বিষয়ৰ ট্ৰেইনিং দিব লাগে যাতে নিজে নিজৰ ওপৰত নিৰ্ভৰ কৰি স্বাৱলম্বী হৈ চলিব পাৰে । মোক আৰু অলপ কবৰ বাবে সময় লাগিছিল । কাৰণ ৰাইজৰ বা বাৰ্তাৰ লৈ আহি বা মোৰ সমষ্টিৰ কথা এই ৫।৬ মিনিটতে কৈ আদায় কৰিব নোৱাৰি । গতিকে মই এই খিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো ।

* **শ্ৰীযোগেন গগৈ** :—মাননীয় সভাপতি মহোদয়, ৰাজ্যপালে দাঙিধৰা ভাষণৰ ওপৰত কমিউনিষ্ট পাৰ্টিৰ সদস্য আৰু দলৰ নেতা প্ৰমোদ গগৈয়ে যি সংশোধনী প্ৰস্তাৱ আগবঢ়াইছিল তাক মই সমৰ্থণ কৰিছো । মই কব খোজো যে, ৰাজ্যপালৰ ভাষণত দুখীয়া কৃষক, দুখীয়া শ্ৰমিক জনসাধাৰণ আৰু মেহনতকাৰী জনসাধাৰণৰ ক্ষেত্ৰত অন্তঃ সাৰশূণ্য । এই লোক সকলৰ বিষয়ে তেখেতৰ ভাষণত কোনো কথাৰে ইংগিত নাই । গ্ৰাম্য জীৱনৰ বিকাশ, মেহনতকাৰী সকলৰ দুখ মোচন উৎপাদনৰ লগত জৰীত লোকৰ হাত দুখনৰ লগত সম্পৰ্ক, স্হানীয় সম্পদ ৰাজিৰ ব্যৱস্হাৰ আৰু নিস্ক্ৰয়, স্বীয় শ্ৰম শক্তিৰ সংযোগৰ যোগে নতুন সৃষ্টিৰ আহবান ভাষণত নাই ।

সভাপতি মহোদয়, মই থাওৱা সমষ্টিৰ পৰা বান বিধস্ত শ্ৰমজীৱি লোকৰ দুখৰ হৃদুনিয়াহ বাকিবলৈ বিধান সভালৈ আহিছো । গত বছৰৰ প্ৰচন্দ বানপানীত বকতাৰ ওচৰত নঙলামৰাত এজন নৱম শ্ৰেণীৰ ছাত্ৰ আৰু কৃষ্ণ বিহাৰী চাহ বাগানত এগৰাকী শ্ৰমিক কমলা মিৰি ৭ মাহিয়া গৰ্ভলৈ মৃত্যু হয় । স্বামী লগতে থাকিও উদ্ধাৰ কৰিব নোৱাৰিলে । বাগানত বেছি সময়খটুৱাই বানপানীত এৰি দি মৃত্যু ঘটালে । চৰকাৰে তদন্ত কৰি ক্ষতি পূৰণ দিয়াৰ ব্যৱস্হা কৰিব লাগে । এইটো অতি দুখৰ কথা যে, এনে পৰিস্হিতি হোৱাৰ পিচতো এই বিলাক কথা ৰাজ্যপালৰ ভাষণত নাই । শিৱসাগৰ মহকুমাত বানপানী হোৱাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই ।

সভাপতি মহোদয়, আমি জানো যে, আমাৰ দেশৰ ৰাইজ শতকৰা ৯১ ভাগ গাঁৱত বাস কৰে আৰু শতকৰা ৮০ ভাগেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে । কৃষি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল । গতিকে কৃষিৰ সৰ্ববাংগীন উন্নতি কৰিবলৈ হলে কৃষিৰ ক্ষেত্ৰত আমাৰ কৰিব লগা কাম বহুতো আছে ।

সভাপতি মহোদয়, গতিকে আমাৰ ভূমি সংস্কাৰৰ অতি প্ৰয়োজন হৈ পৰিছে গতিকে আমাৰ নতুন জনতা চৰকাৰে যাতে কংগ্ৰেছ চৰকাৰৰ দৰে দুৰ্বল নহৈ কাম কৰি যাব পাৰে তাৰ কাৰণে মই অনুৰোধ কৰিলো ।

*Speech not corrected

১৯৭৬ চনৰ ২৪ জুলাই পৰ্য্যন্ত চিলিঙৰ অধিগ্ৰহণ কৰে ১৫,৬৮,১২৫ বিঘা বিতৰণ কৰে ৬,৯২,৪৩০ বিঘা, পৰিয়ালৰ সংস্থাপন ১,৯৮,৯২৪ টা, বিতৰণ নোহোৱাকৈ থকা মাটি ৮,৭৫,৬৯৩ বিঘা। এই মাটি উদ্ধাৰৰ বাবে তদন্ত হব লাগে নহলে আইনৰ পাকত মাটিৰ মহাজন, চাহ মালিকে খাই থাকিব। গতিকে এই মাটি মাটিহীন, দুখীয়া কৃষকৰ মাজত বিতৰণ কৰিব লাগে। ভূমিহীন ২০ লাখ লোক আছে। শতকৰা আধা প্ৰায় ১০ লাখ ৰায়ত এই সকলেই কৃষি শ্ৰমিক বনাঞ্চলৰ বাবে অনুপযোগী আৰু বসবাস কৰি খেতিৰ বাবে উপযোগী মাটিত, প্ৰয়োজনীয়বাবে গ্ৰেজিং মাটিত, চৰকাৰী স্ববাসী পতিত মাটিত ভূমিহীন, দুখীয়া কৃষকক বিতৰণ কৰিব লাগে। মাটি পোৱা লোক সকলক দীৰ্ঘম্যাদী হাৰত দিব লাগে আৰু ট্ৰেক্তৰ, পানীযোগান, সচ আদিৰ মাচুল ব্যৱস্থা কৰি দিব লাগে। লক্ষ্য ৰাখিব লাগে যাতে উপাৰ্জ্জিত ফচলৰ পৰা সময়ে সময়ে ঋণ বিলাক কাটি ৰাখিব পৰা হয়। ৰায়ত উচ্ছেদ বন্ধ, উচ্ছেদিত ৰায়তৰ পুনৰ সংস্থাপন কৰিব লাগে। মাটি পাইও কিমান মাটিত ৰায়ত বহিব পৰা নাই তদন্ত কৰি তাৰ কাৰণ সমূহ উদ্ধাৰ কৰি নিৰাপত্তাৰ ব্যৱস্থা কৰিব লাগে। তালিকাযুক্ত নোহোৱা ৰায়তক তালিকাযুক্ত কৰিব লাগে। কৃষি শ্ৰমিকৰ মজুৰী আইন কাৰ্য্যকৰী কৰিব লাগে। ভোটৰ মাটি দি পৰিকল্পিত ভাবে গৃহ নিৰ্ম্মান আঁচনি লব লাগে। মাটিৰ বিধান নিষ্পত্তি কৰিবৰ কাৰণে লেণ্ড ট্ৰিবিউনেল গঠণ কৰিব লাগে। চলি থকা গোচৰ তৎকালিন ভাবে সমাপ্ত কৰিব লাগে আৰু তাৰ ব্যৱস্থা লব লাগে। বৰ্ত্তমান মন্ত্ৰী পৰ্য্যায়ত প্ৰায় ২২০০ টা চিলিঙৰ গোচৰ পৰি আছে। মাটিৰ মালিকে আইনৰ পাক বিচাৰি সুযোগ লৈছে। তাৰ যাতে সুযোগ লব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। এবিঘা মাটি এটা পৰিয়ালৰ বাবে যথেষ্ট নহয়। অতিৰিক্ত ৪—৫ বিঘা মাটি দিয়াৰ তৎকালে ব্যৱস্থা কৰিব লাগে। বহোওৱা পৰিয়ালৰ বাবে পানী যোগান, চিকিৎসালয়, পশুপালন আৰু খেতিৰ সুবিধা কৰি দিব লাগে। চাহ বাগিচাত থকা ৰায়তৰ দখলকৃত মাটিৰ মাজেদি নৰ্দ্দমা, লোহাৰ বেলিং আদি মাৰি আৰু কেতিয়াবা পুলিচ লগাই ৰায়তক উচ্ছেদ কৰিছে। বাগিছা কৰ্ত্তপক্ষই পুলিচৰ জুলুম কৰোৱাৰ পৰা ৰায়তক ৰক্ষা কৰিব লাগে। পানিদিহং বহাবানী ৰিজাৰ্ভত মাটিৰ পৰিমাণ ৩৯০০০ বিঘা। মাটি খোলাৰ ব্যৱস্থা হয় ১৬০০ বিঘা। ১০০০ বিঘাৰ গেজেট ঘোষণা হল। তাত ৩৫৬ টা বহুওৱা হল। ১৩১০ টা পৰিয়াল নগৰত আছে। ১৬৬৬ টা পৰিয়াল তৌজিবাহি খাজানা দি আছে বহু দিনৰ পৰা। অনতিপলমে পৰিকল্পনাৰ ভিত্তিত আদৰ্শ গাওঁ গঢ়াৰ মানসেৰে যোগ্যজনক ম্যাদি মাটিৰ পট্টন দিব লাগে আৰু সংস্থাপনৰ বাবে বৈজ্ঞানিক পদ্ধতিত কৃষি ঋণ দি ৰাইজক উৎসাহিত কৰিব লাগে। বানপানী নিয়ন্ত্ৰণ কৰি কৃষি উন্নয়ণ, বৈদ্যুতিকৰণ, জলসিঞ্চন ব্যৱস্থা কৰিব লাগে। মানুহ চন্দ্ৰলৈ গল মে ৰ সমষ্টিত এটা বান্ধ নাই। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। খৰৰ সময়ত ধেকী পোতা, ভেকুলি বিয়া পতা আমি ব্যৱস্থা কৰিব লাগে। পানীৰ কোনো ব্যৱস্থা নাই। যান্ত্ৰিক খেতিৰ ব্যৱস্থা হব লাগে। মথাউৰী প্ৰয়োজনীয় চুইচগেট আদিৰ ব্যৱস্থা হব লাগে। ছয় বছৰ আগতে জানিছিলো আমাৰ দেশত এক লাখ ট্ৰেক্তৰ আছে। তাৰ ভিতৰত পঞ্জাবত ৩৫ হাজাৰ ট্ৰেক্তৰ আছে। আমাৰ ইয়াত মাত্ৰ ৬৮৩ খন ট্ৰেক্তৰহে আছে। এই বিলাক আঞ্চলিক বৈষম্য চাব লাগে চাহৰ কৃষি, উদ্যোগ, বাণিজ্য এই তিনিটা যুগ। এই চাহ খেতিৰ উন্নতিৰ ব্যৱস্থা কৰিব লাগে। চাহ শ্ৰমিক সকল কেতিয়া আহিল আমাৰ স্মৃতিয়ে ধৰিব নাপায়। বহু যুগ যুগ ধৰি আছে যদিও খোৱা লোৱা সামাজিক ব্যৱস্থা আদিৰ ক্ষেত্ৰত আমাৰ লগত বিৰাট ব্যৱধান আছে। ইয়াৰ সমাধানৰ পথ উলিয়াব লাগে। বাগিচাত নিবনুৱা বাঢ়িছে। কোন কত আছে কেনেকৈ থাকে নিশ্চয়তা নাই। পৰিয়ালৰ নিৰাপত্তা নাই। জনা যাওক ৰাজমাই চাহ বাগিচাত জনসংখ্যা ৭০০০ জন, কাম কৰে ১২০০ জন, বাকী ৫৮ জনৰ ঠিকনা নাই। এই বিলাকক সুবিধা দিব লাগে। সেই সকলৰ সংস্থাপনৰ ব্যৱস্থা দিব লাগে। নিৰক্ষৰতা দূৰ কৰিব লাগে। চৰকাৰী উন্নয়ন বিভাগৰ আঁচনিৰ ভিত্তিত চাহ শ্ৰমিকক কৰ্মবিকাশৰ বাবে সামৰি লোৱা উচিত। বাগিছা আৰু গাৱৰ লগত ঘনিষ্ঠ সহযোগ আদান প্ৰদানৰ বাবে যুৱ কেন্দ্ৰ, খেল, কলা সংস্কৃতি চৰ্চ্চা, পাঠাগাৰ ৰঙ্গমঞ্চ, শৰীৰ চৰ্চা খেল পথাৰৰ সুযোগ দিব লাগে। যুৱ শক্তি ক্ৰীয়ামোদিৰ বিকাশ, মহিলাৰ প্ৰতি

বৈষম্য দূৰ সামাজিক অধিকাৰ আদিৰ নিমিত্তে ব্যৱস্হা কৰিব লাগে। প্ৰাচীন কীৰ্তি চিহ্ন সংৰক্ষণ, মূল্য বৃদ্ধি বোধ, খণ্ড উন্নয়ণ আদিৰ ব্যৱস্হা কৰিব লাগে। আমি দেখা পাইছো প্ৰতি দিনে দুই লাখ টকাৰ গেচ অপচয় হৈছে। এই বিলাকৰ সদ্ব্যৱহাৰ কৰি সাৰ কাৰখানা পাতিব পৰা যায়। শিৱসাগৰ মহকুমাক জিলালৈ উন্নীত কৰিব লাগে। পিচ পৰা অঞ্চল সমূহত স্বাস্হ্যজনিত এলেকাত খোৱা পানীৰ ব্যৱস্হা কৰিব লাগে। এই বিলাক অঞ্চলত টেণ্ট বিলিম সাহায্য দিব লাগে। অ, এন, জি, চি আৰু অইল ইণ্ডিয়াৰ জেনেৰেল মেনেজাৰ দুজনৰ লগত স্হানীয় এম, এল, এ সকলৰ কনফাৰেন্স পাতি ক্ষতিপূৰণ, খেতিবাতি নষ্ট কৰাৰ মূল্য দান আদি সমস্যা সমাধান কৰিব লাগে। আৰু এচ, ডি, অ সাক্ষাতকৰণ সমিতিৰ সদস্য হব লাগে। দিহিং নদীৰ মথাউৰীৰ মেৰামতি হব লাগে। এই সম্পৰ্কে মুখ্য মন্ত্ৰীয়ে জানে। যোৱা বাৰ বানে নিতাই পুখুৰীৰ অৱস্হা শোচনীয় কৰি পেলাইছে। এতিয়ালৈকে মেৰামতি হোৱা নাই। ই, এণ্ড, ডিয়ে কৈছে টকা দুই লাখ লাগে। নিতাই পুখুৰীৰ পৰা ধাইআলিলৈ মথাউৰী লাগে। নহলে থাওৰা সমষ্টিৰ পৰা গৈ পানী শিৱসাগৰ পায়গৈ। নহলে খেতি বাতি উদং কৰিব। এই ক্ষেত্ৰত টকা ধৰিব লাগে। ছয় হাজাৰ মানুহ বানত উটি আছিল। এই বিলাক অঞ্চলত কাঠিয়া আদি দিয়াৰ ব্যৱস্হা কৰিব লাগে। নিতাই পুখুৰী দিহিং মথাউৰী মেৰামতি কৰিব লাগে। সেই বিলাক অঞ্চলত স্বাস্হ্য কেন্দ্ৰ আদি কৰি দিব লাগে।

তাৰ পিচত শিৱসাগৰৰ ডি, আই অফিচৰ সম্মুখত বহু মানুহ জমা পাতি থাকে। আমগছৰ তলত বন্ধা এই জমা গোচাব লাগে। চৰণ সিংৰ জন্ম দিৱসত দুই কোটি টকা খৰচ কৰিছে, আমাৰ ইয়াত জন্ম দিৱস পাতিবৰ কাৰণে সেইটো নকৰে যাতে। মোৰ সমষ্টিত পৰিবহন ব্যৱস্হা একেবাৰে বেয়া। তাত ট্ৰেন্সপৰ্ট বাচৰ ব্যৱস্হা কৰিব লাগে।

**শ্ৰীবালিৰাম দাস** :—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে তাৰ প্ৰতি সমৰ্থন জনাই দুটামান কথা অবগত কৰিব বিচাৰিছো। আমাৰ দেশৰ মানুহে স্বাধীনতা আন্দোলন কৰিছিল কেইটামান কথাৰ কাৰণে, সেই কেইটা হল ভাত কাপোৰ, স্বাস্হ্য আৰু শিক্ষাৰ কাৰণে। যোৱা ৩০ বছৰৰ কংগ্ৰেছী শাসনৰ কাৰ্য্যক্ৰমনিকাৰ দ্বাৰা এইটো ভালকৈ উপলব্ধি কৰিছো যে কংগ্ৰেছে দেশৰ জনসাধাৰণৰ আস্হা, বিশ্বাস ৰক্ষা কৰিব নোৱাৰিলে। ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰি মাননীয় সদস্য শ্ৰীমুকুট শৰ্ম্মাই ৰিজাৰ্ভৰ মাটি পট্টন দিয়াৰ ক্ষেত্ৰত বৰ দুখেৰে জনতা চৰকাৰক দোষী সাব্যস্ত কৰিব বিচাৰিছে।

সেই সম্পৰ্কে মই মাননীয় সদস্যজনক আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে মাটি পট্টন কৰাৰ যি হুকুম কৰিছিল সেইটো অন্যায় হুকুম আছিল। ইয়াৰ তাৎপৰ্য্য আছিল কংগ্ৰেছৰ বাবে ভোট সংগ্ৰহ কৰা। আগতে অন্য কিছুলোকক ছয় বিঘাকৈ মাটি দিয়া হৈছিল তাত ঘৰ-দুৱাৰ সাজি মানুহ বহি আছে। আৰু তাৰে ৩ বিঘাকৈ মাটি কৰ্ত্তন কৰি অন্য কিছুমান লোকক দিবৰ বাবে হুকুম দি তিনি বিঘাকৈ দিয়াৰ ব্যৱস্হা কৰিছিল।

**শ্ৰীমুকুট শৰ্ম্মা** :—সভাপতি মহোদয়, মই যিটো কথা কৈছিলো সেইটো ৰাজহ মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীবালিৰাম দাস** :—সেইখিনি মাটিৰে তেওঁবিলাকৰ পৰিয়ালৰ ভৰণ-পোষণ কৰাৰ মাত্ৰ আধৰুৱা ব্যৱস্হা হৈছিল যদিও এইটো স্পষ্ট হৈ পৰিছিল যে খেতিয়কৰ মাজত কন্দলৰ সৃষ্টি কৰাই এই হুকুমৰ উদ্দেশ্য আছিল। মই নতুন চৰকাৰে তিনি বিঘাকৈ মাটি কৰ্ত্তন কৰি অন্য লোকক দিবলৈ কৰা ব্যৱস্হাক স্হগিত কৰাত অভিনন্দন জনাইছো। সুস্হিৰ পৰিবেশ সৃষ্টি কৰাৰ কাৰণে নতুন চৰকাৰে লোৱা এই ব্যৱস্হাৰ বাবে মই জনতা চৰকাৰৰ কৰ্ম্মকৰ্ত্তা সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আজি ত্ৰিশ বছৰ ধৰি আমাৰ দেশত কংগ্ৰেছী শাসন চলিছিল। কিন্তু শিক্ষাৰ ক্ষেত্ৰত বৰ দুখেৰে বহু কথা কবলগীয়া হৈছো আৰু আমাৰ মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী দেৱৰ ভাষণতো এই বিষয়ে যথেষ্ট আভাস দিছে। ৰাস্তাৰ কাষত থকা স্কুল ঘৰ বিলাকৰ অৱস্থা অলপ চাব পৰা বিধৰ হলেও গাওঁ অঞ্চলৰ স্কুল ঘৰ বিলাকৰ কিছুমানৰ ওপৰত খেৰ নাই, কোনোটোৰ আকৌ বেৰ নাই। ৰহা সমষ্টিক কপিলিৰ বানপানীয়ে প্লাবিত কৰে। ধুমুহা আৰু বানপানীৰ ফলত নষ্ট হোৱা বহুত স্কুলঘৰৰ ক্লাচ বিলাক নামঘৰ বা পুথিভৰালত চলি আছে। জানিব পৰা গৈছে যে আবেদন নিবেদন কৰা স্বত্ত্বও চৰকাৰৰ ফালৰ পৰা ইমানদিনে কোনো বাস্তৱ সহায় পোৱা নাই। আনহাতে দক্ষিণপাট হাইস্কুলত হায়াৰ চেকেণ্ডাৰী ক্লাচ খোলাৰ কাৰণে বিভাগীয় কৰ্ত্তৃপক্ষৰ অফিচৰ পৰা নিৰ্দ্দেশ যোৱাৰ পিচতো আৰু ক্লাচ চলাই থকাটো চৰকাৰে সাহায্য দি দানৰ ব্যৱস্থা কাৰ্য্যকৰী কৰা নাই। সেই স্কুলখন আমাৰ মাননীয় সদস্য শ্ৰীমুকুট শৰ্ম্মা ডাঙৰীয়াৰে সমষ্টিত পৰে। ইয়াৰ উপৰিও আজি সত্তৰ আশী বছৰ ধৰি ৰেল গাড়ী চলি থকা চাপৰমুখশিলঘাট ৰেলওৱে লাইনটো মাৰ্টিন কোম্পানীৰ লিজত আছে। এই ৰেল খনৰ গতি ইমান মন্থৰ যে পুৰণি গুদামৰ পৰা নগাওঁ টাউনলৈ ৭ মাইল যাবলৈ আধা ঘণ্টাৰ দৰকাৰ হয়। দিনটোত চাপৰমুখৰ পৰা এবাৰ ঘূৰি আহে আৰু এবাৰ শিলঘাটলৈ মাত্ৰ যায়। কিন্তু ইমান দিন ধৰি এই পথ ৰাষ্ট্ৰীয়কৰণ কৰা হোৱা নাই। ৰাইজৰ ফালৰ পৰা যথেষ্ট চেষ্টা কৰা সত্বেও আজিকোপতি কোনো ফল ধৰা নাই। সেই কাৰণে পুৰণিগুদাম, চামগুৰি কলিয়াবৰ আদি ঠাইৰ যি সকল লোকে নগাওঁৰ কোৰ্ট কাচাৰীত কাম কৰে সেই সকলৰ যাতায়তৰ ভীষণ অসুবিধা হৈছে। তেওঁলোকে অধিক ভাৰা দি হয় চিটি বাচ অথবা টেক্সি কৰি আহিবলগীয়াত পৰে। শিলঘাটৰ ফালৰ পৰা যাতায়ত কৰা লোকৰো একেই অৱস্থা। এই ব্যৱস্থা উন্নত কৰিব লাগে। ৰেলওৱে পথ ছোৱা ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে। জানিব পৰা মতে ১৯৭৮ চনৰে আগ ভাগতে লীজৰ সময় শেষ হব গতিকে এই বাবৰ লীজ শেষ হোৱাৰ আগতে অৰ্থাৎ একত্ৰিশ মাৰ্চৰ আগতে ৰাষ্ট্ৰীয়কৰণ নকৰিলে আৰু দহ বছৰলৈ এই পথছোৱা মাৰ্টিন কোম্পানীৰ হাতত ৰৈ যাব আৰু অঞ্চলটো পৰিবহনৰ ক্ষেত্ৰত অনগ্ৰসৰ হৈ ৰব। মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী দেৱে কলিয়াবৰ সমষ্টিৰ সমস্যাৰ কথা কৈছে মই গোটেই জিলাখনৰ কথাকে কৈছো। নগাওঁ জিলাৰ চিকিৎসা বিভাগৰ এজন বিষয়াই আগতে বাতৰি কাকততো লিখা লিখি কৰিছিল যে নগাওঁত অসমৰ ভিতৰতে আটাইতকৈ বেছি গেষ্ট্ৰিক বেমাৰী আছে। পানী যোগান ব্যৱস্থা অত্যন্ত বেয়া আৰু ব্যৱহৃত পানী দোষ যুক্ত আৰু বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা নাই। গৰু মহে খোৱা একেটা পুখুৰীৰ পানীকে মানুহেও খাই আছে। সেই ভেকুলীয়ে মুতা পানী খাই মানুহৰ কলাজৰ, মেলেৰীয়া কলেৰা আদি হৈ আছে। পেটৰ বেমাৰ হৈছে। পঞ্চায়তৰ যোগেদি যি টিউবওৱেল বহুৱাৰ ব্যৱস্থা আছে তাৰ বেছি ভাগ ক্ষেত্ৰতেই দুশ ফুটত পানী ওলায়, তেনে স্থলত যদি মাত্ৰ পঞ্চাশ ফুট বহুৱাই তাত পানী পাব নোৱাৰে। কিছু ক্ষেত্ৰত পাইপ আদি বিক্ৰী কৰাৰ উদাহৰণ বহুত আছে। যিহেতু পঞ্চায়তৰ লোকসকল কংগ্ৰেছৰ সাংগ পাংগ লোক সেই কাৰণে পাইপ আদি বিক্ৰী কৰি থয় আৰু টিউবওৱেল বিলাক দুই এদিনতে পানী নোলোৱা হৈ পৰে।

সভাপতি মহোদয়, অনুসূচীত জাতি আৰু সম্প্ৰদায়ৰ কাৰণে সংবিধান অনুসৰি সমবায় সমিতি কৰি মাছ পোহা বিল আদি বিতৰণ কৰাৰ ব্যৱস্থা আছিল আৰু সেই মতে বিলবোৰ চলাবৰ কাৰণে সময় বান্ধি দিয়া হয়।

( সময়ৰ সংকেত )

অলপতে দৰং জিলাত ফৰেষ্টত থকা বুঢ়া চাপৰিৰ বিলত অগ্ৰগতি মৎস্যজীৱি সমবায় সমিতিক দহখন বিল ডাকত ৫,৩০,৭৭৭ টকাত দিয়া হৈছিল যদিও ওচৰৰ মানুহে বলপূৰ্ব্বক ভাবে ৮ খন বিলেই মাৰি আনে আৰু বাকী কেই খন বিল মাৰিব বুলি হুমকি দিছে, কিন্তু

চৰকাৰৰ ফালৰ পৰা বিলৰ বাবদ ৰাজহৰ সাতটা কিস্তি আদায় কৰি লোৱাৰ পিচত কোনো ৰক্ষণাবেক্ষণ এই মাছমৰীয়া সকলক দিয়া নাই । এই ক্ষেত্ৰত সমবায় সমিতিভূক্ত অনুসূচীত জাতিৰ লোকসকল অসুবিধাৰ সন্মুখীন হৈছে ।

কিন্তু এই বিলাক বিপদৰ পৰা তেওঁলোকক ৰক্ষণাবেক্ষণা দিয়াৰ কাৰণে কোনো আশানুৰূপ ব্যৱস্হা গ্ৰহণ কৰা হোৱা নাই । তাৰোপৰি যি সকলে মাটিৰ বাচন তৈয়াৰ কৰে তেওঁলোকে বিচৰা কোৱালিটিৰ মাটি চৰকাৰৰ ফালৰ পৰা যোগান ধৰিব পৰা নাই । তাৰ পিছত ভূমিহীনক মাটি দিয়া কথা আগৰ চৰকাৰে কৈছিল কিন্তু পুৰণিগুদাম অঞ্চলৰ কিছুমান ভূমিহীন মানুহক বসবাস কৰিবৰ কাৰণে কেৱল মাটি ১ বিঘাকৈ ৰূপহীৰ ওচৰত দিয়া হৈছিল । কিন্তু সেই মাটি খিনি গো-চৰাবৰ কাৰণে মুকলি কৰি ৰখা হৈছিল । তেনে ঠাইত সেই মানুহ বিলাকক বহুৱাই দিয়া হ'ল । কিন্তু নিকতবৰ্ত্তী লোক সকলে বিৰোধ কৰি তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰি উঠাই দিয়ে । অনুসূচিত মানুহ খিনিক সুবিধাৰ কাৰণে কোনো ধৰণৰ ব্যৱস্হা কৰা নাই । সেয়েহে মই অনুৰোধ কৰিছো যাতে জাতি-ধৰ্ম্ম নিৰ্বিশেষে সকলোৰে স্বাৰ্থ ৰক্ষাৰ কাৰণে নতুন চৰকাৰে কাম হাতত লয় । শেষত ৰাজ্যপালৰ ভাষণখন সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত উৰ্লেখিত আৰু অনুলেখীত বিষয় কেইটামানৰ ওচৰত কেইষাৰ মান কথা কবলৈ আগবাঢ়িছোঁ আৰু বৰ্ত্তমান নবগঠিত জনতা চৰকাৰক মোৰ শুভেচ্ছা জ্ঞাপন কৰিলো । বিশেষকৈ বৰবৰা ডাঙৰীয়াৰ নেতৃত্ব দিয়াৰ বাবে তেখেতলৈ মোৰ ওলগ জনালো । তাৰোপৰি ইয়াৰ দ্বাৰা আমাৰ অসম বাসীৰ মনত আশাৰ সঞ্চাৰিত হৈছে । মই আশা ৰাখিছোঁ নতুন চৰকাৰে সকলো নতুন ব্যৱস্হাৰে বাস্তৱত ৰূপায়ন কৰিব পাৰিব । কিন্তু ৰাজ্যপালৰ ভাষনত লোকনায়ক জয়প্ৰকাশ নাৰায়নৰ নেতৃত্বত আগৰ চৰকাৰ ভাঙি নতুন চৰকাৰ গঠন কৰাৰ পিচত এনেকুৱা এটা ৰাজনৈতিক দল গঠন হোৱাৰ কথা উল্লেখ নথকাতো দুখৰ কথা । সন্মানিত প্ৰাক্তন মুখ্যমন্ত্ৰী বৰ্ত্তমান বিৰোধী দলৰ নেতাই শতকৰা ২৭ অংশ পোৱাৰ কথা কৈছে, কিন্তু আমি যি সকল নিবৰ্বাচিত হৈ আহিছো সেই সকলে কোনোবাই এব্চলিউট মেজৰিটি পাইছে জানো ? কিন্তু মই এই কাৰণেই কব বিচাৰিছো যাতে এই নবগঠিত চৰকাৰে ৰাজ্যখনত এক নিকা প্ৰশাসন আৰু কাৰ্য্যদক্ষ আৰু সুদক্ষ প্ৰশাসন গঢ়ি তুলিব পাৰে আৰু ৰাইজৰ আশা-আকাংশা বাস্তৱত ৰূপায়িত কৰিব পাৰে আৰু আশা কৰিছো আগৰ যি দুৰ্নীতিপৰায়ন প্ৰশাসনৰ যাতে আমোল পৰিবৰ্ত্তন সাধিব পাৰে । দুৰ্নীতি অকল প্ৰশাসনত আছে বুলি শুদ্ধ নহয়, মই নতুন মন্ত্ৰী সভাক বিশেষকৈ বৰবৰা ডাঙৰীয়াক আহবান জনাইছো যে তেখেতে মন্ত্ৰী সভাৰ সদস্য সকলৰ সা-সম্পত্তি ৰাজহুৱা ভাবে প্ৰকাশ কৰা হব বুলি ঘোষণা দিয়ে । ভট্টাচাৰ্য্য ডাঙৰীয়াই আগতে এটা দুৰ্নীতিৰ বিষয়ে উল্লেখ কৰিছে যে যোৱা ২০ বছৰ আগতে যি সকলে শাসনৰ গাদীত আছিল তেওঁলোকৰ আয় ব্যয়ৰ হিচাব পোৱাতো টান, মই ভাবো আমাৰ জনতা দলেই হওক বা আন আন দলেই হওক বা বিৰোধী দলেই হওক সকলো মাননীয় সদস্যৰে সা-সম্পত্তিৰ ৰাজহুৱা ভাবে দখল কৰিব লাগে আৰু তাত ৰাইজৰ মতামত ডাঙি ধৰাৰ অধিকাৰ থাকিব লাগে । উত্তৰ প্ৰদেশৰ এজন মন্ত্ৰী জি, এচ, বাজপায়ী ডাঙৰীয়াই কৈছে যে তেখেতে সা-সম্পত্তিৰ যি ষ্টেটমেণ্ট দাখিল কৰিছে তাত যদি কিবা ভুল থাকে সেইটো আইন গত ভাবে বিচাৰ কৰিব পাৰিব বুলি তেখেতে জনাই দিছে । তেনে ধৰণৰ আদৰ্শৰে আমাৰ সদস্য আৰু মন্ত্ৰী সকল অনুপ্ৰাণিত হব বুলি মোৰ বিশ্বাস । জাতিৰ জনক গান্ধীজীয়ে ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ সময়ত অনসন ধৰিছিল কিন্তু তেতিয়া কিছুমান লোকে গান্ধীজীয়ে মনে মনে খোৱা বুলি কৈছিল কিন্তু সেই চাম মানুহেই কংগ্ৰেছৰ টিকট গান্ধীজীৰ নামত লৈ কিছুমান ন্যস্ত স্বাৰ্থ লৈ কংগ্ৰেছী হৈ পৰিল আৰু সেই চাম ন্যস্ত স্বাৰ্থৰ নেতাই আজি কংগ্ৰেছৰ আগ ভাগ লওতা আৰু তেওঁলোকৰ কাৰণেই আজি কংগ্ৰেছৰ এই পৰিণতি আৰু এই ফল পাইছে। জনতাদলৰো এজন আগশাৰীৰ নেতা এম, পি, হিৰালাল

*Speech not corrected

পাটোৱাৰীৰ নামত বিভিন্ন ঠাইত বেপাৰ ব্যৱসায় দোকানে দোকানে চলি আছে, চান্দা আনিবলৈ গলে এখেতৰ পাৰ্মিশ্যন নহলে তেওঁলোকে চান্দা নিদিয়ে কিন্তু তেখেতৰ নিজৰ নামত কোনো চেয়াৰ নাই, বিভিন্ন নামত চোকে কোনে দোকান আছে । গতিকেই জনতা দলেও যাতে এনে বিলাক কথাৰ প্ৰতি চকু দি কংগ্ৰেছৰ নিচিনা জনতা নহয় তাৰ বাবে যত্নপৰ হব । ৰাজ্যপালৰ ভাষণত আন্তৰাষ্ট্ৰিয় সীমাৰ কথা উল্লেখ কৰিছে, তাত অৰুণাচলৰ কথাও কৈছে. আকৌ কামৰূপ জিলাৰ বকো অঞ্চলত মেঘালয়ৰ নিবৰ্বাচনী আয়োগে জোৰ কৰি ১০ খন গাওত নিবৰ্বাচন পাতে, আমাৰ নিবৰ্বাচনী আয়োগে তেওঁলোকলৈ নোটিচ দিছিল কিন্তু মেঘালয়ৰ নিবৰ্বাচনী আয়োগে সেই নটিচৰ গুৰুত্ব নিদিলে, মেঘালয়ৰ নিবৰ্বাচনী আয়োগে নটিচ দিয়াত সেই গোটেই খিনি অসমৰ মানুহে মেঘালয় নিবৰ্বাচনত ভোট দান কৰে । গতিকে এই অতি জৰুৰী বিষয়টো আমাৰ চৰকাৰে মেঘালয়ৰ চৰকাৰৰ লগত আলোচনা বিলোচনা কৰি গোটেই খিনি বাক-বিতণ্ডা সামৰি লৈ দুয়োখন ৰাজ্যৰে মতামত লৈ অতি সোনকালে এই বিষয়ে এটা মীমাংসা কৰিব লাগে ।

মাননীয় সদস্য সকলে শিক্ষাৰ বিষয়ে বহুতো কথাই কৈছে । দশম শ্ৰেণীলৈকে মাছুল মাফ দিয়াটো আমিও অভিনন্দন জনাইছো । কাশ্মিৰতটো কলেজ শিক্ষালৈকে মাফ দিছে । সেই আদৰ্শৰে আগবাঢ়ি যাওক আশা ৰাখিছো । কিন্তু প্ৰত্যেকে কয় প্ৰাথমিক স্কুল প্ৰত্যেক গাঁওতে হব বুলি । এই ঘোষণা ৩ বছৰ আগতেও কৰিছিল আমি শুনিয়ো আহিছো । আগৰ চৰকাৰে প্ৰতিশ্ৰুতি দিছিল প্ৰতিখন স্কুল বিহীন গাওতে স্কুল হব । কিন্তু আজিলৈকে নহ'ল । ১৯৭৫-৭৬ চনতে স্থাপন হোৱা ভেনচাৰ স্কুল সম্পূৰ্নৰূপে লোৱা নহল । মই নতুন চৰকাৰক আহবান জনাইছো যিবিলাক প্ৰাইমাৰী স্কুল ভেনচাৰ হৈ আছে কিছুমান ১৯৭০ চনৰ পৰা আছে । ডি. পি, আই অফিচত চালেই ওলাব, সেই স্কুল বিলাক অতি সোনকালে লোৱাৰ ব্যৱস্হা কৰিব লাগে। কাৰণ সেই শিক্ষক সকলে অতি নগণ্য দৰমহাত জীয়াতু ভোগি কাম কৰি আছে । প্ৰাথমিক স্কুলৰ মানদণ্ডৰ কথাটো সংবিধানেও স্বীকৃতি দিছে । তাৰ পিচত হাইস্কুলৰ ক্ষেত্ৰত দশম মান শ্ৰেণীলৈকে মাছুল মাফ হোৱাৰ লগে লগে সকলো সদস্যই জানে কিছুমান ভেনচাৰ হাইস্কুল আছে শিক্ষা বিভাগৰ কোনো ৰুলত নাই কিন্তু স্কুল খুলিবলৈ পাৰমিশ্যন লব লাগে । এবছৰ পাৰমিশ্যন দি বহুৱাই ৰাখিব । এই এক বছৰৰ ভিতৰত কোনো ধৰণৰ বৃত্তিৰ সা-সুবিধা নাপায় । এক বছৰ হৈ যোৱাৰ পিচত সেই স্কুল খনক স্বীকৃতি দিব আৰু তেতিয়াহে এই দুৰ্ভগীয়া লৰা-ছোৱালী সকলে যি কমপেনশ্যচন গ্ৰান্টখটো পায় । এই অৱস্হা অসমত চলি আছে । অসমত শিক্ষা সদায়ে ৰাইজেস্কাৰ কৰি আহিছে । তাতে আকৌ চৰকাৰৰ ফালৰ পৰা এনেকুৱা বাব কৰিব বাবটো অসুবিধা ৰাইজৰ ওচৰলৈ আহি পৰে । স্বীকৃতি পালেহে এডহক গ্ৰান্ট পায় । ১-৪-৭৫ চনতে স্হাপন হোৱা আৰু স্বীকৃতি পোৱা স্কুলে আজি ২৭ মাৰ্চ পৰ্যন্ত এডহক গ্ৰান্ট পোৱা নাই । এম-ই স্কুলৰ ৫ মাহৰ গ্ৰান্ট যোৱা সপ্তাহতহে ৰিলিজ কৰিছে । দশম মান শ্ৰেণীলৈকে মাছুল মাফ হব সচাঁ । কিন্তু স্কুল বিলাকত এডাল চক পেঞ্চিল কিনিবৰ কাৰণেও কন্টিজেন্সিৰ ব্যৱস্হা নাই । প্ৰধান শিক্ষক বা কেৰাণী ইন্সপেক্টৰ অফিচলৈ অহা যোৱা কৰিবৰ কাৰণে টি, এ, ৰ ব্যৱস্হা নাই অথচ অক্টোবৰৰ পৰা চৰকাৰী সেৱা আগবঢ়ালে। প্ৰাইমাৰী স্কুলৰ ক্ষেত্ৰত শিক্ষক সকলে ১৯৭৫ চনৰ ১ চেপ্তেম্বৰৰ পৰা চক পেঞ্চিল এডাল কিনিবৰেও কন্টিজেন্সিৰ কাৰণে এক পইচাও পোৱা নাই । তেওঁলোকে নিজৰ পকেটৰ পইচাৰে চক পেঞ্চিল কিনি আছে ।

(সময়ৰ সংকেত)

ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়োৱা শ্ৰীশৰ্ম্মা ডাঙৰীয়াই প্ৰাইমাৰী শিক্ষা বিকেন্দ্ৰীকৰণৰ ব্যৱস্হাকৰাৰ কথা কৈছে । অসমত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দিনৰে পৰা অসমত প্ৰাইমাৰী শিক্ষাৰ ক্ষেত্ৰত এখন পৰামৰ্শদাতা কমিটি আছিল । কিন্তু ১৯৭৫ চনৰ চেপ্তেম্বৰ মাহত এই কমিটি ভাঙি দিয়া হয় । এই কমিটিত ৰাজ্যিক পৰ্য্যায় পৰ্য্যন্ত পৰামৰ্শ আগবঢ়াব পৰা গৈছিল । আজি একেটা মহকুমাত ২ হাজাৰ শিক্ষকে কাম কৰে । তেওঁলোক শ্ৰেণীত উপস্হিত আছে নে নাই । কোন কলৈ গ'ল তাৰ কাৰণে মাত্ৰ ডি, আই, এচ,

আই, সকল আছে । তাৰ বাহিৰেও কোনো নাই । ডিপিআই, অফিচত ৪০ হাজাৰ কৰ্মচাৰী আছে কিন্তু কোনো ধৰণৰ চুপাৰভাইজৰ ব্যৱস্থা নাই । মই শিক্ষা মন্ত্ৰী মহোদয়ক বিনীত ভাবে অনুৰোধ জনাইছো যাতে বাইজে চকু দিব পৰাকৈ এই অনুষ্ঠান বিলাকৰ ওপৰত একোখন বোৰ্ড কৰি দিব লাগে । তেতিয়াহে বিকেন্দ্ৰীকৰণ ব্যৱস্থা কাৰ্য্যকৰী হব ।

(সময়ৰ সংকেত)

মদ নিবাৰণৰ ক্ষেত্ৰত আমাৰ প্ৰধান মন্ত্ৰী মহোদয়ে যি নীতি লৈছে সেইটো অৱশ্যে জনতা পাৰ্টিৰো নীতি । আমাৰ দৰং জিলা আৰু কামৰূপ জিলা আৰু গোৱালপাৰাৰ যি খিনি ভোটান সীমাত আছে তাত ভোটান চৰকাৰে দোকান দিছে আৰু তাৰ কিনোতা গ্ৰাহক হল দৰং আৰু কামৰূপ জিলাৰ লোকসকল । গতিকে আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ যোগেদি এই বিষয়টো অতি সোনকালে তেওঁলোকৰ দৃষ্টি গোচৰ কৰাব লাগে । দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ ভৈৰৱ কুণ্ডৰ কথা সকলোৱে জানে । কাৰণ এইটো এটা পিক্‌নিক্ স্পট । কিন্তু তাত কি কাণ্ড কাৰখানা হয় শুনিলে আচৰিত । নিৰ্ব্বাচনৰ আগমুহূৰ্ত্তত উত্তৰ অঞ্চলত পানী খাই মানুহে একেবাৰে খোজ কাঢ়িব নোৱাৰা অৱস্থা হৈছিল । (সময়ৰ সংকেত)

জনজাতীলোক সকলৰ উন্নয়ণৰ ক্ষেত্ৰত আমি যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছো। মোৰ সমষ্টিটো ৰিজাৰ্ভ চিট নহয় যদিও ওচৰৰে ওডাল গুৰিৰ সমষ্টিটো ৰিজাৰ্ভ চিট । মোৰ সমষ্টিটো কিছুমান জনজাতীয় লোকে বাস কৰে । যি বিলাক উন্নয়ণ নিগম হৈছে তাত ৰাইজ সন্তোশিত হোৱা নাই । এতিয়া জনতা চৰকাৰৰ দিনত আমি নতুন ভাল মন্ত্ৰী পাইছো । আশা কৰো তেখেতৰ সদ্গুনেতৃস্বতজনজাতী উন্নয়ণ আঁচনিয়ে সমস্যা সমাধানত আগ ভাগ লব বুলি আশা কৰিলো । মোৰ কবলগীয়া বহুত আছিল কিন্তু সঘনে বেল বাজিছে কাৰণে বক্তৃতাৰ সামৰণী মাৰিলো ।

* **মহম্মদ চামচুল হুদা** :—অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰিছো । ৰাজ্যপালৰ ভাষণত বিগত কালচোৱাৰ বহু গুৰুত্বপূৰ্ণ ঘটনা সোমাব লাগিছিল, আৰু অসমৰ ৰাইজৰ নানান সমস্যাৰ কথাও থাকিব লাগিছিল, সেইবোৰ বাদ পৰিছে । এই ভাষণ খনৰ কিছু কথা বাদ দিলে বাকী কথা খিনি গতানুগতিক হৈছে । আজি আমি আচৰিত হৈছো যে ইন্দিৰা গান্ধীৰ আমোলত নেতৃত্ব থকা কংগ্ৰেছ দলে ভাৰতবৰ্ষত জৰুৰীকালীন অৱস্থাৰ ঘোষণা কৰিছিল আৰু তাত ফেচীবাদৰ ৰাজত্ব চলিছিল । এই কথা বিলাকৰ উল্লেখ ৰাজ্যপালৰ ভাষণত নথকাটো পৰিতাপৰ কথা । অধ্যক্ষ মহোদয়, দেশ স্বাধীন হোৱাৰ ৩০ বছৰ ধৰি দেশ আৰু অসমত যি শাসন চলিছিল সি আছিল অত্যাচাৰ, অনাচাৰ, অনাহাৰ, খুন, জখম, শোষণ, অনাহাৰত মৃত্যু আৰু ফেছীবাদী ৰাজত্ব আছিল । যাৰ ফলত অসমৰ ৰাইজে কংগ্ৰেছ চৰকাৰক যোৱা নিৰ্ব্বাচনত হাতি খেদোৱাদি খেদাই পঠালে আৰু অসমৰ গাদীত অকংগ্ৰেছী চৰকাৰ প্ৰতিষ্ঠা কৰিলে । এই ইতিহাস প্ৰসিদ্ধ ঘটনাটো ৰাজ্যপালৰ ভাষণত অলপো উল্লেখ নাই । আমি বুজি পোৱা নাই কিয় ৰাজ্যপালে বাস্তৱ সত্য উপলব্ধি কৰিব পৰা নাই অথবা তেওঁৰ মনত অলপ মৰম আছে কিজানিবা এই কংগ্ৰেছ দল কেতিয়াবাকৈ ক্ষমতাত আহে । মই কৈছো আপোনালোকে মনত ৰাখিব কংগ্ৰেছ দল অসমত আৰু কেতিয়াও ক্ষমতাত বহিব নোৱাৰে, কোনোবা কংগ্ৰেছ মন্ত্ৰী যদি আহিব খোজে তেন্তে পুনৰ জন্ম লৈ আহিব লাগিব ।

অধ্যক্ষ মহোদয়, মই অৱশ্যে জনতা চৰকাৰকো মনত পেলাই দিছো যে জনতা চৰকাৰে সদায় মনত ৰাখিব লাগিব যে আমি বিপ্লবী কমিনিউষ্ট পাৰ্টিয়ে যদিও সমৰ্থন দিছো চৰকাৰ গঠণ কৰাৰ লগে লগে জনতা চৰকাৰে এই কথা মনত ৰাখিব লাগিব যে জনতা পাৰ্টি সদায় সতৰ্ক ভাবে চলিব লাগিব । নহলে ৩০ বছৰীয়া শাসনৰ পিচত অসমৰ

*Speech not corrected

ৰাইজে যেনেকৈ কংগ্ৰেছ দলক খেদি পঠালে জনতা দলক পঠাবলৈ অসমৰ ৰাইজে ৩০ বছৰ নালাগে ৫ বছৰো বাট নাচায় যদিহে জনসাধাৰণৰ স্বাৰ্থৰ পক্ষে এই চৰকাৰে কাম নকৰে। ভাৰতৰ তথা অসমৰ মানুহে প্ৰয়োজন মতে যি কোনো আন্দোলন কৰিবলৈ বিৰত নাথাকে এই কথা জনতা চৰকাৰে মনত ৰখা উচিত। ৰাজ্যপালৰ ভাষণত কংগ্ৰেছ দলৰ ক্ষমতা বিকেন্দ্ৰীয়কৰণৰ কথা উল্লেখ থাকিব লাগিছিল। আজি ৩০ বছৰ ধৰি কংগ্ৰেছৰ কুশাসনত অসম অন্ধকাৰত ডুবি গৈছিল বুলি কলেও অত্যুক্তি কৰা নহয়। যোৱা ৩০ বছৰত কংগ্ৰেছ চৰকাৰে অসমত কোনো উদ্যোগৰ প্ৰয়োজন বোধ কৰি সংগঠণমূলক উদ্যোগৰ কাম কৰিব নোৱাৰিলে। সেই কাৰণেই তেওঁলোকে আজি খেদা খাব লগা হল। সেই কাৰণেই কৈছো ৰাজ্য চৰকাৰক আৰ্থিক ক্ষমতা দিবৰ বাবে কেন্দ্ৰক হেচা দিব লাগে যাতে যত উদ্যোগৰ উন্নয়ণ, কৃষিৰ উন্নয়ণ, শিল্পৰ উন্নয়ণ কৰিব পৰা যায় তাৰ বাবে ক্ষমতা দিব লাগে। অতি হাঁহি উঠা কথা যে আমাৰ ইয়াৰ কৃষিজাত, শিল্পজাত, খানজাত আৰু প্ৰাকৃতিক সম্পদ আমাৰ বুকুৰ পৰা লোকে কাঢ়ি নি এজনৰ পেটত পাইপ ভৰাই আন এজনৰ পেটত হজম কৰোৱা হৈছে। তাৰ কাৰণে মই ৰাজ্য চৰকাৰক সতৰ্ক কৰি দিছো ভৱিষ্যতে যাতে এনে হবলৈ নাপায়। অন্যথাই অসমৰ ৰাইজ যিকোনো মুহূৰ্ত্তে আন্দোলন কৰিবলৈ প্ৰস্তুত হব। আৰু আমিও বিপ্লৱী কমিনিউষ্ট পাৰ্টি হিচাবে ভাল নেতৃত্ব দিম। যোৱা ৩০ বছৰত কংগ্ৰেছৰ আমোলত থকা নদীৰ ওপৰত ২১ খন দলং হল অথচ সেই একেই চৰকাৰৰ দিনত আমাৰ সমষ্টিত মাত্ৰ এখন দলংহে হল। জনতা চৰকাৰৰ দিনত আৰু কেইখনমান দলং হোৱা কথা ওলাইছে সেইটো ভাল কথা। আমি কওঁ সস্তীয়া-খৰচৰা কাম কৰিলে দেশৰ সামগ্ৰিক উন্নতি নহয়। অসমৰ বুকুৰ বিৰাট সম্পদ ৰাজিৰ উচিত ব্যৱহাৰৰ বাবে মাষ্টাৰ প্লেণ কৰিব লাগে। অসমৰ বস্তুলৈ অসম চৰকাৰে নিজে যাতে উদ্যোগ কৰাৰ ক্ষমতা পায় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাব লাগে। তাৰ বাবে বিদেশৰ পৰা টেকনিকেল সাহাৰ্য্য পোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কৰিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত জনতা চৰকাৰে গাঁৱে গাঁৱে প্ৰাথমিক স্কুল পতাৰ কথা কৈছে সেইটো ভাল হৈছে। এই সম্পৰ্কত বহু কথা কোৱা হৈছে। আজি ৩১ বছৰে কংগ্ৰেছী চৰকাৰে ৰাইজক বিশ্বাসঘাটকতা কৰি আহিল। এইখিনিতে অধ্যক্ষ মহোদয়, ইতিহাস প্ৰসিদ্ধ এটা কথা কব খুজিছো, ৰজা কোৱাওণে তেওঁৰ ৰাজ্যত স্কুল-কলেজ আৰু শিক্ষাৰ সকলো পথ বন্ধ কৰি ১৫ বছৰ নিৰক্ষৰ কৰি পেলালে। তাৰ পিচত তেওঁ নিজকে খোদা বুলি মনাবলৈ ললে।

Mr. SPEAKER—Order, order. The Member may continue on next day. The House now stands adjourned till 10 A.M. tomorrow, the 28th March.

## ADJOURNMENT

The house then rose at 5 P.M. and stood adjourned till 10 A. M. on Tuesday, the 28th March, 1978.

Dispur,
The 27th March, 1978

P. D. BARUA,
Secretary,
Assam Legislative Assembly

AGP (L.A.) No. 941/78—1200—19-10-1978.